জানুৱাৰী 2009 ■ Rs.20/-
চান্দমামা
নৱবৰ্ষৰ প্ৰীতি
আৰু শুভেচ্ছাৰে

BSA LADYBIRD
Your best friend for life.
Introducing
BSA LADYBIRD XS
Act Create Play
Push your boundaries and explore new horizons. Because with the all-new Ladybird XS you can go wherever you want to. The perfect combination of stylish, feminine looks and a strong, rugged frame, it's the right companion for girls who believe in having the best of every world.
Bring home a Ladybird XS and bring out the adventurer in you.
www.ticyclesindia.com


25% Off!
CHANDAMAMA'S
Ramayana
An Epic Journey
CHANDAMAMA'S
Ramayana
An Epic Journey
Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.
Price: Rs 449/-
Order now and get 25 % off!
To place an order go to www.chandamama.com and click on the Pre-order button.
Chandamama's Ramayana is available only in English at all leading book shops.

চান্দমামা বৰ্ষ ৩৭ জানুৱাৰী ২০০৯ সংখ্যা-১

# বিশেষ আকৰ্ষণ

শশীকালৰ সিদ্ধান্ত (বেতাল কাহিনী) ...১৯

স্বীটজাৰলেণ্ডৰ এটা কাহিনী ...৪৪

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা—১৬...৪৮

ৰামায়ণ (যুদ্ধ কাণ্ড-৭) ... ৫৭

## এই সংখ্যাত আছে

★ পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা ...০৬
★ মায়াৰ পৰ্দা ...০৭
★ ক্ৰিকেট আৰু সংবিধান ...১১
★ পাতাল দুৰ্গ-৬ ...১৩
★ বাতৰিৰ শিৰোনামাত শিশু ...২৫
★ ধ্ৰুৱ ...২৬
★ বিচিত্ৰ ভাৰত ...৩০
★ বীৰবলৰ কাহিনী-১৭ ...৩২
★ উদীয়মান তাৰকা ...৩৭
★ নিজৰ নিজৰ অভিপ্ৰায় ...৩৮
★ ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান ...৩৯
★ কাগল গাঁৱৰ তিমিমাছ ...৪০
★ মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ-৩৬ ...৪৬
★ ক্ৰিকেটৰ এভাৰেষ্টত শচীন ...৫১
★ সংবাদ বিচিত্ৰা ...৫২
★ জাতক কথা ...৫৩
★ লোভেই পাপ পাপেহ মৃত্যু ...৬৩
★ বিহংগ ভেৰী ...৬৭
★ চান্দমামা কুইজ-১২ ...৭১
★ জানো আহাঁ নানা কথা ...৭৩
★ ফটো নামকৰণ প্ৰতিযোগিতা ...৭৪

## অমৰ বাণী

সক্ষম ব্যক্তিৰ বাবে বোজানো কি বস্তু? কাৰ্য সাধনৰ বাবে দূৰত্বনো কি? বিদ্বানৰ বাবে বিদেশৰনো অৰ্থ কি? এই ধৰণৰ মিঠা কথা কোৱাজনৰ শত্ৰুৱেইবা হয় কোন?

-----

এই সংসাৰত কোনো ব্যক্তিকে কেৱল নিজৰ স্বভাৱৰ বাবে আনৰ দৃষ্টিত ভাল বা বেয়া ব্যক্তি বুলি কোৱা নহয়, কিয়নো মনুষ্যৰ মহানতা বা নীচতা তেওঁৰ কাৰ্যবদ্বাৰাহে অংকিত হয়।

17-1-09

# এয়া তৰুণসকল "উঠিবৰ আৰু জাগিবৰ" সময়

"উঠা, জাগা আৰু লক্ষ্যত উপনীত নোহোৱালৈকে নৰৈ নাথাকিবা।" স্বামী বিবেকানন্দই ১৮৮৩ চনত চিকাগোৰ বিশ্ব ধৰ্ম সংসদত কোৱা আৰু প্ৰায়েই উদ্ধৃত এইকেইটা শব্দৰ গুৰুত্ব আনকি ১২৫ বছৰৰ পাছতো নোহোৱা হৈ যোৱা নাই। সাৰ্বজনীন ভ্ৰাতৃত্বৰ বিকাশেই এইকেইটা শব্দৰ উদ্দেশ্য। স্বামীজীয়ে লগতে সহনশীলতাৰ ভেঁটিত প্ৰতিষ্ঠিত ভাৰতৰ মনোবলৰ কথাও বিশেষভাৱে উল্লেখ কৰিছিল, ভাৰতীয় জনগণে অনুসৰণ কৰা আধা ডজন ধৰ্মতো এইটো কথাই শিকোৱা যায়।

অৱশ্যে, আমাৰ দেশৰ সাম্প্ৰতিক ঘটনাপ্ৰবাহে ভাৰতীয় প্ৰমূল্যসমূহকে আঘাত কৰিছে-- এই আটাইবোৰৰ কাৰণ হ'ল এটা নিৰ্দিষ্ট ধৰ্মৰ অনুগত কিছুমান মানুহে, যিসকলে তেওঁলোকৰ ধৰ্মৰ মূল শিক্ষাবোৰ অনুসৰণ নকৰে, এনে কিছুমান ঠাই সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে বাচি ল'লে যিবোৰত এনে ঘটনা ঘটিব পাৰে বুলি কোনেও ভবা নাছিল।

সবাতোকৈ দুখৰ কথা ক'ল এইবোৰ ঘটনাত জড়িত আছিল কেইজনমান তৰুণ যিসকলৰ ইমান অসৎ উদ্দেশ্য থাকিব পাৰে বুলি কোনেও সন্দেহ নকৰিব। এইসকল আছিল বিপথে পৰিচালিত কেইজনমান যুৱক যিসকলে তেওঁলোকৰ নিৰপৰাধী মনোভাৱৰ প্ৰতি থকা আনৰ আস্থা মষিমূৰ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। ১২ জানুৱাৰীত তৰুণ দিৱস হিচাপে যিজন মনীষীৰ জন্মদিন আমি পালন কৰি আহিছো, সেইজন স্বামী বিবেকানন্দই তৰুণসকলক উদ্দেশি কোৱা এইকেইটা শব্দ আৰু বেছি অৰ্থবহ হৈ উঠিছে।

অভিনৱ বিন্দ্ৰা, চানিয়া মিৰ্জা, বিশ্বনাথন আনন্দ আৰু আন প্ৰতিভাশালী খেলুৱৈয়ে ২০০৮ চনত ভাৰতলৈ অনা সফলতা এইবোৰ ঘটনাৰ কলীয়া ডাৱৰে প্ৰায় ঢাকি দিছে। শেহত অথচ কম উল্লেখযোগ্য বুলি ক'ব নোৱৰা সফলতা হ'ল ভাৰতৰ চন্দ্ৰ অভিযান। আমি সকলো এইবোৰ সফলতা লৈ গৌৰৱান্বিত।

২০০৯ চনটো হওক ভাৰতত তৰুণৰ বছৰ যাতে উপমহাদেশৰ শান্তি আৰু সংহতিত ভাবুকিৰ সৃষ্টি কৰা আটাইবোৰ বিঘটনকাৰী শক্তি ধ্বংস কৰিবলৈ তেওঁলোকে গঢ়ি তুলিব পাৰে ইতিবাচক শক্তি। সেই লক্ষ্যত উপনীত নোহোৱালৈকে আমি ক্ষান্ত হ'ব নালাগিব।

*সম্পাদক: বিশ্বম*

Visit us at : http://www.chandamama.com

**Founded by**
**B. Nagi Reddi and Chakrapani**

***Editor, Publisher*** : B. Viswanatha Reddi (Viswam)
***Chief Executive Officer*** : L. Subramanyan
***Consultant Editor*** : K. Ramakrishnan
***Associate Editor*** : Sowmya Rajendran
***Senior Artists:*** K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh
***Artist*** : Jayapandian
***Assistant Editor*** : R. Sudha
***Creative Writer*** : R. Vaasugi
***Layout Designer*** : B.A. Hemalata Malini

***CIRCULATION TEAM :***
***Chennai*** : **T N Ravi Shankar, *National Sales Manager***
Mobile +91 99620 70014
email : ravishankar.tn@chandamama.com
**Fazal Khan, *Manager-Circulation & Institutional Sales - South***
Mobile +91 99625 67860
email : fazal.khan@chandamama.com
***Mumbai*** : **Rajendra K Jadhav, *Asst. Manager - Circulation***
Mobile +91 9320565048
**CHANDAMAMA INDIA LTD.**, B-3, Lunic Industry
Opp. State Bank of India, Near Police Station Cross Road
No.6, MIDC Andheri (East), Mumbai-400093
Phone +91 22 28312872 / 28311849
email : rajendra.jadhav@chandamama.com
***New Delhi*** : **Sushil Sharma, *Circulation Manager-North***
Mobile +91 98719 30767
**CHANDAMAMA INDIA LTD.**, Goyal Business Centre,
C-23/2 First floor, Connaught Place, New Delhi-110001
***Bangalore*** : **P. Murali, *Asst. Circulation Manager-Karnataka***
Mobile +91 94488 36952
**CHANDAMAMA INDIA LTD.**, 18, 10th Cross, Mayura Street
Papanna Lay Out, Outer Ring Road, RMV 2nd Stage
Bangalore-560094, Phone +91 80 6655 1000
email:murali.p@chandamama.com
***Kolkata*** : **Ananth Prakash, *Circulation Manager-East***
Mobile +91 98362 82202
email : ananth.prakash@chandamama.com
***Ahmedabad*** : **Kalpesh Raval, *Sales Officer-Circulation***
Mobile +91 98245 19946
email : kalpesh.raval@chandamama.com
***Content Head - Online*** : **Sowmya Bharadwaj**
email : sowmya.b@chandamama.com
***Head - Business Development*** : **Surajit Agarwal**
email : surajit@chandamama.com
***Advertisement*** : email : sales@chandamama.com
***Subscription Queries:*** L Govindasamy
e-mail : govindaswamy.l@chandamama.com
***Customer Cell*** : A B Sairam Mobile: +91 9841983774
e-mail : sairam.ab@chandamama.com
***Production Executive*** : Panchakshari R Math
***Head Office*** : **CHANDAMAMA INDIA LTD.,**
2/513 (Old 3/396), Sandeep Avenue East, 2nd Main Road,
Chinna Neelankarai, Chennai - 600 041
Phone +91 44 32402323
Email : chandamama@chandamama.com
Website : www.chandamama.com

**ANNUAL SUBSCRIPTION :**
Foreign : US$30 (including shipping and handling charges)

# পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

**শৈ**শৱৰেপৰা মই *চান্দমামাৰ* কাহিনীবোৰ পঢ়ি আহিছো। এই গল্পবোৰৰ ভাৰতীয়ত্ব আৰু নৈতিক শিক্ষাৰ কথা প্ৰশংসা কৰিবলৈ মই কেতিয়াও পাহৰা নাই। মই আশা কৰো সেই ভাৰতীয়ত্বৰ অনুভৱ আৰু নৈতিক শিক্ষা আমাৰ শিশু পাঠকসকলৰ বাবে খুবেই উপকাৰী।

***- কে মীনু ভূষণ, ফৰিদাবাদ***

**ই**মানবোৰ ভাৰতীয় ভাষাত ইমান এখন সুন্দৰ আলোচনী প্ৰকাশ কৰাৰ বাবে *চান্দমামাৰ* মালিক-পক্ষক মই ধন্যবাদ জনাইছো। আমাৰ ৰাজনীতিক-সকলে যেনেকৈয়ে পাৰে দেশখনক ভাগ কৰিবলৈ অহোপুৰুষাৰ্থ কৰা এই বিশৃংখল সময়ত ৰাষ্ট্ৰীয় সংহতি স্থাপনৰ পথত ই এটা নম্ৰ, নীৰৱ আৰু মহান প্ৰচেষ্টা।

***- ৰণজিৎ পুন, চণ্ডীগড়***

**মই** পঢ়া আলোচনীৰ ভিতৰত *চান্দমামা* অন্যতম শ্ৰেষ্ঠ আলোচনী। মই জানিব খোজো *চান্দমামাৰ* বিভিন্ন ভাষাৰ সংস্কৰণসমূহৰ মাজত কিবা পাৰ্থক্য আছে নেকি? সেইবোৰ যদি একেই হয়, তেন্তে পাঠকক ই আন ভাষা শিকাত সহায় কৰিব।

***- ৰবী মুটাগী, ধাৰৱাড়***

**নৱেম্বৰ**, ২০০৮ সংখ্যাত প্ৰকাশিত নিজৰ ভুল স্বীকাৰ কাহিনীটো বৰ ভাল হৈছে।

***- শ্ৰীহৰ্ষ কামাথ, মুম্বাই***

**মই** *চান্দামামাৰ* নিয়মীয়া পাঠক। আলোচনীখন পঢ়োতে মই গুচি যাওঁ কল্পনা আৰু সপোনৰ ৰাজ্যলৈ। ইতিহাস আৰু দুঃসাহসিক অভিযান ভিত্তিক কাহিনী-বোৰ খুবেই উপভোগ্য।

***- সব্যসাচী হাৰজা, মিদনাপুৰ***

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

# মায়াৰ পৰ্দা

জয়পুৰৰ শংকৰ শৰ্মা মহান পণ্ডিত আছিল। তেওঁ বেদসমূহ আৰু ধৰ্মশাস্ত্ৰসমূহ গভীৰভাৱে অধ্যয়ন কৰিছিল। যেতিয়াই মানুহে ইচ্ছা কৰে, তেতিয়াই তেওঁ মানুহক কবিতা শুনোৱাৰ তেওঁৰ এটা অদ্ভুত প্ৰতিভা আছিল। সৰস্বতীৰ তেওঁৰ ওপৰত অপাৰ কৃপা আছিল।

তেওঁৰ ওচৰলৈ যোৱা সকলো লোকৰ সমস্যা তেওঁ সহজেই সমাধান কৰিছিল আৰু কোনো কথাৰ ভাল বেয়া দুয়োটা দিশ তন্ন তন্নকৈ বুজাই দিছিল। পুৰোহিতৰ কাম কৰি তেওঁ নিজৰ জীৱিকা অৰ্জন কৰিছিল। সেই কাৰণে কেৱল তেওঁৰ গাঁৱৰেই নহয়, ওচৰে পাজৰে থকা গাঁওসমূহৰপৰা মানুহো তেওঁৰ দিহা পৰামৰ্শ বিচাৰি আহিছিল। তেওঁলোকে তেওঁৰ বৰ আদৰ শ্ৰদ্ধা কৰিছিল।

যিহেতু শংকৰ শৰ্মাৰ কেইবাটাও সন্তান আছিল সেয়েহে পৰিয়াল চলাবলৈ তেওঁ বহুত জটিলতাৰ মুখামুখি হৈছিল। কেতিয়াবা নিজৰ দুশ দুৰ্দশাৰ কথা ভাবি তেওঁ বৰ উদ্বিগ্ন হৈছিল। পাণ্ডিত্যত তেওঁৰ সমকক্ষ কোনো নাছিল ঠিকেই কিন্তু তেওঁ পৰিয়ালটো ভালকৈ চলাব পৰা নাছিল। তেওঁৰ ওপৰত সৰস্বতীৰ কৃপা আছিল যদিও লক্ষ্মীদেৱীয়েহে তেওঁৰ চকু মেলি চোৱা নাছিল। কেতিয়াবা কেতিয়াবা এই কথাটো লৈয়েই তেওঁ চিন্তাগ্ৰস্ত হৈছিল।

এদিন আবেলি তেওঁ ঘৰৰ চোতালত বহি এখন গ্ৰন্থ অধ্যয়ন কৰি আছিল। সেই সময়তে গাঁৱৰ কৃষক লক্ষ্মীপতি তালৈ আহিল আৰু ক'বলৈ ধৰিলে, "শৰ্মা, আমাৰ ঘৰৰ পুৰণি বেৰবোৰ ভাঙোতে তাৰ মাজৰপৰা এই বাকচটো পালো। মই হ'লো নিৰক্ষৰ। গতিকে এইখন আপুনিয়েই পঢ়ক।" এইবুলি কৈ তেওঁ এখন পুৰণা তালগ্ৰন্থ তেওঁৰ হাতত তুলি দিলে।

"ভালেই হ'ল, আপুনি যে গ্ৰন্থখন গংগাত পেলাই নিদিলে. মই এইখন পঢ়িম আৰু ইয়াত যি কথা লিখা আছে, সেইবোৰ মই আপোনাক জনাম।" এইবুলি কৈ শংকৰ শৰ্মাই হাঁহিমুখে গ্ৰন্থখন স্বীকাৰ কৰিলে।

জ্বালাশংকৰ



কিন্তু পূবৰ পৰ্বতবোৰলৈ তেওঁ অকলে যাবলৈ কিছুদিন থেৰোগেৰো কৰি থাকিল। তেওঁৰ ভয় লাগিল। তেওঁ এদিন গাঁৱৰে পালোৱানক মতাই আনিলে আৰু ক'লে, "পালোৱান, পূবৰ পৰ্বতবোৰৰ এটা বৰ মূল্যৱান বনৌষধি আছে। ইয়াৰদ্বাৰা সকলো ধৰণৰ ৰোগ নিৰাময় কৰিব পাৰি। মোৰ লগত যোৱা যদি, তোমাক যিমান ধন লাগে মই দিম। কিন্তু মনত ৰাখিবা, এই কথা যাতে গুপুত হৈ থাকে।"

ইমান এজন ডাঙৰ পণ্ডিতে তেওঁৰ লগত ওলাবলৈ কোৱাত পালোৱানে প্ৰস্তাৱটো সহজেই মানি ল'লে। আৰু লগতে পণ্ডিতে বহুত ধন দিয়াৰো প্ৰতিশ্ৰুতি দিলে।

পিছদিনা ৰাতিপুৱাই পালোৱানক লগত লৈ শংকৰ শৰ্মা পূবৰ পৰ্বতবোৰৰ ফালে ওলাল। লগতে খাদ্যৰ টোপোলাও ল'লে। তিনিদিনৰ যাত্ৰাৰ অন্তত তেওঁলোক পূবৰ পৰ্বতমালাৰ ওচৰ পালেগৈ। তাল গ্ৰন্থত লিখা ধৰণে নিৰ্দিষ্ট দিশত তেওঁ গৈ থাকিল। মাজবাটতে এটা ডাঙৰ টিলাৰ ওচৰত তেওঁ দুৰ্গাৰ এটা ডাঙৰ মূৰ্ত্তি দেখিলে।

শৰ্মাই মূৰ্ত্তিক হাতযোৰ কৰি নমস্কাৰ কৰিলে। মূৰ্ত্তিৰ পাছফালে থকা গুহাত দুয়ো ভৰি থ'লে। তৎক্ষণাৎ এটা গুৰু গম্ভীৰ মাত শুনা গ'ল, "তাত কোন আছে? এই গুহাত ভৰি ৰখাৰ এনে সাহস?" এই ভয়ংকৰ মাত শুনি শংকৰ শৰ্মা কঁপি উঠিল আৰু ঠাইতে থিয় দি থাকিল।

পিছ মুহূৰ্ত্ততে এটা ৰাক্ষসৰ বিকট অট্টহাস্য শুনিবলৈ পোৱা গ'ল আৰু তেওঁলোকে দেখিলে ৰাক্ষস আহি তেওঁলোকৰ সমুখত থিয়

পিছদিনা পুৱাই লক্ষ্মীপতিয়ে দিয়া গ্ৰন্থখন তেওঁ পঢ়িবলৈ ধৰিলে। তাত বহুত কথা আছিল যদিও, বিশেষভাৱে তেওঁ নৱদুৰ্গ নামৰ অধ্যায়টো মন দি পঢ়িছিল। তাত লিখা আছিল যে পূবৰ পৰ্বতবোৰৰ গুহাবোৰ গুপ্তনিধিৰে ভৰি আছে।

গুপ্তনিধিৰ কথা পঢ়িয়েই তেওঁৰ চকুদুটা ডাঙৰ হৈ আহিল। নিজৰ দৰিদ্ৰতা দূৰ হ'ব, এই কথা জানি তেওঁ উৎসাহিত হৈ উঠিল। তেওঁ ভাবিবলৈ ধৰিলে যে ভগৱানে তেওঁৰ প্ৰাৰ্থনা শুনিছে আৰু তেওঁক পথৰ সন্ধান দিছে।

শংকৰ শৰ্মাই কল্পনা কৰিবলৈ ধৰিলে যে এই নিধিত হাত পৰিলেই তেওঁৰ সকলো দুখ নোহোৱা হ'ব। তেওঁ ঠিক কৰিলে যে লক্ষ্মীপতিক এই বিষয়ে একো কথা নকয়। এই ৰহস্য, ৰহস্য হৈয়েই থাকিব।

হৈছেহি। ৰাক্ষসে পোনে পোনে সুধিলে, "নিধি লৈ যাবলৈ আহিছা নহয় জানো?"

"হয়, থৰহৰি কম্পমান শংকৰ শৰ্মাই ক'লে।

"তুমি এজন পণ্ডিত নহয় জানো?" ৰাক্ষসে সুধিলে।

"অঁ, কিন্তু তুমি জানিলা কেনেকৈ?" শৰ্মাই সুধিলে।

"তোমাক দেখিয়েই মোৰ এই ধাৰণা হ'ল। আগতে ময়ো তোমাৰ দৰে এজন ডাঙৰ পণ্ডিত আছিলো, সেয়েহে তৎক্ষণাৎ ধৰিব পাৰিলো।" ৰাক্ষসে ক'লে।

"তেন্তে তুমি এই ৰাক্ষস ৰূপ পালা কেনেকৈ?" পণ্ডিতে দুখমনেৰে সুধিলে।

"মোৰ দুৰাশাই এই ৰূপৰ কাৰণ। মই এজন পণ্ডিত। এজন দৰিদ্ৰ ব্ৰাহ্মণক এজন মুনিয়ে এখন তালগ্ৰন্থ দিছিল। মই সেই গ্ৰন্থখন চুৰি কৰিলো। তাতেই গুপ্তনিধিৰ ৰহস্যৰ কথা লিখা আছিল। কথাখিনি পঢ়ি কোনেও নজনাকৈ মই ইয়ালৈ আহিলো। এই নিধিৰ গৰাকী হ'ল এজন গন্ধৰ্ব। তেওঁ যেতিয়া গম পালে যে মই গোটেই নিধি লৈ যাব খুজিছো তেতিয়া তেওঁ মোক ৰাক্ষসৰ ৰূপ ল'বলৈ অভিশাপ দিলে। মই যেতিয়া তেওঁৰ ভৰিত পৰি শাপমুক্ত কৰিবলৈ অনুনয় বিনয় কৰিলো তেতিয়া সেই গন্ধৰ্বই ক'লে, "যদিহে কোনোবা মানুহ তোমাৰ দৰে দুৰাশাৰ বলি হৈ ইয়ালৈ আহে তেতিয়া তুমি ৰাক্ষস ৰূপৰপৰা মুক্তি পাবা। তেতিয়ালৈকে তুমি এই ৰূপতে থাকিব লাগিব। এইবুলি কৈ গন্ধৰ্ব অদৃশ্য হৈ হ'ল। তেতিয়াৰে পৰা মই ৰাক্ষসৰ ৰূপত ইয়াতে আছো। এই বিষয়ত তুমি মোক সহায় কৰিব পাৰানে?"

"মই যদি তোমাক সহায় নকৰো তেন্তে মোৰ সমগ্ৰ বিদ্যা অথলে যাব। যেতিয়ালৈকে

সুযোগ নাহে, তেতিয়ালৈকে সকলো মানুহ সাধাৰণ মানুহ হৈয়েই থাকিব খোজে। মই হ'লো সমগ্ৰ শাস্ত্ৰ শিকা মহান পণ্ডিত। তথাপি মই দৰিদ্ৰ। এজন মহান পণ্ডিত হৈয়ো মই আগ বাঢ়িব নোৱাৰিলো। দুৰাশাই মোৰ চকুৰ আগত এখন পৰ্দা মেলি ধৰিলে, তাৰ বাবে মই ভীষণ লজ্জিত।" এইবুলি কৈ শংকৰ শৰ্মাই তেওঁনো ইয়ালৈ আহিল কেনেকৈ সেই কথা সবিস্তাৰে ক'লে।

ৰাক্ষসে ক'লে, "ধৰি লৈছো, তুমি কোৱা কথাখিনি সঁচা। মই এই নিধি তোমাৰ হাতত গতাই দিম। ইয়াৰে আধাভাগ তুমি লক্ষ্মীপতিক দিবা। তোমাক সহায় কৰা এই পালোৱানক অলপ ধন দিবা। অৱশিষ্ট ধন সোণেৰে তুমি আৰামেৰে জীৱন কটাব পাৰিবা। নিজৰ দুৰাশা ত্যাগ কৰিব পাৰিলে, এই ৰাক্ষস ৰূপৰপৰা মুক্তি পাবা। প্ৰতিশ্ৰুতি পাহৰি যোৱা যদি তুৰি ৰৌ ৰৌ নৰকত পচিবা।" এইবুলি শৰ্মাক সাৱধান কৰি ৰাক্ষসে ৰত্নৰ টোপোলা তেওঁক প্ৰদান কৰিলে।

ৰত্নৰ টোপোলা লৈ স্বস্থানলৈ ঘূৰি গৈ শংকৰ শৰ্মাই লক্ষ্মীপতিক এই ৰহস্যৰ কথা ক'লে আৰু তেওঁক আধা ধন দিলে। অলপ ধন সেই পালোৱানকো দিলে। অৱশিষ্ট ধনখিনিৰে বিদ্যালয়, চিকিৎসালয় তথা অতিথিগৃহ নিৰ্মাণ কৰিলে। তেওঁ ফুটাকড়ি এটাও নিজৰ লগত নাৰাখিলে। সদায়ে কৰি অহাৰ দৰে পুৰোহিতৰ কাম চলাই তেওঁ পৰিয়ালটোক ভৰণ পোষণ দি থাকিল। এতিয়া উত্তম পণ্ডিত হিচাপেই নহয়, পৰম পৰোপকাৰী বুলিও তেওঁৰ খ্যাতি ৰৈ ৰৈ গ'ল।

মানুহে তেওঁক ভূৰি ভূৰি প্ৰশংসা কৰিলে। শংকৰ শৰ্মাই যেতিয়া এদিন তেওঁ স্থাপন কৰা এখন পাঠশালা পৰ্যবেক্ষণ কৰি আছিল, তেতিয়া তালৈ এজন অপৰিচিত ব্যক্তি আহি তেওঁৰ ভৰি চুই প্ৰণাম কৰিলে। মানুহজনে ক'বলৈ ধৰিলে, "মোক ৰাক্ষস ৰূপৰপৰা মুক্তি দিলে, সেয়েহে আপোনাৰ প্ৰতি মই কৃতজ্ঞ।"

মুহূৰ্তৰ ভিতৰতে শৰ্মাই গম পালে, এই মানুহজন আন কোনো নহয়। গুহাৰ সেই ৰাক্ষসজন। তেওঁ মানুহজনক ক'লে, "মোৰ চকুৰ আগত থকা মায়াৰ পৰ্দাখন তোমাৰ বাবেই আঁতৰি গ'ল, তাৰ বাবে ময়ো তোমাৰ ওচৰত কৃতজ্ঞ।" এইবুলি কৈ শৰ্মাই তেওঁক সাবটি ধৰিলে।

# ক্ৰিকেট আৰু সংবিধান

**ভা**ৰতৰ স্বাধীনতা সংগ্ৰামত ড.বি.আৰ আম্বেদকাৰৰ ভূমিকা আৰু অস্পৃশ্যতা দূৰীকৰণৰ বাবে তেওঁ কৰা কামৰ কথা মানুহৰ মুখে মুখে শুনিবলৈ পোৱা যায়। আৰু ই আজি কিংবদন্তিৰ ৰূপ লৈছে। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ দিনা ভাৰতে গণৰাজ্যৰ মৰ্যাদা লাভ কৰাৰ পিছত, অৰ্থাৎ সংবিধান সভাই যুগুত কৰি উলিওৱা সংবিধান যিদিনাৰ পৰা গৃহীত হ'ল, আমাৰ দেশে এটা কথাত গৰ্ব অনুভৱ কৰিব পাৰে যে আমাৰ সংবিধানৰ নিৰ্মাতা এনে এজন ব্যক্তি আছিল যি জন্মৰপৰা অন্যায়ৰ মুখামুখি হৈছিল কিন্তু তেওঁ শিৰ ওখ কৰি সেই গৌৰৱময় দিনটো দেখি গ'ল।

প্ৰতিজনে নেতাক অনুপ্ৰেৰণাৰ প্ৰয়োজন। আম্বেদকাৰৰ অনুপ্ৰেৰণা আছিল পলৱাংকাৰ বালু ধাৰৱাড়ৰ এজন অনুসূচীত জাতিৰ ক্ৰিকেট খেলুৱৈ। সমাজত অস্পৃশ্য বুলি পৰিগণিত হৈয়ো কুৰি শতিকাৰ আগাগত তেওঁ দেশৰ শ্ৰেষ্ঠ বাউলাৰ আছিল। ডেক্কান জিমখানা ক্লাবে তেওঁৰ অভাৱনীয় ক্ৰীড়া নৈপুণ্যৰ বাবেই তেওঁক সদস্য কৰি লৈছিল। লাহে লাহে, তেওঁৰ ভায়েক শিৱৰাম, গণপত আৰু বিথালেও বেলেগ বেলেগ দলৰ হৈ খেলিবলৈ ল'লে। এই ভ্ৰাতৃকেইজন সঁচাকৈয়ে ক্ৰিকেট বলৰ যাদুকৰ আছিল। আনকি কথা ইমানলৈ গৈছিল যে ভিথাল ১৯২৩ চনত তেওঁৰ দলৰ কেপ্তেইন হৈছিলগৈ আৰু এখন খেলত তেওঁ অভাৱনীয় ক্ৰীড়াশৈলীৰে দলক বিজয় প্ৰদান কৰাৰ পাছত দলৰ উচ্চ বৰ্ণৰ হিন্দু খেলুৱৈসকলে তেওঁক কান্ধত তুলি আনিছিল।

ইফালে আন এঠাইত, বালুৰ এই সাহসী পদক্ষেপে এটা স্ফুলিংগৰ সৃষ্টি কৰিছিল। আম্বেদকাৰে প্ৰায়েই "এই অস্পৃশ্য বাউলাৰজনৰ সুঠাম শৰীৰক লৈ গৰ্ব কৰিছিল।" যেতিয়া তেওঁ বম্বেত এজন প্ৰবক্তা হৈছিল, আম্বেদকাৰে বালুক সম্বৰ্দ্ধনা জনাবলৈ অনুষ্ঠানৰ আয়োজন কৰিছিল। বালুৰ সফলকাৰ কাহিনীয়ে তেওঁক ইমানেই মুগ্ধ কৰিছিল যে এই মানুহজনে সকলো বাধা নেওচি নিজৰ সপোন বাস্তৱত ৰূপ দিবলৈ আগবাঢ়ি আহিছিল।

এই জানুৱাৰীত গণৰাজ্য দিৱস পালন কৰাৰ সময়ত আমি এইসকল বীৰক পাহৰি গ'লে নচলিব। আমি পাহৰিলে নচলিব এতিয়াও আমাৰ সমাজত বহুতো ৰূপত অন্যায় চলি আছে। এজন মানুহে হাতত বল এটা লৈ যদি ৰাষ্ট্ৰৰ ভাগ্য সলনি কৰিব পাৰে, তেন্তে সেই বিপ্লৱৰ সেইজন মানুহতেই শেষ হোৱাৰ কি কাৰণ থাকিব পাৰে।

# BACK ISSUE BHANGRA!

LAST DATE 31ST MARCH 2009




## Unwind with Chandamama's Rewind!

Pick your favourite year from the new millennium [2001-2007] and place an order to read all 12 *Chandamama** issues that year!

*Offer valid for Chandamama English, regional languages, and Junior Chandamama for a minimum period of one year on a first come first served basis. Cost per year will be calculated on cover price + Rs.300/- [shipping and handling charges].

**Payment to be made by DD or at par cheque drawn in favour of Chandamama India Ltd. payable at Chennai. Kindly send your request with name, full postal address, contact details and specification of the Language and Year.

Address: **Chandamama India Ltd.**, New 2/513 (Old 3/396), Sandeep Avenue East, 2nd Main Road, Chinna Neelankarai, Chennai - 600 041. Phone : +91-44-32402323

For further queries mail arul.balamurugan@chandamama.com

***If stock is not available, payment will be refunded.



# পাতাল দুৰ্গ

## 4

*(ৰাতিৰ সময়ত কদম্বৰ ৰাজধানীলৈ এটা ভয়ংকৰ ৰাক্ষস আহিল। ৰাজকুমাৰী কান্তিসেনাক সি উঠাই লৈ যায়। প্ৰহৰীহঁতে তাৰ ওপৰত বাণ আৰু যাঠি নিক্ষেপ কৰিবলৈ ধৰে। ৰজা উগ্ৰসেনৰ নিৰ্দেশত কিছুমান অশ্বাৰোহী ৰাক্ষসক খেদি যায় আৰু কিছুমানে তাৰ ওপৰত অগ্নিবাণ এৰে। তাৰপিছত...)*

ৰাজপ্ৰাসাদত হোৱা চিএঞৰ বাখৰত গোটেই চহৰ সাৰ পাই উঠে। মানুহে ভাবিলে যে কোনোবা শত্ৰুৱে ৰাজপ্ৰাসাদত আক্ৰমণ চলাইছে। প্ৰজাৰ এটা অংশ নগৰৰ দ্বাৰ অভিমুখে পলাই যায়। ইয়াৰ মাজতে শত্ৰুৱে এৰা বাণ লক্ষ্যত নালাগি চহৰৰ ঘৰবোৰত পৰেগৈ আৰু যত য'ত সইবোৰ পৰেগৈ, তাত সক সুৰা জুই জ্বলি উঠিল। মানুহৰ মাজত হাহাকাৰ হয় আৰু নিজৰ নিজৰ ঘৰ ৰক্ষা কৰিবলৈ দৌৰ মাৰে।

ৰাজপ্ৰাসাদৰ ছাদৰ ওপৰত থিয় হৈ ৰজা উগ্ৰসেনে এই সকলো দৃশ্য দেখি আছিল। তেওঁ মন্ত্ৰীৰ ফালে মুখ ঘূৰাই সুধিলে, "মন্ত্ৰী, এয়াই হ'ল আমাৰ মানুহৰ ৰাজভক্তি। বিপদত সকলোৱে নিজৰ কথা চিন্তা কৰিছে। আমাক ৰক্ষা কৰিবলৈ কোনো আগবাঢ়ি অহা নাই। যদি শত্ৰু ৰজাই আমাক আক্ৰমণ কৰে তেন্তে এওঁলোকৰ এজনো দুৰ্গ ৰক্ষা কৰিবলৈ নাহিব।"

"মহাৰাজ! ৰাজ্য ৰক্ষা কৰিবলৈ বেতন দি পুহি ৰখা আমাৰ সৈনিক জানো নাই? এই

চান্দমামা



ভয়াতুৰ লোকসকলেনো কি কৰিব পাৰিব? সিহঁতক মতিবলৈ দিয়ক। আৰু তাতে তেওঁলোক হ'ল আপোনাৰ প্ৰজা। প্ৰজাক ৰক্ষা কৰাই ৰজাৰ ধৰ্ম। ৰাজ্য আৰু ৰাজ্যৰ প্ৰজাৰ সুৰক্ষাৰ দায়িত্ব বহন কৰে সেনাবাহিনীয়ে।" এইবুলি কৈ মন্ত্ৰীয়ে সেই সৈনিকহঁতৰ ফালে ৰজাৰ দৃষ্টি আকৰ্ষণ কৰিলে।

যিসকলে অগ্নি বাণ এৰি আছিল আৰু ক'লে, "যি বাণ আৰ যাঠি আমাৰ সৈনিক-সকলে ৰাক্ষসক লক্ষ্য কৰি নিক্ষেপ কৰিছে সেইবোৰে ৰাজকুমাৰীৰ ক্ষতি কৰিব পাৰে। এই বিষয়ে সৈনিকসকলক সাৱধান কৰি দিয়া উচিত।"

উগ্ৰসেনে ক'লে, "হয়, হয়..."। মূৰ জোকাৰি তেওঁ খৰখেদাকৈ ছাদৰপৰা তললৈ নামি আহিল। "মন্ত্ৰী, মই ঘূৰি নহালৈকে নগৰৰ সুৰক্ষাৰ দায়িত্ব তোমাৰ ওপৰত এৰিলো। শতমানুৱে যিকোনো কাম কৰিব পাৰে। তেওঁৰ ওচৰলৈ পঠিওৱা আমাৰ দূৰকেইজনৰ খবৰ কি?"

তেনেতে এজন সৈনিকে এটা ঘোঁৰা আনি খটখটীৰ ওচৰত থিয় কৰালে। উগ্ৰসেন তৎ-ক্ষণাৎ ঘোঁৰাটোৰ ওপৰত উঠিল। কেইজন-মান অশ্বাৰোহীৰ সৈতে, তেওঁ নগৰদ্বাৰ পাৰ হৈ, জংঘলৰ ফালে যাবলৈ ধৰিলে । কিছু দূৰলৈকে মন্ত্ৰীয়ে তেওঁৰ ফালে চাই থাকিল। তাৰপাছত দুৰ্গৰ প্ৰাচীৰ চূড়াৰ ফালে গৈ থাকোতে মন্ত্ৰীয়ে ভাবি গ'ল যে এই উগ্ৰসেনে বেছিদিন তেওঁৰ ৰাজ্য ৰাখিব নোৱাৰিব। তেওঁ যিকোনো বিষয়তে ন্যায় নীতিৰ কথা চিন্তা নকৰাকৈ সিদ্ধান্ত লয় আৰু সিদ্ধান্ত লোৱাৰ আগতে মোৰ সৈতে আলোচনা নকৰে। তেওঁ এতিয়া জংঘললৈ যোৱা আৰু জংঘলত জোৰ লৈ বাণ এৰাৰ আদেশ দিয়া। আমাৰ ওপৰত পৰিছেই। ৰজাৰ কুশাসনৰ বাবে প্ৰজাও আমাৰ লগত নাই।

কদম্ব নগৰৰ পূবৰ জংঘলত যিফালেই চোৱা যায়, তাতে জোৰ লৈ সৈনিক দেখা পোৱা গৈছিল। "ভোৰৰ পোহৰত ৰাক্ষসে সহজেই তেওঁক চিনি পাব পাৰে। এই অৱস্থাতনো ৰজাই ৰাক্ষসক বিচাৰি উলিয়াব কেনেকৈ?" এই কথা ভাবি মন্ত্ৰীয়ে এটা ফটাবলৈ ধৰিলে।

জংঘলত ধূমক আৰু সোমকেও তাকেই ভাবিলে। দুয়ো ৰজাৰ মূৰ্খতা দেখি হাঁহিলে। সৈনিক সিহঁতৰ ফালে অহাৰ লগে লগে দুয়ো ঘোঁৰাৰপৰা নামি গছৰ ওপৰলৈ উঠিল আৰু ঘোঁৰাকেইটা গছৰ পাছফালে লুকুৱাই বান্ধি থ'লে। কদম্ব ৰাজ্যৰ কেইজনমান সৈনিক সেই গছ দুজোপাৰ তললৈ আহি কথা

পাতিবলৈ ধৰিলে। সিহঁতৰ কথাৰপৰা ধূমক আৰু সোমকে গম পালে যে ৰাজকুমাৰীক অপহৰণ কৰি নিয়া হৈছে আৰু উদ্ৰসেন নিজেই ৰাজকুমাৰীক বিচাৰি জংঘলৈ আহিছে।

"সেই দুষ্টক মৰাৰ এইটোৱেই সোণালী সুযোগ," সোমকে ক'লে।

"খৰখেদা নকৰিবা সোমক। আমি যদি সৈনিকৰ পোছাকত থাকিলোহেঁতেন। তেন্তে আমাৰ পক্ষে এই কাম কৰা সহজ হ'লহেঁতেন। এতিয়া আমি যি কাপোৰ পিন্ধি আছো, যদিহে আমাক সেই অৱস্থাত সিহঁতে দেখা পায় তেন্তে আমি প্ৰাণ দিবলগীয়া হ'ব পাৰে। তেতিয়াতো সিহঁতৰ বাবে এই কথা প্ৰমাণ কৰিবলৈ আৰু সহজ হ'ব যে বাস্তৱিকতে আমি হত্যাকাৰী। আৰু নিশ্চিতভাৱে আমাক প্ৰাণদণ্ড দিয়া হ'ব। নভবা নিচিন্তাকৈ কাম কৰাটো মূৰ্খামি হ'ব।" ধূমকে ক'লে। কদম্ব ৰাজ্যৰ সৈনিকসকল গছৰ তলৰপৰা গ'লগৈ।

"সোমক, পোহৰ হোৱাৰ আগতেই আমি গছৰপৰা নামি, নিজৰ গাঁৱলৈ গুচি যোৱাই ভাল হ'ব। যেতিয়ালৈকে আমি নিজৰ পৰিয়ালক, এই ৰাজ্যৰ সীমাৰ বাহিৰলৈ নিব নোৱাৰো, তেতিয়ালৈকে আমি একো কৰিব নোৱাৰো।" ধূমকে ক'লে। সোমকে কোনো উত্তৰ নিদিলে। সি ধূমকৰ সৈতে একমত নাছিল। সি ভাবি আছিল যে জংঘলৈ অকলে অহা ৰজাৰ ওপৰত প্ৰতিশোধ লোৱাৰ ইয়াতকৈ ভাল সুযোগ আৰু পোৱা নাযাব।

সৈনিকসকলে ভাবিব ৰজাক ৰাক্ষসে মাৰিছে, আমাৰ বিপদ অহাৰ প্ৰশ্নই উঠিব নোৱাৰে। কিন্তু প্ৰাসাদত ৰজাৰ ওচৰলৈ

যোৱাটো অসম্ভৱ। তথাপি সি মনে মনে থাকিল। দুয়ো গছৰপৰা নামিবলৈ ধৰিলে। তেনেতে ওচৰৰে এজোপা ডাঙৰ গছৰ পিছৰপৰা ক'লা ভয়ংকৰ আকৃতি এটা ওলাই আহিল আৰু ওচৰৰে এটা গুহাৰ ফালে আগবাঢ়ি গ'ল। তাৰ কান্ধত এগৰাকী স্ত্ৰী অচেতন হৈ পৰি আছিল।

ধূমকে সোমকক কান্ধত তুলি ধৰি ৰ'বলৈ ক'লে। গুহাৰ ফালে গৈ থকা ভয়ংকৰ আকৃতিটো দেখুৱাই ক'লে, "সৌটো চোৰা ৰাক্ষস। তাৰ কান্ধতেই আছে ৰাজকুমাৰী। দেখিছানে, ৰাজকুমাৰীৰ হীৰা আৰু ৰত্নখচিত অলংকাৰ কেনেকৈ জিলিকিব লাগিছে।" এই দৃশ্য দেখি সোমক আচৰিত হ'ল, ৰাক্ষস সেই গুহাৰ ওচৰলৈ অহাৰ লগে লগে, ভিতৰৰ পৰা এটা গুৰু গম্ভীৰ স্বৰ শুনিবলৈ পোৱা গ'ল, "কোন? ঘূৰি যোৱা।"



"আৰে পাগল, ইমান জোৰকৈ চিঞৰিছা কিয়? মই শপত খাই থৈছো যে আজি ৰাতি কাকো ভক্ষণ নকৰো। পোনে পোনে গুহাৰ-পৰা বাহিৰ ওলাই আহা আৰু মনে মনে গুচি যোৱা।" ৰাক্ষসে ক'লে।

"তোমাক কোনোবা ৰাক্ষসে যেন লাগিছে। মই এজন মহবীৰৰ চিকিৎসা প্ৰদান কৰি চেতনা ঘূৰাই আনিছো। বেছি কথা নক'বা। চুপ চাপ ইয়াৰপৰা গুচি যোৱা।" গুহাৰ ভিতৰৰপৰা উত্তৰ আহিল।

এই উত্তৰ শনাৰ লগে লগে ৰাক্ষস ক্ৰোধান্বিত হৈ উঠিল। এখোজ আগলৈ দি ৰাক্ষসে গৰ্জি উঠিল, "হেৰা মনুষ্য! তুমি কি কৈছা? মই ৰাক্ষস। কুম্ভীৰ।"

"মই তান্ত্ৰিক। তান্ত্ৰিক কালশূন্বৰ।" গুহাৰ ভিতৰৰপৰা কোৱা শুনা গ'ল। তৎক্ষণাৎ শূন্বৰৰ চিকমিকাই থকা মন্ত্ৰদণ্ড সাপৰ দৰে ফুচফুচাই বাহিৰলৈ আহিল আৰু সেইডালে আহি কুম্ভীৰৰ মূৰত আঘাত কৰিলেহি।

মন্ত্ৰদণ্ডৰ আঘাতত কুম্ভীৰ তলত পৰি গ'ল। কিন্তু সি ৰাজকুমাৰী কান্তিসেনাক আঘাত পাবলৈ নিদিলে। ৰাজকুমাৰী এনেকৈ উঠিল, যেন তেওঁ টোপনিৰপৰাহে সাৰ পাইছে। তেওঁ চাৰিওফালে চালে। তেওঁ ওখ ঘাঁহৰ দলিচাত বাগৰি পৰি আছিল। ওচৰতে ৰাক্ষসে মূৰত হাত থৈ কেকাই আছিল। দাঁত কামুৰি আছিল। তাৰ মূৰত থকা দুটা শিঙৰ এটা মন্ত্ৰদণ্ডৰ আঘাতত ভাঙি গৈছিল। তাত হোৱা ঘাঁটু-কুৰাৰপৰা ধাৰাসাৰে তেজ বৈ আছিল।

ভয়ংকৰ ৰাক্ষসক সেই অৱস্থাত দেখি কান্তিসেনাৰ ভয় লাহে লাহে আঁতৰি গ'ল আৰু ৰাক্ষসৰ ওপৰত দয়া ওপজিল। ৰাজকুমাৰীয়ে ভাবিববলৈ ধৰিলে এই মহাবলী ৰাক্ষসৰ এনে অৱস্থা কেনেকৈ হ'বলৈ পালে, যি আমাৰ সম্পূৰ্ণ সেনাবাহিনী থকা অৱস্থাতো মোক ৰাজপ্ৰাসাদৰপৰা অকালেই অপহৰণ কৰি আনিছিল। এওঁতকৈয়ো শক্তিশালী বীৰ এই জংঘলত আছে নেকি? ৰাজকুমাৰী আচৰিত হ'ল। তাৰপাছত তেওঁ ভাবিলে সম্ভৱ তেওঁৰ পিতাক আৰু সৈনিক তেওঁক বিচাৰি জংঘললৈ আহিছে আৰু মোক উদ্ধাৰ কৰিবলৈ তেওঁ-লোকেই ৰাক্ষসক এনেকৈ আহত কৰিলে। ৰাজকুমাৰীয়ে উঠি লৈ ক'লে, "আৰে ৰাক্ষস, যদি মোক খাবই খুজিছিলা, তেন্তে মোক ইমান দূৰলৈ কিয় লৈ আহিলা? তোমাক কোনে আঘাত দিলে? মোৰ পিতাই নহয় জানো? তেওঁ এজন ডাঙৰ বীৰ, কিন্তু যি তেওঁৰ শৰণাপন্ন হয়, তেওঁৰ কোনো অপকাৰ নকৰে। মই তেওঁক বুজাই তোমাক ৰক্ষা কৰিম। কিন্তু ইয়াত

মই মোৰ না পিতাক দেখিছো না সৈনিকক দেখিছো।" এইবুলি কৈ ৰাজকুমাৰীয়ে ইফালে সিফালে চাবলৈ ধৰিলে।

ৰাজকুমাৰীৰ কথা শুনি, সেই প্ৰচণ্ড বিষতো ৰাক্ষসে নহঁহাকৈ থাকিব নোৱাৰিলে। ৰাজকুমাৰীৰ কথা শুনি ৰাক্ষসৰ তেওঁলৈ মৰমো লাগিল।

কুম্ভীৰ সেই ঠাইৰপৰা উঠিল আৰু ওচৰৰে এক জাৰণিৰ ওচৰলৈ গ'ল। পাত ছিঙি সেইবোৰ পিছি, নিজৰ ঘাত লগালে। অনাৰ তাৰপাছত কান্তিসেনাৰ ওচৰলৈ গ'ল। তেতিয়া কান্তিসেনাই গুহাৰ ফালে চাই আছিল। ভয়ত তেওঁ কঁপি উঠিছিল।" এই গুহাত কোনে কথা পাতি আছে? তাতো কোনোবা মহাৰাক্ষস আছে নেকি? তোমাৰ সেৱক নেকি? কোন তেওঁ?" কান্তিসেনাই সুধিলে।

কুম্ভীৰে গুহাৰ ফালে ক্ৰোধাভৰা দৃষ্টিৰে চাই ক'লে, "তাত মোৰ সেৱক নাই, শত্ৰুহে আছে। মোৰ মূৰত শত্ৰুৱেহে আঘাত কৰিছে। তেওঁ এজন তান্ত্ৰিক, বৰ বলৱান যেন ধাৰণা হয়। মই যদি তেওঁৰ পিছত লাগো তেন্তে মোৰ কাম বাধাগ্ৰস্ত হ'ব। সেয়েহে এতিয়া মই তেওঁক এৰি দিছো।"

"তুমি কি কামত আহিছা? মোক চোৰৰ দৰে উঠাই আনিলা কিয়? তুমিও আৰু বীৰ হ'লানে-ছিহ..." কান্তিসেনাই থিয় হৈ ক'লে।

কুম্ভীৰ এই কথা শুনি স্তব্ধ হৈ গ'ল। লাজত সি মোৰ তললৈ কৰিলে। চকু মেল খাই আহিল। কান্তিসেনাৰ সমুখত হাত মোহাৰি সি ক'লে, "কান্তিসেনা, মোক ইমান ঘৃণা নকৰিবা। মই স্বাধীন নহয়। মই এক অতি ক্ৰূৰ মহা শক্তিমান



ৰাক্ষসৰ ভৃত্যহে মাত্ৰ। সেই মহাপাপীয়েই তোমাক উঠাই আনিবলৈ মোক পঠিয়াইছিল। সেই কাম কৰিবলৈ মই যদি অস্বীকাৰ কৰিলোহেঁতেন তেন্তে মোতকৈ ক্ৰূৰ আৰু নিৰ্দয় ৰাক্ষলক সেই কামত পঠিওৱা হ'লহেঁতেন। তেওঁৰ আজ্ঞা অৱজ্ঞা কৰিব নোৱাৰি। কিন্তু মই তোমাক এদিন নহয় এদিন, তোমাৰ ঘৰত থৈ আহিমগৈ। লাগিলে এই কাম কৰোতে মোৰ প্ৰাণেই নাযাওক কিয়। তোমাৰ সৰলতা আৰু বিনয় দেখিয়েই মই এই সিদ্ধান্ত লৈছো। মই তোমাৰ একো অপকাৰ হ'বলৈ নিদিওঁ।"

"সেই কামনো তুমি এতিয়াই নকৰা কিয়?" কান্তিসেনাই সুধিলে। ৰাক্ষসৰ প্ৰতি তেওঁৰ দয়া ওপজিছিল।

"এনে কৰিলে আমাৰ দুয়োৰে বিপদ আহিব পাৰে। মোৰ মালিকে তোমাক লৈ যাবলৈ

কৈছে যেতিয়া, মই তোমাক লৈ যাবই লাগিব। তুমি ভয় নাখাবা। মই তোমাক তেওঁৰ কবলৰপৰা উদ্ধাৰ কৰিমেই আৰু এই সংসাৰত তুমি যাকেই বিয়া কৰাব খোজা, তেওঁকেই বিয়া কৰাবা।" কুম্ভীৰে ক'লে।

কান্তিসেনাই একো ক'ব নোৱাৰিলে। কুম্ভীৰৰ সৰলতাত ৰাজকুমাৰী পতিয়ন গ'লাঠিকেই কিন্তু সি কৈ কৈছে ৰাজকুমাৰীয়ে একো বুজি নাপালে। এতিয়া মই কি কৰা উচিত? পলাই যাবলৈ চেষ্টা কৰা বৃথা। ৰাক্ষসৰ চকুত ধূৰি দিয়াও অসম্ভৱ। সহায় বিচাৰি চিঞৰিলেও একো লাভ নহ'ব। কুম্ভীৰ খঙত আছে। তাৰ ডিঙি চেপিৰ পৰা যায়। তাৰ সৈতে মিঠা মিঠা কথা পাতিলেহে তেওঁৰ কাম হ'ব ৰাজকুমাৰীয়ে ভাবিলে।

ৰাজকুমাৰীৰ চিন্তাই অন ফালে গতি ল'লে। এই ৰাক্ষস এজন ভাল মানুহৰ দৰে। ইয়ালৈ ভয় কৰাৰ প্ৰয়োজন নাই। কিন্তু যাৰ বাবে ৰাক্ষসে মোক অপহৰণ কৰি আনিছে, নাজানো তেওঁ মোৰ কি অৱস্থা কৰিব, কান্তিসেনাই এই কথাবোৰ ভাবি থাকোতেই গুহাৰ সমুখত তেওঁ জোৰৰ পোহৰত এটা বিকৃত আকৃতি দেখা পালে। তেওঁৰ আছিল দীঘল দীঘল চুলি। মূৰৰপৰা ভৰিলৈকে তেওঁ বস্ত্ৰ পিন্ধি আছিল আৰু হাতত আছিল এক মন্ত্ৰদণ্ড।

"ৰাক্ষস অধম! তুমি এতিয়াও ইয়াতে থিয় হৈ আছা? ইয়াত কি চিঞৰ বাখৰ কৰিছা? তুমি নিজৰ লগতে কথা পাতি আছা নেকি? নে তোমাৰ কোনোবা বন্ধু তোমাৰ লগত আছে?" তান্ত্ৰিকে সুধিলে।

কান্তিসেনাক লুকুৱাই কুম্ভীৰ থিয় হ'ল। চকু ৰঙা কৰি দাঁত কৰচি সি ক'লে, "আৰে। মনুষ্য ক'ৰবাৰ। মই শপত খাইছো আজি ককো ভক্ষণ নকৰো। তথাপি এতিয়া মই তোমাক জীৱিত অৱস্থাত এৰি নিদিম।" গৰ্জন কৰি কুম্ভীৰ আগবাঢ়ি আহিল।

তান্ত্ৰিকে অট্টহাস্য কৰি মন্ত্ৰদণ্ড উঠাই লৈ ক'লে, "আৰে, ৰাক্ষস কীটৰ ইমান খঙ উঠিছে কিয়?" এইবুলি তেওঁ মন্ত্ৰদণ্ড মাৰিব খুজিছেহে।

এনেতে তেওঁৰ হাতত এডাল অগ্নিবাণে আহি আঘাত কৰিলেহি।

তেনেতে গছবোৰৰ পাছৰপৰা ইমান বেছি চিঞৰ বাখৰ হ'ল যে গোটেই জংঘল কঁপি উঠিল। তান্ত্ৰিকে নিজৰ হাতৰ জোৰ তললৈ পেলাই দিলে। তেওঁ গুহাৰ ভিতৰলৈ গ'ল। কুম্ভীৰ, ৰাজকুমাৰীক কান্ধত তুলি, আন এটা গুহালৈ পলাই গ'ল। তাৰ মাজতে বাণৰ বৰষুণ হ'বলৈ ধৰিলে। ***(আগলৈ)***

# শশীকালৰ সিদ্ধান্ত

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল, গছৰপৰা শটো নমাই কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশান অভিমুখে আগ বাঢ়িল। তেতিয়া শৱ ভিতৰত থকা বেতালে মাত লাগালে, "তুমি যে দৃঢ় চিত্তৰ অধিকাৰী তাত বিন্দুমাত্ৰও সন্দেহ নাই। কিন্তু মইতো নাজানো কি সিদ্ধান্ত লৈ তুমি ইমান পৰিশ্ৰম কৰিছা। কাৰণ কোনে, কেতিয়া, কি সিদ্ধান্ত লয় সেই কথা কোৱা টান। বিশেষকৈ উদ্বেগত ভোগা মানুহৰ সিদ্ধান্ত সদায়ে অসংবদ্ধ হয়। শশীকলা এনে এগৰাকী নাৰী যি উদ্বেগৰ বশৱৰ্ত্তী হৈ অসংবদ্ধ সিদ্ধান্ত লৈছিল আৰু এনে কৰি তেওঁ ডাঙৰ ভুল কৰিছিল। তোমাৰ যাত্ৰাৰ ভাগৰ দূৰ কৰিবলৈ এই কাহিনীটো মন দি শুনা।" এইবুলি বেতালে কাহিনীটো আৰম্ভ কৰিলে।

## বেতাল কাহিনী

জগন্নাথপুৰ মাণিক্যপুৰ ৰাজ্যৰ এখন গাঁও আছিল। জগন সেই গাঁৱৰে এটা ল'ৰা আছিল। লিখা পঢ়া কৰাৰ তাৰ তীব্ৰ ইচ্ছা আছিল। নতুন বিষয়ৰ প্ৰতি তাৰ আছিল পৰম জিজ্ঞাসা। কিন্তু তাৰ দেউতাক ৰংগদাসে নিজৰ পুতেকক পঢ়ুৱাব নোৱাৰিলে। কিয়নো দেউতাক আছিল পৰ্বতৰপৰা অনা পাথৰ ভাঙি ভৱন নিৰ্মাণত ব্যৱহৃত শিলগুটি উলিওৱাৰ কাম কৰা এজন সাধাৰণ শ্ৰমিক। জগনৰ মাক অসুস্থতাৰ বাবে সদায়ে শৰ্যাশায়ী হৈ আছিল। জগনে মাকৰ সেৱা কৰিছিল সেই ঠাইলৈ গৈছিল, য'ত তাৰ দেউতাকে কাম কৰিছিল। তালৈ গৈ সি দেউতাককো সহায় কৰিব লাগিছিল।

জগনে এদিন সিদ্ধান্ত কৰিলে যে যিকোনো পৰিস্থিতিতে যি পঢ়া শুনা কৰিহে এৰিব। কাকো একো নোকোৱাকৈ সি ঘৰৰ পৰা ওলাই আহিল। এসপ্তাহলৈকে অ'ত ত'ত সি ঘূৰি ফুৰিলে। অষ্টম দিনা সি বান্ধৰ পাৰৰ এজোপা গছৰ তলত বহি কিবা ভাবি থাকোতে হঠাতে "বচোৱা, বচোৱা" বুলি কাৰোবাৰ আৰ্তনাদ শুনিলে। জগনে ঘূৰি গৈ সেইফালে চালে। এটা ল'ৰা নৈৰ পানীত উটি গৈছে। জগনে পানীত জঁপিয়াই ল'ৰাটোক পাৰলৈ লৈ আহিল। যেতিয়া ল'ৰাটোৰ চেতনা আহিল তেতিয়া জগনে গম পালে যে ল'ৰাটোৰ নাম নৱনীত। তাৰ মাক দেউতাকে তাক পঢ়া শুনা কৰিবলৈ জোৰ দি ধৰিছিল আৰু গুৰুৱে ঠিকমতে পঢ়া শুনা নকৰাৰ বাবে তাক দণ্ড দি থাকোতে সি এদিন ঘৰৰপৰা পলাই আহিছিল।

পৰিচয় বিনিময় কৰাৰ পাছত দুয়োৰে মাজত এটা বন্ধুত্ব গঢ় লৈ উঠিল। দুয়ো একেলগে যি কাম পায় কৰিবলৈ ধৰিলে। ক্ৰমশঃ দুয়োৰে বন্ধুত্ব প্ৰগাঢ় হৈ আহিল।

ইমান অসুবিধাৰ মাজতো জগনে এজন গুৰুৰ আশ্ৰয় লাভ কৰি শিক্ষা গ্ৰহণ কৰিলে। তাৰ বন্ধুৱে বিভিন্ন কাম কৰি জগনক আৰ্থিকভাৱে সহায় কৰিছিল, যাৰ বাবে জগনে অনেক বিদ্যা আয়ত্ব কৰিলে। এদিন তেওঁ নৱনীতক ক'লে, "শৈশৱৰেপৰা মোৰ পৰকায় প্ৰবেশ বিদ্যা শিকাৰ তীব্ৰ ইচ্ছা আছে। কিন্তু ই সম্ভৱ নহ'ল। শুনিছো এই বিদ্যা কেৱল আদিমূল সিদ্ধইহে জানে। তেওঁ এতিয়া বিন্ধ্যাৰনত তপস্যা কৰি আছে। তেওঁক লগ ধৰিব লাগে, তুমিও মোৰ লগতে ওলাবানে?"

নৱনীতে মানি ল'লে। দুয়ো একেলগে তিনিদিনৰ যাত্ৰাৰ অন্তত সেই ঠাই পালেগৈ। সেইঁত আদিমূল সিদ্ধৰ কুটীৰৰ ওচৰ পালেগৈ।

ধ্যানমগ্ন সিদ্ধক দুয়ো সাষ্টাংগে প্ৰণিপাত কৰিলে। অলপ সময়ৰ পাছত তেওঁ চকু মেলি দুয়োকে আশীৰ্বাদ দিলে। তেওঁৰ আশীৰ্বাদ লাভ কৰি উঠি জগনে নিজৰ মনৰ ইচ্ছা প্ৰকট কৰিলে।

"ই অসম্ভৱ। তোমালোকে ঘূৰি যোৱা," সিদ্ধই কটু স্বৰত ক'লে।

সিদ্ধই ভাবিছিল এনে অদ্ভুত শক্তি যেতিয়া সাধাৰণ মানুহে লাভ কৰিব তেতিয়া তাৰ দুৰ্প্ৰয়োগ হ'ব। সেয়েহে তেওঁ আগতেই সিদ্ধান্ত কৰিছিল যে এই বিদ্যা তেও কাকো নিশিকাব, লাগিলে সেই বিদ্যা তেওঁৰ লগতেই অন্ত নহওক কিয়।

জগনে বিনয়েৰে ক'লে, "মহাত্মা, আপুনি নিশ্চয় ভাবিছে এই অদ্ভুত বিদ্যা কোনো অপাত্ৰৰ হাতলৈ নাযাওক। কিন্তু ইমানদূৰ বাটকুৰি বাই আহিলোঁৱেই যেতিয়া কেই-দিনমান অন্ততঃ আপোনাক সেৱা কৰি ইয়াতে থাকিবলৈ দিয়ক। আপুনি আমাক এই সৌভাগ্য দান কৰক।"

সিদ্ধ মৌন হৈ থাকিল। তাকে দেখি দুয়ো বন্ধুৱে ভাবিলে তেওঁৰ কোনো আপত্তি নাই। সেই মুহূৰ্ত্তৰেপৰা দুয়ো বন্ধুৱে ভক্তিভাবেৰে তেওঁৰ সেৱা কৰি থাকিল, কুটীৰ চাফ চিকুণ কৰি থাকিল। অৰণ্যৰপৰা কণ্ডমূল, ফল মূল আদি আনি থাকিল আৰু ৰন্ধনৰ কামো কৰি থাকিল। এইদৰে তিনিমাহ পাৰ হৈ গ'ল।

এদিন সূৰ্যোদয়ৰ সময়ত সিদ্ধ দুয়ো বন্ধুক তেওঁৰ ওচৰলৈ মাতিলে আৰু ক'লে, "মোৰ জীৱনযাত্ৰা চিৰদিনৰ বাবে সমাপ্ত হোৱাৰ সময় সমাগত হৈছে। পৰকায় বিদ্যা মোৰ




বাহিৰে আন কোনেও নাজানে। মোৰ লগতে এই বিদ্যা অন্ত হোৱাটো ন্যায় সংগত হ'ব বুলি মই নাভাবো। জগনক এই বিদ্যা শিকাবলৈ মই সিদ্ধান্ত কৰিছো। ইয়াৰ যাতে দুৰ্প্ৰয়োগ নহয়, তাক নিশ্চিত কৰাৰ দায়িত্বও মই তোমাক দিলো। বাকীখিনি ভগৱানৰ ইচ্ছা।" এইবুলি কৈ তেওঁ নৱনীতৰ ফালে চালে।

নৱনীত তাৰপৰা গুচি যোৱাৰ লগে লগে সিদ্ধই জগনৰ কাণত মন্ত্ৰৰ উপদেশ দিলে আৰু শেষ নিশ্বাস ত্যাগ কৰিলে।

দুয়ো বন্ধু যাবলৈ ওলাল। মাজবাটতে সিহঁতে পালে হস্তগিৰি নামৰ এখন নগৰ। সিহঁতে দেখিলে নগৰৰ প্ৰজাসকল বৰ দুখ মনেৰে আছে। সিহঁতে ৰাইজক তাৰ কাৰণ সুধিলে।

সুধাম নগৰপালক ৰাজভূষণৰ একমাত্ৰ পুত্ৰ আছিল। সি এদিন এটা ঘোঁৰাত উঠি তীব্ৰ-



গতিৰে গৈ আছিল, হঠাতে কিবা কাৰণত ঘোঁৰাটোৱে ভয় খালে। সুধাম পৰি গ'ল আৰু ঠাইতে মৰি থাকিল। পুত্ৰশোকত মাক দেউতাক অচেতন হৈ পৰিল।

এই কথাটো গম পাই নৱনীতে জগনক ক'লে, "তুমি পৰকায় প্ৰবেশৰ বিদ্যা কামত লগোৱা আৰু সুধামৰ শৰীৰত প্ৰবেশ কৰা।"

"তাৰদ্বাৰা এই সমস্যাৰ সমাধান হ'ব কেনেকৈ? কেতিয়াবা নহয় কেতিয়াবা এই শৰীৰটো এৰিবই লাগিব।" জগনে নিজৰ সন্দেহ প্ৰকাশ কৰিলে।

"দুৰ্ঘটনা যেতিয়া অকস্মাতে হয়, তেতিয়া দুখ সহ্য কৰিব নোৱাৰি। যেতিয়া তাৰ ওপৰত পুনৰ চিন্তা কৰা হ'ব, তেতিয়া দুখ পাতলি আহিব, সেয়ে সুধামৰ ভাল মাক দেউতাকক ৰক্ষা কৰাটো আমাৰ পৰম কৰ্তব্য," নৱনীতে ক'লে। জগনে একো নোকোৱাকৈ নিত্যবসন্ত বনৌষধি চোবাই মুখত গলাই পেলালে, যাতে তাৰ শৰীৰ নষ্ট নহয়। তাৰপাছত কাল ভৈৰৱৰ পিছ চোতালৰ গাঁতত শুই পৰিল আৰু পৰকায় প্ৰবেশৰ মন্ত্ৰ উচ্চাৰণ কৰি নিজৰ শৰীৰ ত্যাগ কৰি সুধামৰ শৰীৰত প্ৰবেশ কৰিলে। নৱনীতে জগনৰ শৰীৰ জাৱণিত লুকুৱাই থ'লে।

সুধামৰ শৰীৰটোৱে লৰচৰ কৰাত সকলো মানুহে খুব আনন্দ পালে। সুধামৰ মাক দেউতাকে যেতিয়া গম পালে যে তেওঁলোকৰ পুত্ৰ জীয়াই আছে তেতিয়া তেওঁলোকেও বৰ আনন্দ পালে।

কিন্তু, সুধামৰ শৰীৰত প্ৰবেশ কৰাৰ লগে লগে জগনৰ জীৱনলৈ ডাঙৰ পৰিৱৰ্তন আহিল। ইয়াৰ আগতে যি জগনে পেট ভৰাই খাবলৈ নাপাইছিল, এতিয়া সেই জগনেই অনেক সুস্বাদু খাদ্য পদাৰ্থ খাবলৈ ধৰিলে। লগতে তেওঁ এতিয়া দামী দামী কাপোৰ পিন্ধিবলৈ ধৰিলে, কোমল বিচনাত শুবলৈ পালে। আদেশ দিলেই বনকৰা ল'ৰা ছোৱালী হাজিৰ হয়হি। তাতোকৈ ডাঙৰ কথা আছিল, আগৰেপৰা সেই নগৰৰ আগশাৰীৰ এজন ব্যৱসায়ীৰ কন্যা শশীকলাৰ সৈতে তেওঁৰ বিয়া ঠিক হৈ আছিল।

এদিন আবেলি জগনে এক পূৰ্ব নিৰ্দ্ধাৰিত স্থানত নৱনীতক লগ পালে। তেতিয়া নৱনীতে ক'লে, "এতিয়া তুমি সুধামৰ শৰীৰপৰা বাহিৰ ওলাই আঁহা।"

"মই বিদ্যা শিকিলো, অনেক সুখ উপভোগ কৰি, পৰকায় প্ৰবেশৰদ্বাৰা অভাৱনীয় সুখৰ এই জীৱন এৰি মই আহোঁ কেনেকৈ?" এইবুলি কৈ সি বন্ধুৰ পৰামৰ্শ প্ৰত্যাখ্যান কৰিলে।

ক্ৰমশঃ জগন স্বাৰ্থপৰ হৈ উঠিল, তাৰ অহংকাৰ বাঢ়ি গ'ল আৰু সকলোৰে লগত বেয়া ব্যৱহাৰ কৰিবলৈ ধৰিলে। সুধামৰ দেউতাকে পুতেকৰ এই ব্যৱহাৰ শৈলী দেখি বৰ দুখ পালে, কিন্তু নিজৰ পুতেকক তেওঁ একো ক'ব নোৱাৰিলে।

শশীকলাৰ সৈতে বিবাহৰ বাবে আৰু মাত্ৰ তিনিদিন বাকী থাকিল। এদিন সুধাম ঘোঁৰা গাড়ীত উঠি নগৰৰ গলিয়েদি তীব্ৰবেগে গৈ আছিল। তেতিয়া ৰজাৰ এজন সম্পৰ্কীয় লোক গাড়ীৰ তলত পৰাত মৃত্যুৰ মুখত পৰিল। সেই সময়ত সি নিজেই গাড়ী চলাই আছিল।

সৈনিকে তাক ৰজাৰ ওচৰলৈ লৈ গ'ল। শুনানী লৈ ৰজাই তাক ফাঁচীকাঠত ওলমোৱাৰ আদেশ দিলে আৰু তাৰ দেউতাকক নগৰ-পালকৰ পদৰপৰা অব্যাহতি দিলে।

সুধাম হৈ জীয়াই থকা জগনে প্ৰথমতে ভয় খালে যদিও সি ভাবিলে যে সুধামৰ শৰীৰ ত্যাগ কৰাৰ এইটোৱেই ভাল সুযোগ। ফাঁচীকাঠত ওলমোৱাৰ আগে আগে সি মন্ত্ৰ পাঠ কৰিলে আৰু চুপচাপ সেই শৰীৰৰপৰা বাহিৰ ওলাই আহিল।

শশীকলাই এই শাস্তিৰ কথা শুনি বৰ দুখ পালে, কিয়নো তিনিদিন পাছতে তাৰ লগতে শশীকলাৰ বিয়া হ'ব লগা আছিল। তেওঁ প্ৰাণত্যাগ কৰিবলৈ ঠিক কৰিলে।

এই কথা গম পাই নৱনীতে শশীকলাক লগ ধৰি ক'লে, "তোমাৰ হ'বলগীয়া স্বামীৰ মৃত্যু হোৱা নাই। আচলতে তেওঁ সুধাম নহয়েই," এইবুলি নৱনীতে কথাখিনি সবিস্তাৰে ক'লে।

"এতিয়া মোৰ স্বামী আছে ক'ত?" শশীকলাই সুধিলে। "কিছু সময়ৰ আগতে মানে কালিহে মৰা প্ৰতিবেশী গাঁৱৰ বেপাৰীৰ পুত্ৰ শিৱদত্তৰ কপত," নৱনীতে ক'লে।

"সিদ্ধৰ আগৰেপৰা সন্দেহ হৈছিল যে এই অদ্ভুত শক্তিৰ দুৰ্প্ৰয়োগ হ'ব আৰু সেই সন্দেহ সঁচা প্ৰমাণিত হ'ল। তেন্তে আমাৰ সমুখত কি উপায় আছে?" শশীকলাই সুধিলে।

"আছে। জগনে যেতিয়া ইয়াৰ দুৰ্প্ৰয়োগ কৰিব তেতিয়া তেওঁক বাধা দিবলৈ সিদ্ধই মোকো এটা মন্ত্ৰ শিকাইছিল। তাৰদ্বাৰা এতিয়া শিৱদত্তৰ শৰীৰত যি জগন আছে, তেওঁৰ প্ৰাণ তেতিয়াই বাহিৰ উলিয়াই আনিব পাৰো আৰু তেওঁৰেই শৰীৰত প্ৰৱেশ কৰাব পাৰো যাক তুমি বিচৰা। এনে কৰিলে মন্ত্ৰৰ মহিমাও সমাপ্ত হৈ যাব। তুমি এতিয়া চিন্তা কৰি মোক কোৱা সুধাম,

জগন এওঁলোক দুজনৰ ভিতৰত কাক পুনঃজীৱন দিওঁ?" নৱনীতে সুধিলে।

"জগনৰ প্ৰাণ তেওঁৰ শৰীৰত থাকিবলৈ দিয়ক। তেওঁক স্বামী ৰূপে স্বীকাৰ কৰাত মোৰ কোনো আপত্তি নাই।"শশীকলাই ক'লে। নৱনীতৰ মন্ত্ৰ প্ৰয়োগৰ ফলত জগনৰ শৰীৰটো লৰচৰ কৰিবলৈ ধৰিলে। অলপ সময়ৰ পাছত তেওঁ উঠি বহিল আৰু চাৰিওফালে চাই জগনে ক'লে, "বন্ধু, তুমি বৰ ভাল কাম কৰিলা।" তাৰ-পাছত শশীকলাৰ হাতত ধৰি ক'লে, "মোক ক্ষমা কৰা।"

এই কাহিনী শুনাই বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "ৰাজন, শশীকলাই ধনৱান সুধামক এৰি জগনক স্বীকাৰ কৰিলে। এয়া তেওঁৰ বুদ্ধিহীনতাৰ পৰিচায়ক নহয়নে? তেওঁৰ বিয়া ঠিক হৈ আছিল সুধামৰ সৈতে, কিন্তু তেওঁ জগনক বিয়া কৰিবলৈ সিদ্ধান্ত কৰিলে। এয়া ধৰ্মসংগত কথা হ'লনে? এয়া তেওঁৰ অশান্ত চিত্ত আৰু খৰখেদাৰ দ্যোতক নহয়নে? মোৰ এইবোৰ সন্দেহৰ সমিধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।"

বিক্ৰমাদিত্যই ক'লে, "ধনিক আৰু দৰিদ্ৰৰ মাজত যি ব্যৱধান আছে, সি শ্বাশ্বত নহয়, যেতিয়াই তেতিয়াই যিকোনো ঘটনা ঘটিব পাৰে। ধনৱান দৰিদ্ৰ হ'ব পাৰে আৰু দৰিদ্ৰ ধনৱান। বিদ্যাৱান জগনৰ হাতত সম্পদ গোটোৱাৰ আৰু ৰাস্তাও আছে। এইটো তেওঁৰ বাবে কোনো টান কাম নহয়। গতিকে এই ক্ষেত্ৰত সেইটো সমস্যা হ'ব নোৱাৰে বা নহয়। শশীকলাৰ বিবাহৰ সিদ্ধান্ত হৈছিল সুধামৰ শৰীৰৰ সৈতে, সুধামৰ সৈতে নহয়, কাৰণ শৰীৰতকৈ ডাঙৰ কথা হ'ল প্ৰাণ। আৰু সেই প্ৰাণ জগনৰ। যেতিয়া তেওঁৰ প্ৰাণ আন কাৰোবাৰ শৰীৰত থাকে তেতিয়া পৰিস্থিতিৰ প্ৰভাৱত তেওঁৰ ব্যৱহাৰ বেয়া হৈ আহে, গতিকে আনৰ শৰীৰত থকালৈকে এনে ভুলৰ সম্ভৱনা থাকেই। এই সকলোবোৰ কথা ভবিহে শশীকলাই সিদ্ধান্ত ল'লে। এই সিদ্ধান্তক তেওঁৰ অবিবেচনা বা খৰখেদা বুলি কোনো পধোই ক'ব নোৱাৰি। আৰু ই ধৰ্মবিৰুদ্ধ সিদ্ধান্তও হ'ব নোৱাৰে।"

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ অদৃশ্য হৈ গ'ল আৰু পুনৰ সেই গছ-জোপাত ওলমি থাকিলগৈ।

***(ৰবিকান্তৰ ৰচনাৰ আলম লৈ)***

# বাতৰিৰ শিৰোনামাত শিশু

## জীৱন্ত দেৱী

নেপালত, সৰু ছোৱালীক বিশেষ ক্ষমতা প্ৰাপ্ত দেৱী বুলি উপাসনা কৰাৰ প্ৰথা আছে। হিন্দু বৌদ্ধ এই পৰম্পৰা দেশখনত আজিও বৰ্ত্তি আছে। এজন কৃষকৰ দুহিতা শ্ৰীয়া বজ্ৰচাৰ্যাক অলপতে নতুন দেৱী হিচাপে বাচনি কৰা হয়। তেওঁ ভক্তপুৰ নগৰ নিগম এলেকাৰ (কাঠমাণ্ডুৰ ওচৰৰ) কুমাৰী নামেৰে জনাজাত হ'ব। দেশখনৰ মাওবাদী চৰকাৰে ইয়াত অনুমোদন দিছে। শ্ৰীয়াৰ বয়স এতিয়া ছবছৰ আৰু তাইৰ ১২ বছৰ বয়স হ'লে নতুন এগৰাকী কুমাৰী বাচনি কৰা হ'ব।

কুমাৰী হ'বলৈ হ'লে ৩২টা কঠোৰ চৰ্ত্ত পূৰণ কৰিব পাৰিব লাগিব। তাইৰ সিংহৰ দৰে 'বক্ষ' আৰু হৰিণাৰ দৰে 'ভৰি' থাকিব লাগিব আৰু অলপতে বলি দিয়া এটা ম'হৰ লগত এটা কোঠাত নকন্দাকৈ থাকিব লাগিব।

অলপতে সম্পন্ন হোৱা এটা ধৰ্মীয় উৎসৱত শ্ৰীয়া বজ্ৰচাৰ্যাক প্ৰথমবাৰ ৰাজহুৱাকৈ দেখা পোৱা গৈছিল।

## সৰ্বকনিষ্ঠ ডাকটিকট সংগ্ৰহকাৰী

দেশৰ ইমূৰৰপৰা সিমূৰলৈ তেওঁলোকৰ চিঠিবোৰ পঠিয়াবলৈ সকলোৱে ডাকটিকট ব্যৱহাৰ কৰে, কিন্তু তেনেই কম সংখ্যকৰহে ডাকটিকট সংগ্ৰহ কৰিবলৈ আগ্ৰহ আছে। তাৰে এজন হ'ল মাশ্বহাম আদৰ্ছ। মাশ্বহামে ৩ বছৰ ৯ মাহ বয়সতে বিশ্বৰ সৰ্বকনিষ্ঠ ডাকটিকট সংগ্ৰহকাৰীৰ বঁটা লাভ কৰে। অলপতে হায়দৰাবাদত অনুষ্ঠিত নৱম অন্ধ্ৰপ্ৰদেশ ডাক চক্ৰ ডাকটিকট সংগ্ৰহ প্ৰদৰ্শনীত তেওঁ নিজৰ সংগ্ৰহ প্ৰদৰ্শিত কৰে। তেওঁ এটা ৰূপৰ পদকো জয় কৰে আৰু দিল্লীত ৰাষ্ট্ৰীয় ডাকটিকট প্ৰদৰ্শনীত ভাগ লোৱাৰ সুযোগ লাভ কৰে।

এই কণমানি ল'ৰাটোৱে মানচিত্ৰত প্ৰায় মণিবই নোৱৰা টংগা, কুক আইলেণ্ড, পিটকেইৰ্ণ আইলেণ্ড, ফিজি, কিৰিবাটি, খ্ৰীষ্টমাচ আইলেণ্ড, মৰিছাছ, আৰু আইচলেণ্ড আদি সৰু সৰু দ্বীপো চিনাক্ত কৰিব পাৰে।

চিৰিয়াখানাত তেওঁ জন্তুবোৰৰ সম্পৰ্ক বিচাৰি পায় ডাকটিকটৰ সৈতে, যেনে, বনৰীয়া ম'হ জলহস্তী আৰু গৰুড়ৰ সম্পৰ্ক আছে বুৰুণ্ডীৰ ডাকটিকটৰ সৈতে।

# ধ্ৰুৱ

যেতিয়া আমি দুৰ্বল হওঁ তেতিয়া দুষ্ট স্বভাৱৰ লোকে আমাৰ সেই দুৰ্বল অৱস্থাৰ সুযোগ লৈ আমাক নগুৰ নাগতি কৰে আৰু অপমান কৰে। সেইটোৱেই স্বাভাৱিক কথা। এনে পৰিস্থিতিত দুখী হোৱা অনুচিত। আমি আমাৰ সহনশক্তি যিমান পৰা যায় বঢ়াব লাগে। তেনে কৰিব পাৰিলেই আমি ধৈৰ্যৰে অপমানৰ মুখামুখি হ'ব পাৰো আৰু বিজয় লাভ কৰিব পাৰো। আমাৰ যিমানবোৰ ভালগুণ আছে, সেই অনুপাতে শক্তি সামৰ্থৰ বিকাশ ঘটাব লাগে। ইয়াৰদ্বাৰা বিজয়ৰ ৰাজমাৰ্গত আমিও শিৰ ওখ কৰি আগবাঢ়িব পাৰো। এই জীৱন সত্যকে প্ৰমাণ কৰি দেখুৱালে মণিদীপ ধ্ৰুৱই।

উত্তানপাদৰ প্ৰথম পত্নী সুনীতিৰ সন্তান আছিল ধ্ৰুৱ। সুৰুচি ৰজাৰ দ্বিতীয় পত্নী আছিল। ৰজাই সুৰুচিক বহি প্ৰেম কৰিছিল। উত্তম আছিল সুৰুচিৰ একমাত্ৰ পুত্ৰ।

এদিন উত্তানপাদে সুৰুচিৰ পুত্ৰ উত্তমক নিজৰ কোলাত বহুৱাই মৰম কৰি আছিল। তেতিয়াই ধ্ৰুৱ তালৈ আহিল। পিতাকৰ কোলাত বহিবলৈ ধ্ৰুৱৰো খুব মন গৈছিল। সেই সময়তে তালৈ অহা সুৰুচিয়ে ধ্ৰুৱৰ প্ৰচেষ্টাত বাধা দি ক'লে, "পিতাৰৰ কোলাত বহাৰ অধিকাৰ তোমাৰ নাই। সেই অধিকাৰ কেৱল মোৰ পুত্ৰৰহে আছে। যদি তোমাৰ পিতাৰ কোলাত বহাৰ ইমানেই ইচ্ছা হৈছে তেন্তে তুমি মোৰ গৰ্ভত জন্ম ল'ব লাগিছিল।" এইবুলি কৈ ধ্ৰুৱক তেওঁ তাৰপৰা আঁতৰাই পঠিয়ালে। এনে অৱস্থাত ৰজা উত্তানপাদে তেওঁৰ পত্নী সুৰুচিক গালি পাৰিব লাগিছিল, কিন্তু ৰজাই তেনেকুৱা একো কাম নকৰিলে, বৰঞ্চ তেওঁ ৰাণীৰ কথাত সন্মতিৰহে মূৰ দুপিয়ালে।

ধ্ৰুৱ ক্ৰোধান্বিত হ'ল। দুখ আৰু ৰোষত সি জৰ্জৰিত হ'ল। সি তাৰপৰা বেগাই মাকৰ ওচৰলৈ গ'ল আৰু যি ঘটিল তাক সবিস্তাৰে

পৌৰাণিক যুৱ নায়ক-৮

ক'লে। তাৰপাছত ধ্ৰুৱই কান্দিবলৈ ধৰিলে। কিন্তু মাকহে মৌন হৈ থাকিল। তেওঁ সুৰুচিৰ দৰে ৰজাৰপৰা প্ৰেম লাভ কৰাত ব্যৰ্থ হৈছিল। সেই অৱস্থাতনো তেওঁনো বাৰু কৰে কি? নিজৰ অসহায় অৱস্থাত দুখ প্ৰকাশ কৰি তেওঁ ক'লে, ''নাকান্দিবা মোৰ বাচা। মোৰ গৰ্ভৰপৰা তুমি যিহেতু জন্ম লৈছা, গতিকে বহুত লোকৰ সমুখতে তোমাক অপমান কৰা হ'ল। ভগৱানৰ বাহিৰে তোমাক আৰু সহায় কৰোতা কোনো নাই।'' মাকৰ কথা শুনি ধ্ৰুৱই ধৈৰ্য ধৰিব পাৰিলে আৰু তেওঁ ক'লে, ''মাতৃ, মই তপস্যা কৰিবলৈ যাওঁ। মোক আশীৰ্বাদ দিয়ক।''

''তপস্যা কৰি তুমি সুৰুচিৰ গৰ্ভত জন্ম লোৱাৰ বৰ মাগিবলৈ যোৱা, নহয় জানো?'' মাকে সুধিলে।

''মাতৃ, মই আপোনাৰ পুত্ৰ। মই কাৰোবাৰ গৰ্ভত জন্ম লোৱাৰ বৰ মাগিম কিয়? নিজক লঘু কৰাটো আত্মহত্যাৰ সমতুল্য। মই ভগৱানৰপৰা এই বৰ মাগিম যে সকলো দিশতে এই কথাই প্ৰতিধ্বনিত হওক যে ধ্ৰুৱৰ মাক কিমান ভাগ্যশালী।'' এইবুলি কৈ ধ্ৰুৱ জংঘল অভিমুখে আগবাঢ়িল।

অলপ দূৰ যোৱাৰ পাছত ধ্ৰুৱৰ সমুখত আহি ওলালহি নাৰদ। পাঁচ বছৰীয়া ধ্ৰুৱৰ মুখত তপস্যা কৰিবলৈ যোৱা কথা শুনি দেৱৰ্ষি আচৰিত হ'ল। ধ্ৰুৱৰ মনোবল পৰীক্ষা কৰিবলৈ নাৰদে ধ্ৰুৱক ক'লে, ''মধুবনলৈ যোৱা। ঔম নাৰায়ণম নমঃ অষ্টাক্ষৰী, ভক্তিৰে জপ কৰি তপস্যা কৰিবা। তুমি সফল হ'বা।''

ধ্ৰুৱই মাজবাটতে সাতজন ঋষিক দৰ্শন কৰিলে। তেওঁলোকৰ আশীৰ্বাদ লৈ মধুবনলৈ গৈ তপস্যাত নিমগ্ন হ'ল।

ধ্ৰুৱৰ এই ঘোৰ তপস্যা দেখি ইন্দ্ৰই বৰ ভয়



খালে। তেওঁ ভাবিলে ইয়াৰ ফলত তেওঁৰ সিংহাসনলৈ বিপদ আহিব। ধ্ৰুৱৰ তপস্যা ভংগ কৰিবলৈ তেওঁ বজ্ৰায়ুধৰ ঝংকাৰেৰে মেঘৰ ভয়ংকৰ গৰ্জন কৰোৱালে আৰু বিভিন্ন ধৰণে ভয় খুৱাবলৈ চেষ্টা কৰিলে। কিন্তু বিষ্ণু চক্ৰই ধ্ৰুৱৰ মূৰৰ ওপৰত ঘূৰি ফুৰি ধ্ৰৱক ৰক্ষা কৰি থাকিল। ইন্দ্ৰৰ সকলো প্ৰচেষ্টা বিফল হ'ল।

ধ্ৰুৱৰ তপস্যাত সন্তুষ্ট হৈ বিষ্ণু প্ৰত্যক্ষ হ'ল আৰু ধ্ৰুৱক সুধিলে, "কোৱা, তুমি মোৰপৰা কি বৰ বিচাৰিছা?"

ধ্ৰুৱই ভগৱানৰ ওপৰত নিজৰ দৃষ্টি কেন্দ্ৰীভূত কৰি ক'লে, "য়িদৰে ভোমোৰাই অনবৰতে পদুমৰ পাপৰিত বহি থাকিব খোজে, সেই দৰে স্বৰ্গীয় আভাৰে উদ্ভাসিত তোমাৰ পদুমৰ দৰে মুখখন যেন সদায় চাই থাকিব পাৰো। মোক আৰু একো নালাগে।"

বিষ্ণুৱে সন্তুষ্ট হৈ ক'লে, "প্ৰথমতে তুমি তোমাৰ ৰাজ্যলৈ ঘূৰি যোৱা। ধৰ্মপূৰ্ণ শাসন চলাই নিজৰ কৰ্ত্তব্য পালন কৰা। জীৱনৰ সুখ অনুভৱ কৰাৰ পাছত মোৰ বিৰাট ৰূপ ব্ৰহ্মাণ্ডৰ শীৰ্ষ ভাগত থকা ধ্ৰুৱপদলৈ যোৱা। যুগৰ পাছত যুগ পাৰ হৈ যাব, তথাপি অচল, অচঞ্চল পদৰ শোভা বৰ্দ্ধন কৰি তুমি মোক চাই চাই এটা প্ৰকাশপূৰ্ণ ৰূপ পৰিগ্ৰহিত কৰি থাকিবা।" ভগৱানে এই বৰকে ধ্ৰুৱক প্ৰদান কৰিলে। ৰাজ্যলৈ ঘূৰি যোৱাৰ পাছত কেইদিনমানৰ ভিতৰতে তেওঁৰ পিতা উত্তানপাদে শাসন ভাৰ ধ্ৰুৱক গতাই দিলে আৰু নিজে তপস্যা কৰিবলৈ গুচি গ'ল।

পিতাকৰ আজ্ঞা অনুসাৰে ধ্ৰুৱই প্ৰজাসকলক নিজৰ সন্তানৰ দৰে জ্ঞান কৰি শাসন চলাই গ'ল।

ধ্ৰুৱৰ ভায়েক উত্তম এবাৰ চিকাৰ কৰিবলৈ অৰণ্যলৈ গৈছিল, তাতে দুষ্ট স্বভাৱৰ যক্ত যক্ষই তেওঁক আক্ৰমণ কৰি বধ কৰিলে।

সুৰুচিয়ে পুত্ৰ শোকত বলিয়াৰ দৰে হৈ তালৈ গ'ল আৰু অৰণ্যত অনাই বনাই ঘূৰি শেষত অগ্নিত আত্মাহূতি দিলে।

যক্ষসকলক নিৰ্মূল কৰিবলৈ ধ্ৰুৱই অলকান-গৰ ঘেৰি ল'লে। যক্ষসকলে ক্ষুদ্ৰ মায়াজালৰ সৃষ্টি কৰিলে। কিন্তু ধ্ৰুৱই নাৰায়ণ অস্ত্ৰৰে সেই মায়াজাল আঁতৰাবলৈ ধৰিলে আৰু তেতিয়া যক্ষসকলৰ নেতা কুবেৰ ধ্ৰুৱৰ শৰণাপন্ন হ'ল আৰু ধ্ৰুৱক অনেক সম্পদ প্ৰদান কৰি সন্তুষ্ট কৰিলে।

ধ্ৰুৱই ন্যায়পূৰ্ণ শাসন চলালে আৰু মনুবংশৰ কীৰ্ত্তি যুগমীয়া কৰিলে। বংশবৃদ্ধি কৰিবলৈ ধ্ৰুৱই গুণৱান পুত্ৰও জন্ম দিলে।

দীৰ্ঘকাল ধৰি শাসন কৰাৰ পাছত তেওঁ নিজৰ জ্যেষ্ঠ পুত্ৰক সিংহাসনত বহোৱালে আৰু বদ্ৰীবনলৈ গ'ল। তাতে বিষ্ণুক নিৰন্তৰ ধ্যান কৰি সুৱৰ্ণ শৰীৰ লাভ কৰিলে।

বিষ্ণুৰ সেৱকসকলে বায়ুযান লৈ আহিল। ধ্ৰুৱই তেওঁলোকক ক'লে, "মোৰ মাক অকলে এৰি মইনো এই উত্তম পদ লাভ কৰিবলৈ যাওঁ কেনেকৈ?"

তেতিয়া সেৱকসকলে ধ্ৰুৱক এক দিব্য বিমানত উঠি ধ্ৰুৱ মণ্ডললৈ গৈ থকা মাতৃ সুনীতিক দেখুৱাই দিলে। ইয়াতে সন্তুষ্ট হৈ ধ্ৰুৱই বিষ্ণুৰ সেৱকসকলে অনা বায়ুযানত বহি ল'লে আৰু ধ্ৰুৱপদ গৈ পালেগৈ। সেই তেতিয়াৰেপৰা বিশ্ব শিখৰাগ্ৰত ধ্ৰুৱ দিশৰো দিশৰ আৰু অচল নক্ষত্ৰ হৈ প্ৰকাশমান হ'বলৈ ধৰিলে।

লক্ষ্য প্ৰাপ্তিৰ বাবে সবাতোকৈ প্ৰয়োজনীয় কথা হ'ল প্ৰচেষ্টা। সমস্ত গোলক অন্ধকাৰময় হ'লেও সি এটি সৰু প্ৰদীপৰ জ্যোতিক বাধা দিব নোৱাৰে, সেই পোহৰৰ অৱৰোধ কৰিব নোৱাৰে।

এটি ক্ষুদ্ৰ দীপেও পোহৰ দিয়ে। আশাৰ প্ৰদীপে আগবঢ়াই নিয়ে জীৱন, ধৈৰ্য আৰু নিষ্ঠাই জীৱনক প্ৰদান কৰে পৰিপূৰ্ণতা। ধীৰ স্থিৰ ধ্ৰুৱৰ জীৱনেই তাৰ প্ৰমাণ।

দৃঢ় সংকল্প, দীক্ষা, দক্ষতা থাকিলে সৰু ডাঙৰ সকলোৱে যিকোনো লক্ষ্যত উপনীত হোৱাত সফল হ'ব পাৰে।

এই অদ্ভুত সত্যকে ঘোষণা কৰিলে পৌৰাণিক বীৰকুমাৰ ধ্ৰুৱই যি দিব্য প্ৰকাশেৰে পূৰ্ণ নক্ষত্ৰৰূপে আজিও জগতক আলোকিত কৰি ৰাখিছে।



## এক আদৰণি আৰু এক বিদায় সম্ভাষণ

বম্বেৰ (এতিয়াৰ মুম্বাই) সবাতোকৈ বিখ্যাত বিশিষ্ট চিহ্ন গেটৱে অব ইণ্ডিয়াক এক অভ্যৰ্থনা আৰু বিদায় সম্ভাষণৰ বাবে স্মৰণ কৰা হয় আৰু এই দুয়োটোৰে সম্পৰ্ক আছে ব্ৰিটিছ ভাৰতত থকা সময়ৰ সৈতে। ১৯১১ চনত, ৰজা পঞ্চম জৰ্জ আৰু ৰাণী মেৰী এখন জাহাজেৰে বম্বেত উপনীত হৈছিল আৰু এই দুই গণ্যমান্য ব্যক্তিক চকুতলগা আদৰণি জনাবলৈ গেটৱে নিৰ্মাণ কৰা হৈছিল। ইয়াৰ সাতত্ৰিছ বছৰ পাছত, এই গেটৱে সাক্ষী আছিল এক বিদায় সম্ভাষণৰ। ১৯৪৮ চনৰ ২৮ ফেব্ৰুৱাৰীত এই গেটৱেইদি ওলাই গৈ ভাৰতত থকা অন্তিম ব্ৰিটিছ সেনাবাহিনী চমাৰচেট লাইট ইনফেন্ট্ৰি ইংলণ্ডমুখী এখন জাহাজত উঠিছিলগৈ।

## সূৰ্য দেৱতাৰ বাবে মন্দিৰ

তামিলনাডুৰ কুম্বাক'নামৰ ওচৰত থকা সূৰ্যনাৰকইল দক্ষিণ ভাৰতৰ একমাত্ৰ মন্দিৰ য'ত সূৰ্য হ'ল মূল উপাস্য দেৱতা। সূৰ্যনাৰকইল কুলটুংগা চোলাই (১০৭৫-১১২০) নিৰ্মাণ কৰিছিল বুলি বিশ্বাস কৰা হয়। সেই সময়ৰ শিলালিপিত মন্দিৰটোৰ নাম আছিল কুল'টুংগা চোলা মাৰ্তণ্ড আলায়াম (মাৰ্তণ্ড সূৰ্যৰ আন এটা নাম)। কেন্দ্ৰৰ মন্দিৰটোত আছে সাতটা ঘোঁৰাই টনা ৰথত উঠি থকা সূৰ্য-নাৰায়ণ। অনুমান কৰিব পাৰি যে চোলা ৰজাৰ কনৌজৰ-পৰা শাসন কৰা গাহড়ৱাল বংশৰ ৰজাসকলৰ লগত সৌহাৰ্দপূৰ্ণ সম্পৰ্ক আছিল। সূৰ্য দেৱতাৰ উপাসক এই ৰজাসকলৰপৰাই চোলা ৰজাই মন্দিৰটো সূৰ্য দেৱতাৰ নামত উৎসৰ্গা কৰিবলৈ অনুপ্ৰাণিত হৈছিল। ইয়াত আছে প্ৰায় ১৬ মিটাৰ ওখ এটা তিনি মহলীয়া স্তম্ভ।


Amazing
Big
Chandamama
Dhamaka
Rs.25/- only
Chandamama Gives You
More!
This January 2009, Chandamama issue + CD contains:
72 pages of VIBGYOR- all yours!
12 archival issues of Chandamama English
Story of Krishna Part - 3 with fabulous illustrations
Audio Stories
All for Rs 500/- Rs. 25/- only!
Watch out for More! in the Febuary Issue.



# ৰাজপ্ৰতীকৰ শক্তি

**স**ম্ৰাট আকবৰৰ সভাসদসকলৰ ভিতৰত বীৰবলে এখন সুকীয়া সন্মানৰ ঠাই দখল কৰিছিল। এদিন বীৰবলে আকবৰক কিছুমান কাহিনী কৈ আমোদ দি আছিল।

"বীৰবল, তোমাৰ এই হাস্যৰস আৰু প্ৰজ্ঞাই তোমাৰ শক্তিৰ কাৰণ," সম্ৰাটে ক'লে।

"তাতেই আমাৰ দুয়োৰে মাজত পাৰ্থক্য লুকাই আছে শ্বাহেনশ্বাহ। আপুনি এজন সম্ৰাটৰ পুত্ৰ। আপোনাৰ পিতৃৰ মৃত্যুত আপুনি সম্ৰাট হ'ল। নিজৰ চেষ্টাৰদ্বাৰা আপুনি এই শক্তি লাভ কৰা নাই। কিন্তু মোৰ শক্তি মোৰ ভিতৰতেই আছে।" বীৰবলে বুজাই দিলে।

"কি ক'লা?' আকবৰে গৰ্জন কৰি উঠিল।

"কোনেও মোৰ মগজুটো কাঢ়ি নিব নোৱাৰে। কিন্তু সিংহাসন, ৰাজমোহৰ আৰু



ৰাজপ্ৰতীক এইবোৰে গোটেই পৃথিৱীক ক্ষমতাৰ কথা জনাই থাকে যদিও সিংহাসন যোৱাৰ লগে লগে এই সকলোবোৰ যায়।"

"তোমাৰ কথাখিনিত যুক্তি আছে বুলি প্ৰমাণ কৰা। অন্যথা মৃত্যুৰ বাবে সাজু হোৱা।" দীঘলকৈ উশাহ লৈ সম্ৰাটে ক'লে।

বীৰবলে বিনয়েৰে মূৰ দোঁৱালে আৰু এটা মিচিকিয়া হাঁহি মাৰিলে।

সেই নিশা, বিভিন্ন উপায়ৰ কথা চিন্তা কৰি তেওঁ বহুত সময় বিচনাত সাৰ পাই থাকিল। শেষত তেওঁ নিজকে নিজে কৈ উঠিল, "এইটোৱে কাম দিব।"

পিছদিনা বীৰবল ৰাজসভাত উপস্থিত হ'ল নিয়মমতে। সম্ৰাটক বীৰবলৰ লগত কথা পাতোতে বা বীৰবলৰ মন্তব্য শুনাৰ সময়ত বেছ সহজ যেন লাগিল। তথাপি বীৰবলক ফাঁকি দিব পৰা নগ'ল। তেওঁ জানিছিল যে সম্ৰাটে সহজ হৈ থকাৰ ভাও ধৰিছে। বীৰবলো ভাও ধৰাত পাকৈত আছিল। তেওঁ কৌতুক কৰিলে, ৰগৰ কৰিলে, আনৰ ভুলৰ সমালোচনা কৰি ৰাজসভাৰ সকলোকে আমোদ দিলে। সম্ৰাটেও হাঁহিলে, কিন্তু সম্ৰাটৰ সঁহাৰিত আগৰ সেই উষ্ণ অনুভূতি নাছিল। দুয়ো বাহিৰে বাহিৰে সৌহাৰ্দ্য বজাই ৰাখিলে যদিও দুয়ো ইজনে সিজনক শেন চকুৰে নীৰিক্ষণ কৰি থাকিল।

এপষেক পাৰ হৈ গ'ল। বীৰবলে আকবৰৰ দৈনন্দিন ৰুটিনখন জানিছিল। ইয়াৰ ভিতৰত আছে সপ্তাহত এবাৰকৈ সমগ্ৰ ৰাজধানীতে সম্ৰাটে ৰাতি কৰা ভ্ৰমণ যাতে নিৰাপত্তা

ব্যৱস্থা পৰীক্ষা কৰি সম্ৰাট আশ্বস্ত হ'ব পাৰে যে ৰাজধানীত চোৰ, ডকাইত আৰু দৈত্ত কৰ লোৱা গুণ্ডাৰ উপদ্ৰৱ হোৱা নাই। এনে ভ্ৰমণত সম্ৰাট ছদ্মবেশত গৈছিল।

এনে প্ৰতিটো ছদ্মবেশ সকলো ফালেৰে-পৰা নিখুঁত আছিল। এইটো সম্ভৱ হৈছিল সম্ৰাটৰ বিশ্বসী সেৱক আচৰফৰ বাবে, যি সম্ৰাটক নকলী চুলি, দাড়ি আৰু ৰঙেৰে সজাই পৰাই তোলাত সিদ্ধহস্ত আছিল। বীৰবলে তেওঁক সময়ে সময়ে শিকাই থকা কৌশল-বোৰৰ বাবেই আচৰফ ইমান পাৰ্গত হৈ উঠিছিল।

প্ৰতিবাৰতে সম্ৰাটৰ ব্যক্তিত্ব সলনি কৰিবলগীয়া হ'লে, আচৰফে বীৰবলৰ লগত আলোচনা কৰিছিল।

এদিন এটা শনিবাৰৰ পুৱা আচৰফ বীৰবলৰ ঘৰ ওলালহি। "তুমি ইমান পুৱাতে কিয় আহিছা মই অনুমান কৰিব পাৰিছো," বীৰবলে মিচিকিয়া হাঁহি এটাৰে আচৰফক স্বাগতম জনালে।

"মহাশয়, সম্ৰাটে আজি নৈশ ভ্ৰমণৰ পৰিকল্পনা কৰিছে। মই ভাবিছো আজি মই সম্ৰাটক এজন ভিক্ষাৰীৰ বেশত সজাম," আচৰফ ৰৈ গ'ল।

"কেৱল তুমিহে সম্ৰাটক ভিক্ষাৰী কৰিব পাৰা," বীৰবলে কৌতুক কৰি ক'লে।

আচৰফ হাঁহিত বাগৰি পৰাৰ উপক্ৰম হ'ল।

"তেওঁৰ পুৰণা ফটা ছিটা কাপোৰ পিন্ধাই দিয়া, অ'ত ত'ত দুই চাৰিটা চিলাই থাকিলে বেয়া নহয়। তেওঁক এযোৰ পুৰণা চেণ্ডেল পিন্ধিবলৈ দিয়া, গোৰোহা ক্ষয় যোৱা হ'ব লাগিব। এটা পাগুৰী, এখন পুৰণি কম্বল দিব পাৰিলে ছদ্মবেশ আৰু বেছি নিখুঁত হ'ব। কান্ধত ওলমাই ল'ব পৰা এটা মোনা দিবা য'ত এটা টিনৰ টেমা, এটা গিলাচ আৰু এযোৰ অতিৰিক্ত কাপোৰ ভৰাই থ'ব পাৰি।" বীৰবল কথাখিনি লাহে লাহে ক'লে যাতে আচৰফে বুজাত ভুল নকৰে।

"আৰু কিবা বুদ্ধি দিব নেকি বাৰু?' সকলো কথা বুজি লৈ আচৰফে সুধিলে।

"শ্বাহেনশ্বাহৰ মুখখন এনেকৈ ৰঙ কৰিবা যাতে দেখিলেই তেওঁক বয়সে আঁচোৰা মানুহ যেন ভাব হয়। নহ'লে ছদ্মবেশ ধৰা পৰাৰ ভয় থাকিব।" বীৰবলে যোগ দিলে।

আচৰফে বীৰবলৰপৰা বিদায় মাগিলে।

"মোৰ সময় সমাগত হৈছে," বীৰবলে প্ৰশান্তিৰ হাঁহি মাৰিলে।

সন্ধিয়া সোনকালেই নামিল আৰু বীৰবলে তেওঁৰ পত্নীক ক'লে, তেওঁ যেন বীৰবলক এজন ভিক্ষাৰীৰ ৰূপত সজাই তোলাত সহায় কৰে।

"এজন ভিক্ষাৰী?" পত্নী আচৰিত হ'ল।

## ভাৰতৰ বিষয়ে জানি লোৱা

*এইবাৰৰ বিষয় হৈছে ভাৰতীয় সাহিত্য।*

১. ভগৱদ গীতাৰ দাৰ্শনিক ব্যাখ্যা ‘গীতা ৰহস্য’ কোনে লিখিছিল? তেওঁ আছিল কুৰি শতিকাৰ এজন ৰাষ্ট্ৰীয় নেতা।

২. মৈথিলি চৰণ গুপ্তাৰ সবাতোকৈ বিখ্যাত গ্ৰন্থখনৰ নাম কি?

৩. প্ৰথম জ্ঞানপীঠ বঁটা বিজেতা কোন?

৪. পঞ্চতন্ত্ৰৰ ৰচয়িতা কোন? তেওঁ এইখন গ্ৰন্থ কেতিয়া লিখিছিল?

৫. বিখ্যাত মাৰাঠী নাটক ‘শাখাৰাম বিন্দাৰ’ আৰু ‘ঘাচী ৰাম কটোৱাল’ কোনে লিখিছিল?

৬. বিখ্যাত ভাৰতীয় ক্ৰিকেটাৰ ই.এ.এচ. প্ৰসন্নৰ আত্মজীৱনীখনৰ নাম কি?

৭. কোনখন গ্ৰন্থৰ বাবে ৰবীন্দ্ৰনাথ ঠাকুৰে সাহিত্যৰ নোবেল বঁটা লাভ কৰিছিল? কোন চনত?

৮. আকবৰনামা কোনে লিখিছিল? তেওঁ আকবৰৰ ৰাজসভাৰ এজন সভাসদ আছিল।

৯. দেশপ্ৰেমমূলক গীত চাৰে জঁহা চে আচ্ছা কোনে লিখিছিল?

*(উত্তৰ ৭৪ পৃষ্ঠাত)*

“হয়, মই গোটেই ৰাতি ৰাজধানীত সেই বেশত ঘূৰি ঘূৰি চাব খোজো এজন ভিক্ষাৰীৰ জীৱন কিমান কষ্টকৰ। তাৰপাছত মই শ্বাহেনশ্বাহক কম ভিক্ষাৰী সকলৰ জীৱন সহজ কৰি তুলিবলৈ তেওঁ কি ব্যৱস্থা ল’ব পাৰে।” বীৰবলে বুজাই ক’লে।

“আপোনাৰ ধাৰণা সদায় উদ্ভত হয়,” মৃদু আপত্তি সত্ত্বেও পত্নীয়ে বীৰবলক নতুন ভূমিকাত সজাই পৰাই তুলিবলৈ সন্মত হ’ল। তেওঁ এযোৰ পুৰণি, মলিয়ন কাপোৰ বিচাৰি উলিয়ালে। বীৰবলে পিন্ধি ল’লে।

“এতিয়া মোৰ মুখ আৰু হাতত ৰঙ ঘঁহা। সেইবোৰত বয়সৰ ছাপ পৰা বিধৰ হ’ব লাগিব। কপাল আৰু গালত বলিৰেখা আঁকি দিয়া।” বীৰবলে কৈ গ’ল।

বহু বছৰৰ আগতেই পিন্ধিবলৈ এৰা এযোৰ পুৰণি জোতা বীৰবলে পিন্ধি ল’লে আৰু তেওঁ কেতিয়া আহিব যিহেতু নিজেই নাজানে সেয়েহে তেওঁলৈ অপেক্ষা নকৰিবলৈ পত্নীক কৈ বীৰবল ওলাই আহিল। ৰাজপ্ৰাসাদৰ মূল প্ৰবেশদ্বাৰৰ পৰা এশ গজ মান দূৰত বীৰবল ৰৈ গ’ল। তেওঁ এটুকুৰা অন্ধকাৰ ঠাইত অপেক্ষা কৰিলে।

বীৰবল বেছি সময় ৰ’বলগীয়া নহ’ল। জপনা খোল খালে। এজন ভিক্ষাৰী ওলাই আহিল। জপনাত থকা প্ৰহৰীয়ে ভিক্ষাৰীজনক অভিবাদন জনালে।

“এইবাৰ আপুনি ফান্দত পৰিব, শ্বাহেন-শ্বাহ,” বীৰবলে স্বগতোক্তি কৰিলে।

সম্ৰাট পাৰ হৈ যোৱালৈকে বীৰবলে অপেক্ষা কৰিলে। তাৰপাছত তেওঁ চিঞৰিলে, “হেৰা বন্ধু, ময়ো তোমাৰ লগ লাগিব পাৰোনে?”

"তুমি কোন?" সম্রাটে কর্তৃত্বৰ সুৰত সুধিলে।

"তুমি দেখোন শ্বাহেনশ্বাহৰ দৰে কথা কৈছা। কিন্তু তুমি হ'লা এজন সামান্য ভিক্ষাৰী। গতিকে ভিক্ষাৰীৰ দৰে কথা ক'বলৈ শিকা। নহ'লে কোনেও তোমাক এপইচাও নিদিয়ে," বীৰবলেও নকল মাত উলিয়াই ক'লে।

"তুমি কোন?" সম্রাটৰ মাতটো নৰম হৈ আহিল।

"এজন ভিক্ষাৰী, তোমাৰ দৰে।"

"কিন্তু মই ভিক্ষাৰী নহয়।" সম্রাট অধৈৰ্য হৈ উঠিল।

"তুমি তেন্তে কোন? শ্বাহেনশ্বাহ?" বীৰবলৰ মাতত ঠাট্টাৰ সুৰ।

"তুমি কোৱাটোৱেই। মই মোৰ নৈশ ভ্ৰমণত ওলাইছো।" সম্রাটে শিৰ ওখ কৰি ক'লে।

"তুমি মোক মূৰ্খ সজাব খুজিছা।"

"মইনো কোন সেই কথা মই প্ৰমাণ কৰিব পাৰো।" সম্রাটে ঘোষণা কৰিলে।

"তেন্তে এই মুহূৰ্ত্ততে প্ৰমাণ কৰা। অন্যথা মই তোমাক কৰ্তৃপক্ষৰ হাতত গতাই দিম," বীৰবলে ভাবুকি দিলে।

সম্রাটৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ। তেওঁ অপমান বোধ কৰিলে। "তোমাৰ দৰে এই অঘৰীৰ আগত মই মোৰ পৰিচয় প্ৰমাণ কৰাৰ কি প্ৰয়োজন আছে?"

"কিয়নো এটা চৰাইৰ দুয়োখন পাখি একেলগে মেল খায়," বীৰবলে ক'লে।

"কি হাঁহি উঠা কথা!" সম্রাটে গেঙেৰি মাৰি নিজৰ ৰাজআঙুঠিটো খুলি বীৰবলৰ চকুৰ আগত তুলি ধৰিলে।

"চাঁওচোন এইটো নিভাঁজ হয়নে নহয়," বীৰবলে ক'লে।

সম্রাটে আঙঠিটো তেওঁক দিলে।

বীৰবলে আঙঠিটো ঘূৰাই পকাই চাই অভিযোগৰ সুৰত সুধিলে, "তোমাক এইটো দিলে কোনে?"

"এইটো মোৰ। ময়েই শ্বাহেনশ্বাহ।"

"তুমি ভাবিছা মই সেই কথা বিশ্বাস কৰিম?" বীৰবলে ঠাট্টাৰ হাঁহি মাৰিলে।

"হাঁহি বন্ধ কৰা, মূৰ্খ, যদিহে তোমাৰ মূৰ কটা যাব নালাগে," সম্রাটে ক'লে।

দুয়ো তৰ্ক কৰি থাকোতেই এজন বিষয়াৰ নেতৃত্বত এটা তহলদাৰী গোট সেইফালে আহি কাজিয়াৰ কাৰণ জানিব খুজিলে।

"এই মানুহটোক লৈ যোৱা, তেওঁ এজন

চোৰ," বীৰবলে সম্ৰাটৰ ফালে আঙুলিয়াই দেখুৱালে।

"মই শ্বাহেনশ্বাহ," ভিক্ষাৰীৰ ছদ্মবেশেত থকা সম্ৰাটে ক'লে।

"তেওঁ মিছা মাতিছে। মইহে শ্বাহেনশ্বাহ। চোৱা এইটো মোৰ ৰাজআঙঠি," বীৰবলে বিষয়াজনৰ আগত আঙঠিটো তুলি ধৰিলে।

বিষয়াজনে মূৰ দোৱালে, খঙেৰে আনজন ভিক্ষাৰীক ধৰিবলৈ আগবাঢ়িল, তেওঁ নাজানিলে যে সেইজনহে আচল সম্ৰাট। আকবৰে বিপদৰ গোন্ধ পালে। তেওঁ খৰখেদাকৈ তাৰপৰা গুচি গ'ল।

"তেওঁক যাবলৈ দিয়া, বেচেৰা এজন বলিয়া মানুহ," ভিক্ষাৰীজনৰ পাছে পাছে যাব খোজা বিষয়াৰ দলটোক বাধা দি বীৰবলে ক'লে।

পিছদিনা পুৱা। বীৰবল ৰাজসভালৈ আহিল। তেওঁ সম্ৰাটক অকলে লগ ধৰিব

খুজিলে। প্ৰহৰীয়ে সম্ৰাটক সুধি অনুমতি পোৱাত বীৰবলক সম্ৰাটৰ ওচৰলৈ লৈ যোৱা হ'ল।

"শ্বাহেনশ্বাহ," বীৰবলে সম্ৰাটৰ আগত আঁঠু ল'লে।

"কোৱা, বীৰবল।"

"যোৱা নিশা আপোনাৰ ৰাজআঙঠিটো হেৰাইছে নেকি?"

"তুমি জানিলা কেনেকৈ?"

বীৰবলে কথাবোৰ ভাঙি পাতি ক'লে। আকবৰৰ মুখ শেঁতা পৰিল। তেওঁ খঙত একোনাই হ'ল।

"শ্বাহেনশ্বাহ! মোক ক্ষমা কৰক। কেই-দিনমান আগতে আপুনি মোক প্ৰত্যাহ্বান জনাইছিল, ৰাজপ্ৰতীকৰপৰাহে ক্ষমতা আছে বুলি মই কৰা মন্তব্য প্ৰমাণ কৰিবলৈ। মই যেতিয়া আঙঠিটো তুলি ধৰিলো, বিষয়াজনে মোৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিলে।" এইবুলি কৈ বীৰবলে আকবৰৰ হাতত আঙঠিটো তুলি দিলে।

"বীৰবল!" আকবৰে নিজৰ খং দমাবলৈ বেচ কষ্ট কৰিবলগীয়া হ'ল। তাৰপাছত তেওঁ হাঁহিত বাগৰি পৰাৰ উপক্ৰম হ'ল, "ধূৰন্ধৰ দেই! তুমি তোমাৰ কথা প্ৰমাণ কৰিব জানা। এতিয়াহে মই বুজিলো সিংহাসন আৰু ৰাজপ্ৰতীকেই মোৰ ক্ষমতাৰ উৎস। তোমাৰ ক্ষমতাৰ উৎস হ'ল তোমাৰ বুদ্ধি আৰু প্ৰজ্ঞা আৰু ইয়াক কেতিয়াও চুৰ কৰি আনিব নোৱাৰি।"

সম্ৰাটে বীৰবলক সোণৰ মুদ্ৰাৰে ভৰা এটা টোপোলা উপহাৰ দিলে।

*- আৰ.কে. মূৰ্ত্তি*

উদীয়মান তাৰকা

# নিমিছা মোহন



- নিমিছাৰ আদৰ্শ খেলুৱৈ হ'ল ৰজাৰ ফেডেৰাৰ
- নিমিছাই প্ৰতি দিনে পুৰা ৩ ঘণ্টা আৰু আবেলি ৩ ঘণ্টা অনুশীলন কৰে।
- তেওঁ বাংগালোৰৰ টেনিছ এড্‌ভানটেজত প্ৰশিক্ষণ লয়।
- নিমিছাৰ প্ৰশিক্ষক হ'ল ধ্যান উথাপ্পা
- তেওঁৰ লগত বন্ধুত্ব কৰিব খুজিছা নেকি? কেতিয়াও তেওঁক কাৰ্ড ৰাইচ (দৈ ভাত) খাবলৈ নক'বা, তেওঁ বেয়া পোৱা খাদ্যৰ তালিকাৰ শীৰ্ষত আছে এইবিধ খাদ্য।

**জয় কৰা প্ৰধান খিতাপসমূহ:**

এ আইটিএ চুপাৰ চিৰিজ (১৪ বছৰৰ তলৰ ছিংগলছ) ২০০৫

অল ইণ্ডিয়া চুপাৰ চিৰিজ (১৬ বছৰৰ তলৰ ছিংগলছ) ২০০৬

এ আই টি এ টেলেণ্ট চিৰিজ (১৮ বছৰৰ তলৰ ছিংগলছ আৰু ডবলছ) ২০০৮

ইউ এছ টি এ লেভেল ১বি চেম্পিয়নশ্বিপ, নিউইয়ৰ্ক আমেৰিকা যুক্তৰাষ্ট্ৰ (১৮ বছৰৰ তলৰ ছিংগলছ) ২০০৮

আই টি এ ফ জুনিয়ৰ (জি আৰ ৫), চেন্নাই আৰু হাইদৰাবাদ-২০০৮

ডি এছ ছি এল নেশ্যনেল টেনিছ চেম্পিয়নশ্বিপ (১৮ বছৰৰ তলৰ ছিংগলছ) ২০০৮

নিমিছাই মাত্ৰ ১৭ বছৰৰ বয়সতে এতিয়ালৈকে ১৫টা খিতাপ লাভ কৰিলে। ইয়াৰ ভিতৰত আছে দুটা ১৮ বছৰৰ তলৰ আন্তঃৰাষ্ট্ৰীয় খিতাপ। দহ বছৰ বয়সৰেপৰা তেওঁ টেনিছ খেলিবলৈ আৰম্ভ কৰিছিল মাকৰ প্ৰচেষ্টাত, যিগৰাকীয়ে নিমিছাক যিমান পৰা যায় সিমান খেলা ধূলাত ভাগ লোৱাটো বিচাৰিছিল। বাংগালোৰৰ শ্ৰীভগৱান মহাবীৰ কলেজৰ প্ৰথম বাৰ্ষিকী পিইউচিৰ ছাত্ৰী নিমিছাই ক্লাছলৈ পলমকৈ অহাৰ অনুমতি লাভ কৰিছে কিয়নো পুৱা তেওঁ খেলৰ অনুশীলন কৰিব লাগে। পঢ়াত যাতে পিছ পৰি নাযায় তাৰবাবে তেওঁ বিশেষ টিউছন ক্লাচ কৰে।

তেওঁৰ বয়সৰ বহুতো ছোৱালীয়ে ডায়েট পেপছি আৰু চৰ্বীবিহীন খাদ্য খাই থাকে যদিও, নিমিছাই সদায় সতৰ্ক খোৱাত, যেন প্ৰচুৰ পৰিমাণে প্ৰটিন আৰু কাৰ্বহাইড্ৰেট থাকে। প্ৰতিদিনে অনুশীলনৰ পাছত তেওঁ ৪৫ মিনিট ব্যায়াম কৰে আৰু সপ্তাহত তিনিবাৰকৈ জিমলৈ যায়। টেনিছত শাৰীৰিক সক্ষমতা খুব বেছি হ'ব লাগে আৰু নিমিছাই নিজৰ শক্তি বঢ়াবলৈ কাম কৰি আছে।

এতিয়ালৈকে তেওঁ খেলা আটাইতকৈ জটিল খেল কোনখন বাৰু? অলপো নোৱোৰাকৈ, নিমিছাই কয় "প্ৰতিখন মেটছেই এটা প্ৰত্যাহ্বান; কৌশলটো হ'ল এবাৰৰ এটা পইন্টৰ বাবে চিন্তা কৰা আৰু চূড়ান্ত ফলাফল কি হ'ব তাক লৈ মূৰ ঘমাব নালাগে।"

কথোপকথন শেষ হোৱাৰ আগতে, নিমিছাই গায় তৰুণ ভাৰতৰ মন্ত্ৰ-ভাৰতৰ তৰুণ প্ৰজন্মৰ কৰ্মপ্ৰেৰণাৰ উৎস সেই মন্ত্ৰ, "কঠোৰ পৰিশ্ৰম কৰা, তোমাৰ লক্ষ্যৰ পথত আগবঢ়াৰ কামটো উপভোগ কৰা আৰু সৰ্বোপৰি নিজৰ ওপৰত বিশ্বাস ৰাখা!"

# নিজৰ নিজৰ অভিপ্ৰায়

**মা**ণিক্য নামৰ এজন ব্যক্তি ওচৰৰে এখন গাঁৱৰপৰা ৰামপুৰলৈ আহিল। সেই সময়ত গাঁৱৰ কিছুমান মানুহ এক ৰাজহুৱা ঠাইত বহি সাধু সদানন্দৰ কথা পাতি আছিল, যিজনক তেওঁৰ নিজা ইচ্ছা অনুসৰি গাঁওবাসীয়ে গাঁৱৰ বাহিৰত থকাৰ ব্যৱস্থা কৰি দিছিল। ৰমেশ নামৰ এজন ধনী কৃষকে ক'বলৈ ধৰিলে, "মই বুজি নাপাঁও এই সাধু সন্ন্যাসীসকলে কাক উদ্ধাৰ কৰিবলৈ এনেকৈ অনাই বনাই ঘূৰি ফুৰে। তেওঁলোকৰ কথা শুনিয়েই আমাৰ ভক্তি ওপজে কিয়? পানী সদায় তললৈ বয়, সদায় সঁচা কথা ক'ব লাগে আদি তেওঁলোকে কোৱা কথাবোৰ লৈ আমি অনভিজ্ঞ নেকি? বেদ বেদান্তৰ এই সত্যনীতিবোৰৰ কথা নাজানে কোনে? এনে সাধুৰ ওচৰলৈ গৈ কোনো লাভ নাই। তেওঁলোকৰ ওচৰলৈ গৈ আমি ধন আৰু সময়ৰ অপব্যয় কৰোঁ।"

তেওঁৰ কথা শুনি থকা গাঁওবাসীয়ে কিছু সময়ৰ পাছত ফল মূল লৈ স্বামীজীক দৰ্শন কৰিবলৈ ওলাল। এই দৃশ্য দেখি মাণিক্য আচৰিত হ'ল আৰু তেওঁলোকক সুধিলে, "আপোনালোকে এয়া কি কৰিছে? গাঁৱৰ সেই আগশাৰীৰ মানুহজনৰ কথা শুনাৰ পাছতো সাধুৰ দৰ্শন কৰিবলৈ ওলাইছে? আপোনালোকে তেওঁৰ অভিপ্ৰায়ক ইমানেই মূল্য দিয়েনে?"

গাঁওবাসীয়ে হাঁহি হাঁহি ক'লে, "তুমি এই গাঁৱলৈ নতুনকৈ আহিছা, সেয়েহে এইবোৰ প্ৰশ্ন কৰিছা। অভিপ্ৰায় হ'ল নিজৰ নিজৰ। তেওঁৰ অভিপ্ৰায় মতেই আমি চলিব লাগিব বুলি কোনো কথা নাই। এতিয়া বুজিলা নহয়, তেওঁৰ প্ৰতি আমাৰ অভিপ্ৰায় কি?"

এতিয়াহে মাণিক্যই বুজি পালে যে ৰমেশ কি ধৰণৰ মানুহ আৰু মানুহে তেওঁৰ অভিপ্ৰায়ক কিমান মূল্য দিয়ে।

- *দীক্ষিত*

ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান

# কুতুব মীনাৰ তথা তাৰ আশে পাশে থকা স্মাৰক




**কু**তুব প্ৰাংগণৰ ভিতৰতে আছে বিখ্যাত কুতুব মীনাৰ। এই স্তম্ভৰ নিৰ্মাণ কাৰ্য দাস বংশৰ প্ৰতিষ্ঠাতা আইবাকে আৰম্ভ কৰে। তেওঁৰ উত্তৰাধিকাৰী, ইলতুৎমিচে আৰু পৰৱৰ্তী শাসকসকলে যেনে আলাউদ্দিন খিলজী ইত্যাদিয়ে এই স্তম্ভ আৰু উচ্চতা প্ৰদান কৰে। কুতুব মীনাৰৰ উচ্চতা ৭২.৫ মিটাৰ। ইয়াৰ তলৰ ব্যাস ১৪.৩ মিটাৰ আৰু ওপৰৰ মজিয়াৰ ব্যাস হৈছে ২.৭ মিটাৰ।

আলাই গেট হৈছে ইয়াৰ মূল প্ৰৱেশ পথ। ইয়াক নিৰ্মাণ কৰে আলাউদ্দিন খিলজীয়ে। ওপৰৰ কক্ষৰ পাথৰৰ কাৰুকাৰ্য ইত্যাদিয়ে তাত কাম কৰা তুৰ্কী শিল্পী সকলৰ অসাধাৰণ শিল্পনৈপুণ্য দাঙি ধৰে।

আলাই মীনাৰৰ কাম আৰম্ভ কৰাইছিল আলাউদ্দিন খিলজীয়ে। ইয়াক কুতুব মীনাৰৰ দুগুণ উচ্চতাৰ হ'ব বুলি আশা কৰা হৈছিল। অৱশ্যে আলাউদ্দিনৰ মৃত্যুৰ পিছত এই নিৰ্মাণ কাৰ্য বাদ দিয়া হয়। চাৰে চৌব্বিশ মিটাৰ উচ্চতাৰ প্ৰথম মহলাৰ ভগ্নস্তূপ দেখিবলৈ পোৱা যায়।

কুতুব প্ৰাংগণৰ লোহাৰ স্তম্ভ বিশ্বৰ ধাতুবিজ্ঞানৰ এক অন্যতম কৌতূহল। ইয়াৰ ৯৮% ঢলা লোহাৰ আৰু ১৬০০ বছৰ পিছতো ইয়াত মামৰে ধৰা নাই। প্ৰায় ৭ মিটাৰ উচ্চতাৰ এই স্তম্ভ নিৰ্মাণ কৰে দ্বিতীয় চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যই। এক পৰম্পৰাগত বিশ্বাস আছে যে এই স্তম্ভত পিঠি লগাই ইয়াৰ গোটেই ঘেৰটো যি দুহাতেৰে ধৰিব পাৰিব তেওঁৰে মনৰ কামনা পূৰণ হ'ব।

ইউনেস্কোই কুতুব মীনাৰ আৰু ইয়াৰ প্ৰাংগণক ১৯৯৩ চনত ভাৰতত ইচ্‌লামিক স্থাপত্যৰ এক গুৰুত্বপূৰ্ণ নিদৰ্শন হিচাবে বিশ্ব ঐতিহ্য চিহ্নৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে।

এই চৌহদ পুৱাৰপৰা গধূলিলৈকে দৰ্শনাৰ্থীৰ বাবে খোলা থাকে।
**প্ৰৱেশ মাচুল :** ভাৰত আৰু চাৰ্ক অন্তৰ্ভুক্ত দেশৰপৰা অহা লোকৰ বাবে প্ৰতিজনৰ ১০ টকা। অন লোকৰ বাবে ৫ মাৰ্কিন ডলাৰ। ১৫ বছৰ বয়সৰ তলৰ বাবে কোনো মাচুল নালাগে।

# কাগল গাঁৱৰ তিমিমাছ

ভাৰতৰ যিকোনো ঠাইতে থকা বা যিকোনো ভাষাতে এই কাহিনীটো পঢ়া মোৰ আটাইবোৰ বন্ধুক মই এই কাহিনীটো ক'ব খোজো।

মোৰ নাম চুনী। কৰ্ণাটকৰ পশ্চিম উপকূলৰ কাগল গাঁৱত বাস কৰা মই এজনী ১২ বছৰীয়া ছোৱালী। মই স্থানীয় চৰকাৰী স্কুলত পঢ়ো। এদিন আমাৰ স্কুললৈ এটা প্ৰকৃতি গোট গঠনৰ বাবে অহা দুগৰাকী মহিলাই সলাই দিলে আমাৰ জীৱনৰ গতি।

ময়ো তাত ভাগ ল'লো, আমি কৰা প্ৰতিটো কাম মই উপভোগ কৰিবলৈ ল'লো। প্ৰতি সপ্তাহতে আমি নতুন কিবা এটা ভাবিব লাগে। ইয়াৰ লগে লগে মই অনুভৱ কৰিলো এটা অভূতপূৰ্ব সজীৱতা আৰু শক্তি।

যোৱা ডিচেম্বৰৰ শেহৰটো সপ্তাহত আমাৰ গাঁৱৰ উপকূলত আমাৰ এটা প্ৰকৃতি শিবিৰ বহিছিল। আমাৰ পৰীক্ষা অলপতে শেষ হৈছে আৰু পানীৰ কাষে কাষে আমি এটা পাহাৰৰ ফালে দৌৰ মাৰিছিলো। পাহাৰটোৰ ইফালে দেখা যায় আগানাছিনি নদীৰ এটা চালে চকুৰোৱা দৃশ্য।

"কিবা এটা ঘটিছে," এজন মাছমৰীয়াৰ ফালে আঙুলিয়াই মোৰ ক্লাচৰ সহপাঠী অৰুণে চিঞৰিলে। ভীৰ ফালি আমি আগবাঢ়ি গ'লো আৰু মই যি দৃশ্য দেখিলো, সেয়া দেখাৰ পাছত মই অচেতন হৈ পৰাৰ উপক্ৰম হ'ল। এটা প্ৰকাণ্ড ক'লা, মটীয়া বৰণৰ মাংসপিণ্ড, লাহে লাহে লৰচৰ কৰি আছে। সন্দেহ নাই, এটা জন্তুৰ অংশ, কিন্তু ইয়াৰ আৰম্ভ ক'ত, শেষ ক'ত?"

"তিমিমাছ" কোনোবাই কোৱা শুনিলো।

"অঁ!এটা তিমিমাছ!" মই ইতিমধ্যে ভীৰৰ একেবাৰে ভিতৰত বৃত্তটো পাইছোগৈ আৰু বালিত পৰি থকা সেই অনবদ্য জীৱটো দেখিলো। জীৱটোৰ কাষে কাষে থিয় হৈ থকা মানুহবোৰ মই গণি পেলালো ৩৬ জন, তাৰ মানে মাছটো প্ৰায় ৫০ ফুট দীঘল। তিমিমাছটো ইমান ওখ আছিল যে তাৰ সিফালে মই একো দেখা নাছিলো। কেইজনমান বয়োজ্যেষ্ঠ মানুহে কৈছিল তিমিমাছটো বোধকৰো সমুদ্ৰৰ অগভীৰ অংশলৈ সাঁতুৰি আহিছিল, তাৰ-পাছত টোৱে টান আনি তাক বালিত লগাই দিলেহি। এতিয়া তিমিমাছটো মহাসমুদ্ৰৰ গভীৰ অংশলৈ পঠিয়াই দিব পৰা হয় কেনেকৈ? কেইজনমান ডেকা ল'ৰাই তাৰ চাৰিওফালে বাল্টিয়ে বাল্টিয়ে সমুদ্ৰৰ পানী ঢালি দিলে। আমাৰ প্ৰকৃতি ক্লাবৰ লক্ষ্মী বাইদেইৱে বুজাই দিলে যে তিমিমাছটোৰ ছালখন সেমেকা হৈ

থাকিব লাগে, যাতে সূৰ্যৰ প্ৰখৰ তাপত ই শুকাই নাযায়।

ইতিমধ্যে, তিমিটোৰ ফানত ৰছী লগোৱা হৈছিল আৰু মাছটোক সমুদ্ৰলৈ টানি নিবলৈ মানুহৰ গোট সাজু হৈছিল। আমাৰ গাঁওবাসী খুব শক্তিশালী, কিয়নো নাৱ পানীলৈ টনাত আৰু পানীৰপৰা পাৰলৈ টানি অনাত তেওঁ-লোক সিদ্ধহস্ত। কিন্তু এটা নম্ৰ বিশাল দৈত্যৰ দৰে তিমিমাছটো লৰচৰ নকৰাকৈ পৰি থাকিল। তাৰ চকু কেইটাত দেখা গৈছিল দয়া আৰু কৰুণাৰ চিন।

এনেকৈয়ে ডেৰঘন্টা সময় পাৰ হ'ল, মানুহবোৰ ক'লে কোনো আশা নাই। তিমি-মাছটো মৰি থাকিব।

মীনপালন বিভাগৰপৰাও কোনোবা আহিল আৰু দুই চাৰিটা ব্যৱস্থা ল'লে। পিছে তিমিমাছটোক পানীৰ ফালে নিয়াৰ সকলো প্ৰচেষ্টা ব্যৰ্থ হ'ল।

"আমি যদি ইয়াৰ কাষে কাষে তেলৰ দৰে কিবা পিছল বস্তু পেলাই দিওঁ কেনে হয়?" এজনে পৰামৰ্শ দিলে। কিন্তু তাৰবাবে আমাক লাগিব ট্ৰাকৰ পাছত ট্ৰাক তেল। মই অস্থিৰ হৈ উঠিলো। প্ৰকৃতি ক্লাবৰ কাম মাহৰ পাছত মাহ কৰাৰ পাছত এইটো এটা জীৱন্ত সমস্যা আৰু অথচ আমি সকলোৱে অসহায় বোধ কৰিছো।

মনত কিবা বুদ্ধি খেলাই নেকি তালৈ মই অপেক্ষা কৰিলো... কিবা অলপ পিছল, চলি যাব পৰা... মোৰ মূৰটো খজুৱালো। "সেইটো কৰিলে কেনে হয়?"

"লক্ষ্মী বাইদেই," মই চিঞৰিলো, "আমিনো সকলোকে বাচলয় চপ্পু (মালাবাৰ পালেঙ, যিবিধ শাক বেছিভাগ ঘৰুৱা বাগিচাতে হয়) আৰু জবাফুলৰ পাত পিচি আনিবলৈ নকওঁ কিয়? ই বৰ পিছল, আৰু আমি সেইখিনি তিমিমাছটোৰ তলত পেলাই তাক টানি নিব পাৰো।

ধাৰণাটো উদ্ভত আছিল। কিন্তু মই নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলো, হঠাতে ভীৰৰ মাজৰপৰা মহিলাসকল নোহোৱা হৈছে, আৰু সকলো গুচি গৈছে খৰখেদাকৈ নিজৰ ঘৰৰ ফালে। আমাৰ গাঁৱত আছে ৬৭০টা পৰিয়াল। মই মোৰ মাৰ ওচৰলৈ দৌৰি গলো



আৰু আমি দুয়ো চঞ্চু ছিঙিবলৈ আৰম্ভ কৰিলো আৰু তাৰপাছত সেইবোৰ পিছা হ'ল। মোৰ মনত পৰিল আমাৰ দেখোন বআৰু এবিধ শাক আছে তাৰপৰা ওলোৱা আঠা কেৱল পিছলেই নহয় ই আঘাত আৰু ঘা ভাল কৰিব পাৰে। মই সেইটোও মিহলাই দিলো।

সোনকালেই পাঁচবাল্টি পিছলক সাজু কৰা হল। আমি ওলাই আহিলো, দেউতাই সহায় কৰিলে। বাল্টি, পুৰণা টিন, পাত্ৰ যিয়েই যি পায় তাতে এই বিশিষ্ট পিছলক ভৰাই ওলাই আহিল। কিছুমান আহিল চাইকেল আৰু মটৰবাইকত পিছা বাচলয় চঞ্চুৰ ড্ৰাম কঢ়িয়ায়। সেইবোৰ তিমিৰ দাঁতিয়ে দাঁতিয়ে ঢালি দিয়া হ'ল। মানুহৰ কি অভাৱনীয় শোভাযাত্ৰা! গাঁৱত এনেকুৱা একতা মই আগতে কেতিয়াও দেখা নাছিলো। সাধাৰণতে সকলো সময়তে তেনেই তুচ্ছ কথাত কাজিয়া আৰু স্থানীয় ৰাজনীতিৰেহে গাঁওখন মুখৰ হৈ থাকে।

সকলোৰে ঘাম ওলাল, কিন্তু সেউজীয়া পিছলকখিনি তিমিমাছটোৰ গোটেই দেহৰ কাষে কাষে ঢালি দিয়া হ'ল। একে সময়তে মাছমৰীয়াসকলে ৰছীৰে তাক টানি থাকিল। মাছমৰীয়াসকলে সমস্বৰে গোৱা সংগীতে মোক আপ্লুত কৰিলে।

"হে প্ৰকৃতি আই, আমাৰ এই কাম সফল কৰি তোলা... তিমিমাছটোৰ কথা ভাবি, আমি ল'ৰা ছোৱালীবোৰৰ কথা ভাবি, গাঁওখনৰ কথা ভাবি।" মই প্ৰাৰ্থনা কৰিলো। "এতিয়া বাৰু আমি তিমিটোক লৰচৰ কৰিব পাৰিমনে?"

মোৰ দৃঢ় বিশ্বাস আছিল আমাৰ ঘৰবোৰৰ-পৰা অহা এই সেউজীয়া পিছলকৰ যাদুকৰী শক্তি আছে। দেখা গ'ল তিমিমাছটো লৰচৰ কৰিছে। আধা দেহ, তাৰ পাছত আৰু অলপ, শেহত গোটেইটো দেহ পানীলৈ আহিল। মানুহবোৰে টনাটো বন্ধ নকৰিলে। তাৰ পাছত ৰছীবোৰ দি দিয়া হ'ল পানীত থকা সৰু সৰু মাছমৰা নাওক আৰু নাওবোৰে তিমিমাছটোক গভীৰ পানীলৈ টানি নিবলৈ ধৰিলে।

এবাৰ পানীলৈ অহাৰ পাছত তিমিটোৱে সাঁতুৰিবলৈ আৰম্ভ কৰিলে। থিয় হৈ চাই থকা দৰ্শকে দেখিলে নাওবোৰ আৰু আগবাঢ়ি গৈছে। শেষত, মই দেখিলো নাৱৰীয়াবোৰে ৰছীবোৰ চপাই আনিছে। তিমিমাছটোৱে তাৰ বিচৰণ ক্ষেত্ৰত প্ৰবেশ কৰিছে। নাৱৰীয়া বোৰে চাই থাকিল, আৰু আমিবোৰে পাৰৰপৰা তেওঁলোকক চিঞৰি চিঞৰি উৎসাহ দি থাকিলো। মোৰ মনত থকা শেষ দৃশ্যটো আছিল, শাৰী শাৰী নাও আৰু সমুদ্ৰৰ নীলাভ সলিলৰাশিৰ তাৰ চিনাকি অংশলৈ আগবাঢ়ি যোৱা তিমিমাছটোৱে তাৰ বিশাল দেহাৰে সৃষ্টি কৰি যোৱা ঢৌবোৰ। জীৱনত ইয়াতকৈ বেছি সুখানুভূতি সম্ভৱ হ'ব পাৰেনে বাৰু?

*- সুনীতা ৰাও*

# Non-stop fun @ chandamama.com!

Chandamama's **Festive fun!**

## What's your NEW YEAR RESOLUTION?

Post your NEW YEAR RESOLUTIONS at our site and print them for your future reference. Win surprise gifts for your resolutions- a motivation from our end for you to stick to your resolutions.

## Play our Cricket Quiz!

Know about your favourite players by answering simple questions. SMS CMCQ to 54646 and win fabulous prizes.

## Dear Chandamama

School issues? Friendship woes? Just plain confused about life and its problems?

Come to us with your questions and we will try to help you see light!

**Pankaj. Z from California:** Is komodo dragon a real dragon?

**Karan J from Powai:** I want to become a cartoonist. Please tell me how!

**Nihan Varma from Nainital:** I always yawn when I'm in a crowded place! Why is that?

To know the answers, browse CONNECT under CONTEMPORARY section at www.chandamama.com

## What's more...

Browse www.chandamama.com for hundreds of stories and comics for your reading pleasure...

Download cool games and applications at the Download center.

Want to become a Chandamama Author? Come online and submit your stories!

স্বীটজাৰলেণ্ডৰ এটা কাহিনী

# গীতগোৱা দেৱদাৰু বৃক্ষ

স্বীটজাৰলেণ্ডৰ ভলাই কেন্টনৰ ৰেকিঞ্জেন গাঁৱত এজন ভাস্কৰ আছিল। তেওঁৰ কামৰ বিশেষত্ব আছিল যে তেওঁ মহৎ লোকৰ মূৰ্তি কাঠত খোদাই কৰিছিল। তেওঁৰ কামৰ নিদৰ্শন সেই অঞ্চলৰ বহুবোৰ গীৰ্জাতে সজাই থোৱা আছিল। এদিন আবেলি, যেতিয়া ৰেকিঞ্জেনৰ গীৰ্জাৰ ঘন্টাধ্বনি সান্ধ্য প্ৰাৰ্থনাৰ বাবে বাজিল, ভাস্কৰজনে আচৰিত কিন্তু সুমধুৰ গীত শুনিবলৈ পালে। তেওঁ খিৰিকীৰ কাষত গৈ সেয়া শুনিবলৈ ধৰিলে আৰু ধৰিব পাৰিলে যে গাঁৱৰপৰা গাতে লাগি থকা থিয় পাহাৰৰ ওপৰত হবাক অৰণ্যৰপৰা এই গীত ভাঁহি আহিছে।

গীৰ্জাৰ ঘন্টাধ্বনি বন্ধ হোৱাৰ লগে লগেই সংগীতৰ শব্দও নোহোৱা হ'ল। "মোৰ কল্পনা মোৰ লগে লগে ঘূৰিব লাগিছে," ভাস্কৰে নিজকে নিজে কোৱাদি কৈ নিজৰ হাথিয়াৰ পাতি থৈ গীৰ্জাৰ ফালে খোজ ল'লে।

পিছদিনা ৰাতি তেওঁ আকৌ সেই সংগীত শুনা পালে। তাৰ পিছদিনা ৰাতিও পুনৰ সেই সংগীত। সেই সংগীত আৰম্ভ হয় সান্ধ্যা প্ৰাৰ্থনাৰ বাবে গীৰ্জাৰ ঘন্টা ধ্বনি বজাৰ লগে লগে আৰু ঘন্টাধ্বনি বন্ধ হোৱাৰ লগে লগে সংগীতো শেষ হয়। ভাস্কৰজনে এটা কথা জানিব পাৰি স্বস্তি প্ৰকাশ কৰিলে যে আৰু বহুতো গাঁওবাসীয়েও এই সংগীত শুনিছিল।

এদিনাখন, সন্ধিয়া, প্ৰাৰ্থনা চলি থাকোঁতে, তেওঁ পাহাৰ বগাই হবাক অৰণ্যত চাবলৈ গ'ল এই ৰহস্যময় সংগীতৰ উৎসনো কি? প্ৰকাণ্ড গছবোৰৰ মাজে মাজে তেওঁ ঘূৰি ফুৰিল বহু সময় ধৰি।

অৱশেষত কেবা শ বছৰো পুৰণি এজোপা বিয়াগোম দেৱদাৰু গছৰ ওচৰত তেওঁ ৰ'ল। তেওঁ আচৰিত হ'ল এই কথা জানিব পাৰি যে গছজোপাৰ শিপাৰপৰা এই শব্দ আহিছে। যেতিয়া গীত বন্ধ হ'ল, তেতিয়া তেওঁ দৌৰি গৈ গাঁৱত তেওঁৰ আৱিষ্কাৰৰ কথা ক'লে।

**চান্দমামা কুইজ-১০ নৱেম্বৰ ২০০৮ ৰ উত্তৰসমূহ:**

১.ৰমজান; চৌডি আৰু বিয়াৰ মক্কা; ২.জন্মাষ্টমী, ভগৱান শ্ৰীকৃষ্ণৰ জন্মদিন; ৩.তীজ; ৪.পাৰ্চি; পাটেটি।

তাৰ পিছত, প্ৰতি সন্ধিয়া, বহুতো গঞাই পাহাৰ বগাই দেৱদাৰু গছজোপাই গীত গোৱা চাবলৈ ধৰিলে।

ভাস্কৰজনে প্ৰায়ে গছজোপাৰ ওচৰলৈ যাব ধৰিলে আৰু গছজোপাৰ ছালৰ ওপৰত হাত ফুৰাই দিয়ে। সকলো সময়তে গছজোপা তেওঁৰ ভাৱনাত লাগি থাকিবলৈ ধৰিলে। কেতিয়াবা আনকি সপোনতো তেওঁ গছজোপা দেখে। এই গছজোপাৰপৰা অভূতপূৰ্ব কিবা এটা কাটি উলিওৱাৰ ধাৰণাই তেওঁৰ পিছ নেৰা হ'ল।

ৰেকিঞ্জেনৰ পেৰিশ্ব পুৰোহিতে অৱশেষত তেওঁক এই গছজোপা কাটিবলৈ ভাস্কৰজনক অনুমতি দিলে। কিন্তু এই বিয়াগোম গছজোপা কাটি বগৰাওতে খৰিকটিয়াবোৰে মনত এক গোপন সংশয় পুহি ৰাখিছিল আৰু ঘোঁৰাৰ সহায়ত এই গছজোপা পাহাৰৰপৰা তললৈ নমাওতে সিহঁতৰ মনবোৰ গধুৰ হৈ পৰিছিল।

সুনিপুণ শিল্পীজনে গছজোপাৰ বুকুৰপৰা এডোখৰ ডাঙৰ কাঠ কাটি উলিয়ালে। তেওঁ পুৰোহিতজনক ক'লে যে তেওঁ মাতৃ মেৰীৰ এক মূৰ্ত্তি কাটি উলিয়াব আৰু তাৰ বাবে কাম আৰম্ভ কৰিলে। তেওঁ দিন ৰাতি অহৰ্নিশে খোৱা শোৱা সকলো বাদ দি কাম কৰি গ'ল। কাঠৰপৰা কাটি উলিওৱা মাতৃ মেৰীৰ মূৰ্ত্তি চাবলৈ বহু দূৰৰপৰা মানুহ গোট খালে। ভাস্কৰজন সঁচাকৈয়ে প্ৰতিভাসম্পন্ন আছিল। আৰু তেওঁৰ এই সৃষ্টিত এক অভিনৱ শিল্প নিদৰ্শন আছিল। সকলোৱে একে মুখে ক'লে যে কোনো শিল্পীয়ে আজিলৈকে মেৰী মাতাৰ এনে জীৱন্ত মূৰ্ত্তি গঢ়ি উলিয়াব পৰা নাই।

মূৰ্ত্তিটো গঢ়ি হোৱাৰ পিছত, গীৰ্জাত তাক অৰ্পণ কৰা হ'ল। পুৰোহিতে মূৰ্ত্তিটো গীৰ্জাৰ বেদীত সজাই থ'লে। মানুহে বিমুগ্ধ নয়নে চাই ৰ'ল। লাহে লাহে কাঠৰ মেৰীয়ে "ওঁঠ লৰালে, আকৌ এবাৰ সেই চিনাকি সুৰত সেই ৰহস্যময় সংগীত শুনিবলৈ পোৱা গ'ল।

সেয়াই আছিল গছজোপাৰ শেষ সংগীত।

*- পুনৰ কথিত: জুবেল ডিক্ৰ'জ*

## মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ-৩৬

# এটা আন্দোলনৰ জন্ম

**বৃ**টিছ মহিলা এনী বেচান্ট ভাৰতলৈ আহিছিল মাডাম ব্লেভাভস্কিয়ে প্ৰতিষ্ঠা কৰা থিয়চফিকেল চ'চাইটীত ভাগ ল'বলৈ। ভাৰতত থাকিবলৈ লোৱাৰ পিছত তেওঁ দেশৰ স্বাধীনতা সংগ্ৰামতো অংশ গ্ৰহণ কৰে। তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম মহিলা সভাপতি আছিল।

ভাৰতত "বয় স্কাউট" আন্দোলনৰ আৰম্ভণি তেঁৱেই কৰিছিল। স্কাউট আন্দোলনৰ প্ৰতিষ্ঠাতা লৰ্ড বেডেন পাৱেলৰ পৰা তেওঁ এক বাৰ্তা পোৱাৰ পিছত এই আন্দোলন হৈছিল। তেওঁ লিখিছিল: "ভাৰতত স্কাউটৰ প্ৰসাৰতাৰ বাবে আমাৰ যথেষ্ট সংখ্যক ব্ৰিটিছ বিষয়া নাই।"

এনী বেচান্ট গভীৰভাৱে হতাশ হৈছিল। ইতিমধ্যে তেওঁ ভাৰতক নিজৰ ঘৰ বুলি লৈছিল। ভাৰতৰ জনসাধাৰণক সেয়ে তেওঁ নিজৰ ভাই ভনী বুলি ভাবিবলৈ ল'লে। বাহিৰৰপৰা কোনো সহায় পোৱা নগ'লেও তেওঁ স্থানীয় সহায় পাবলৈ চেষ্টা কৰিলে। তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে মানুহে অতীতৰ ঘটনাৰপৰা, আমাৰ ইতিহাসৰপৰা, আমাৰ সংস্কৃতিৰপৰা, আৰু আমাৰ ঐতিহ্যৰপৰা গৰ্ব কৰিবলৈ শিকিব লাগে। তেতিয়াহে অৱশেষত তেওঁলোকৰ হাতলৈ অহা স্বাধীনতা গ্ৰহণ কৰিবলৈ তেওঁলোকে শক্তি আৰু আত্মবিশ্বাস পাব।

এনী বেচান্টৰ দৃঢ় বিশ্বাস আছিল যে যুৱশক্তিৰ মাজত নিয়মানুৱৰ্ত্তিতা আৰু আত্মবিশ্বাস জগাবৰ বাবে স্কাউট আন্দোলন এক উত্তম পদ্ধতি। লগতে, যুৱশক্তিক গঢ় দিবলৈয়ো সহজ, কিয়নো তেওঁলোকৰ মনবোৰ "এখন পৰিস্কাৰ কেনভাচৰ দৰে" য'ত তেওঁৰ ধাৰণাবোৰে গঢ় লৈ উঠিব পাৰে। তেওঁ "ভাৰতীয় বয় স্কাউট সংগঠন" গঢ়িবৰ বাবে আঁচনি তৈয়াৰ কৰিবলৈ ধৰিলে। লগতে যুৱক আৰু বৃদ্ধ সকলোকে আত্ম-নিৰ্ভৰশীল আৰু আত্মবিশ্বাসী কৰি তুলিবলৈ দিব লগীয়া প্ৰশিক্ষণৰ বিষয়েও চিন্তা কৰিবলৈ ধৰিলে।

বহুতো স্কুলে নিজৰ স্কাউট দল গঠন কৰিবলৈ ধৰিলে। প্ৰতিখন স্কুলৰে এজনকৈ সদস্যক 'স্কাউট মাষ্টাৰ'ৰ প্ৰশিক্ষণ দিয়া হ'ল। সেই সময়ত ছাত্ৰসকলে ইউনিফৰ্ম নিপিন্ধিছিল। আৰু ক্ৰীড়া অনুশীলনৰ বাবে কোনো সুকীয়া শ্ৰেণী নাছিল।

বয় স্কাউটৰ বাবে নিৰ্বাচিত হোৱা সকলক ইউনিফৰ্মৰ পোছাক আৰু জোতা দিয়া হৈছিল। এনী বেচান্টৰ ধাৰণা আছিল যে টুপীৰ পৰিৱৰ্ত্তে, পাগুৰীয়েহে এটি ভাৰতীয় শিশুক শুৱাই তুলিব। তেওঁ ঠিক কৰিলে যে ভাৰতীয় স্কাউটে দেশপ্ৰেমমূলক গীত গাব নিজৰ ভাষাতে। তেনে ধৰণৰ গীত ৰচনা কৰা হ'ল আৰু সেই সেইবোৰক সামৰিক সংগীতৰ ৰূপ দিয়া হ'ল। তেওঁৰ আশা আছিল যে এনেকুৱা গীতে শিশুসকলক উৎসাহিত কৰিব।

প্ৰশিক্ষণ সু সংগঠিত আছিল। পৰিস্কাৰ পৰিচ্ছন্নতা, সৌজন্যমূলক আচৰণ, বন্ধুবৎসলতা, দানী মনোভাৱ, সহানুভূতি, ইত্যাদি গুণবোৰৰ ওপৰত গুৰুত্ব দিয়া হ'ল। বহুতো স্কুলে ততালিকে এই আন্দোলনত ভাগ ল'লে।

এদিনাখন, তেওঁ শুনি আচৰিত হ'ল যে লৰ্ড বেডেন পাৱেল ভাৰতলৈ আহিব। তেওঁৰ মনটো সংশয়েৰে ভৰি পৰিল। তেওঁ বাৰু ভাৰতীয় বয় স্কাউট সকলক দেখি সন্তুষ্ট হ'বনে? তেওঁৰ অনুৰোধৰ প্ৰত্যুত্তৰ পাৱেলে যি ধৰণে দিছিল সেয়া মিছা বুলি তেওঁ পতিয়ন যাবনে।

ঠিক কৰা হ'ল যে পাৱেলে এঠাইত মাৰ্চ পাষ্টত অভিবাদন গ্ৰহণ কৰিব। তেওঁ প্ৰস্তাৱ গ্ৰহণ কৰিলে, যদিও তেওঁ বেছি আশা কৰা নাছিল। কিন্তু তেওঁ দেখি মুগ্ধ হ'ল যে বয় স্কাউট সকলে যেতিয়া সম্পূৰ্ণ শৃংখলাবদ্ধ-ভাবে আগবাঢ়িল, লয় আছিল অতুলনীয়, পদচালনা সুশৃংখলিত, সমস্ত প্ৰাণ ঢালি গীত গোৱা হৈছিল। সমস্ত ঘটনাটোতে প্ৰতিষ্ঠাতাজনে গৰ্ব অনুভৱ কৰিলে।

তেওঁ এনী বেচান্টৰ ফালে ঘূৰিলে আৰু ক'লে, "ভাৰতীয় বয় স্কাউট সংগঠনক বৃটিছ বয় স্কাউট আন্দোলনৰ স্বীকৃতি দিব খোজো। যদি আপুনি সন্মতি দিয়ে।" এনী বেচান্ট মিচিকিয়াই হাঁহিলে।



লৰ্ড বেডেন পাৱেলে ঘোষণা কৰিলে যে তেওঁ এনী বেচান্টক এগৰাকী অবৈতনিক স্কাউট কমিছনাৰ কৰিব। এনী বেচান্টৰ বাবে এয়া আছিল এক বিৰল সন্মান আৰু ভাৰতীয় বয় স্কাউট সকলে পৃথিৱীৰ যি কোনো শ্ৰেষ্ঠ স্কাউটৰ সমকক্ষ বুলি থকা তেওঁৰ বিশ্বাসৰ এক স্বীকৃতি।

- কে.আৰ.

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা-১৬

# দীপাৱলীৰ দিনা স্বাধীনতা

দীপাৱলীৰ সম্পৰ্ক আছে পোহৰ আৰু শব্দৰ সৈতে। বিহাৰৰ হাজাৰিবাগত থকা জেলত ১৯৪২ চনত বন্দী হৈ থকা ৰাজনৈতিক বন্দীসকলৰ বাবে দিনটো আছিল স্বাধীনতাৰ চিন্তাৰ অৱকাশ। তেওঁলোকৰ নেতা আছিল জয়প্ৰকাশ নাৰায়ণ। গান্ধীজীৰ ১৯৪২ চনৰ ৯ আগষ্টত "ভাৰতত্যাগ আন্দোলন" আৰম্ভ কৰাৰ পাছতেই ব্ৰিটিছ প্ৰশাসনে প্ৰায় সকলোবোৰ ৰাষ্ট্ৰীয় নেতাক বন্দী কৰি বিভিন্ন জেললৈ প্ৰেৰণ কৰিছিল।

জয়প্ৰকাশক ৰখা হৈছিল হাজাৰিবাগৰ পাৰ্বত্য এলেকাত থকা জেলত। জেলৰ চাৰিওফালে আছিল অটব্য অৰণ্য। জেলখন ঘেৰি ৰখা হৈছিল ওখ ওখ দেৱালেৰে। প্ৰশাসনে বিপদজনক অপৰাধী আৰু জাতীয়তাবাদী নেতাসকলক এই উচ্চ নিৰাপত্তাৰ জেলত ৰাখিছিল।

এদিন সন্ধিয়া জয়প্ৰকাশে জেলৰ কুঠৰীত বহি নিজৰ ভাগ্যকে ধিক্কাৰ দি আছিল। যি সময়ত তেওঁ দেশৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয় হৈ থাকিব লাগিছিল, সেই সময়ত তেওঁক অচল কৰি ৰখা হৈছে। খিৰিকীৰে দেৱালৰ ওপৰলৈ তেওঁ আকাশৰ ফালে চাই পঠিয়ালে। তেওঁ দেখিলে বাহঁলৈ উভতি যোৱা এজাক চৰাই। কি যে স্বাধীনতা! তেওঁও যদি জেলৰ বাহিৰলৈ ওলাই তেনেকৈ উৰিব পাৰিলেহেঁতেন! কিন্তু তেওঁ হঠাতে বুজি পালে, সেইটো একেবাৰে অসম্ভৱ কথা। পিছে এই

অদ্ভুত ধাৰণাটো কেইদিনমানৰ বাবে তেওঁৰ মনৰপৰা আঁতৰি নগ'ল। জেলত থকা সহকৰ্মীসকলক তেওঁ কথাটো ক'লে, বেছিভাগেই ক'লে এইটো এটা মূৰ্খামিৰ বাহিৰে আন একো নহয়। পিছে, জয়প্ৰকাশে লগ পালে এনে কেইজনমান নেতাক যি তেওঁৰ ধাৰণাটো একে আষাৰে দলিয়াই পেলোৱা নাছিল। ঠিকমতে পৰিকল্পনা কৰিলে, এইটো একো জটিল কাম নহয় সকলোৱে তাত হয়ভৰ দিলে।

জেলত জয়প্ৰকাশৰ এজন অন্যতন ঘনিষ্ঠ কমৰেড আছিল এ.পি.সিনহা। তেওঁ আছিল বিহাৰৰ। সিনহাই তেওঁক ক'লে, "জে.পি., মই দুখিত, মই আপোনাক লগ দিব নোৱাৰিম। কিন্তু আপোনাৰ পলায়নৰ কথাটো লুকুৱাই থোৱাত মই সহায় কৰিম। মানুহক উদ্বুদ্ধ কৰাৰ অভাৱনীয় কৰ্মশক্তি আপোনাৰ আছে। আত্মত্যাগ কৰিবলৈ আপুনি মানুহক উৎসাহিত কৰিব পাৰে। আপুনি এজন মহান ৰাষ্ট্ৰীয় নেতা।"

তেওঁৰ এই পৰিকল্পনাত ভাগ ল'বলৈ সন্মত হোৱা সকলে ৰণনীতি ঠিক কৰিবলৈ বহিল। প্ৰথমতে তেওঁলোকক এডাল দীঘল ৰছী লাগিব। তেওঁলোকৰ বিচনা চাদৰ আৰু ধূতিয়ে সেই প্ৰয়োজন পূৰণ কৰিব। পলোৱাৰ দিনটোও ঠিক কৰা হ'ল। নৱেম্বৰ ৮, যেতিয়া মানুহে দীপাৱলী উদযাপন কৰি থাকিব। অমাৱস্যাৰ নিশা, খুব আন্ধাৰ হ'ব। দিনৰ ভাগত তেওঁলোকে জেলৰ প্ৰহৰীসকলৰ লগত মিঠাই বিনিময় কৰিলে আৰু এটি কাহিনী কথন অনুষ্ঠানলৈ প্ৰহৰীসকলক আমন্ত্ৰণ কৰিলে। কাহিনী কথনত সিনহা অদ্বিতীয় আছিল। কাহিনী কথন অনুষ্ঠানচ বন্দী আৰু প্ৰহৰীসকলৰ মাজত ইমানেই বেছি সৌহাদ্য আছিল যে প্ৰহৰীসকলে আন ঠাইত কি হৈছে মনেই নকৰিলে। কাহিনী তন্ময় হৈ শুনি থকা গোটেটোৰ মাজৰপৰা লাহে লাহে কেইজনমান বন্দী ওলাই আহিল।

সোনকালেই ৰছী সাজু কৰা হ'ল। বন্দীসকলে নিজৰ কাপোৰ কানি আৰু নগদ ধন সামৰি সতৰ্কতাৰে ওখ দেৱালৰ ফালে আগবাঢ়ি গ'ল। তাৰে এজনে দেৱালৰ সিফালে ৰছীডাল মাৰি পঠিয়াবলৈ সক্ষম হ'ল আৰু ৰছীডাল তীখাৰ এডাল দণ্ডত খাপ খাই ধৰিলেগৈ।

জয়প্ৰকাশে বাকী কেইজনক ক'লে প্ৰথমে তেওঁৱেই বিপদ মূৰ পাতি ল'ব আৰু জাঁপ মাৰিব। তেওঁ ৰছীডাল পৰীক্ষা কৰি পতিয়ন গ'ল যে সেইডাল ছিঙি নাযায়। তেওঁ দেৱালখন বগাই গ'ল, কিছু সময়ৰ বাবে দেৱালৰ ওপৰত থিয় হৈ থাকিল আৰু তাৰ-পাছত শুকান পাতৰ দ'মৰে কোমল হৈ থকা

**চান্দমামা কুইজ-১০ নৱেম্বৰ ২০০৮:**
আমাৰ অসমীয়া সংস্কৰণৰ কোনো পাঠকৰে প্ৰেৰিত আটাইবোৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ পোৱা নগ'ল। সেয়েহে কোনো পুৰস্কাৰ দিয়া হোৱা নাই। আমাৰ পাঠসসকলৰ সুবিধাৰ্থে, কুইজ-১০ৰ উত্তৰসমূহ দিয়া হৈছে ৪৫ পৃষ্ঠাত। চান্দমামা কুইজ প্ৰতিযোগিতাত অবিৰতভাৱে ভাগ লৈ থাকিবা, এই আশাৰে।

মাটিলৈ জাঁপ মাৰিলে। বাকী কেইজনেও একেটা কামকে কৰিলে। তেওঁলোক মুঠতে আছিল পাঁচজন।

তেওঁলোকে ইজনে সিজনক আলিঙ্গন কৰিলে আৰু জেলৰ দেৱালৰপৰা দূৰলৈ আঁতৰি গ'ল। হঠাতে তেওঁলোক বৈ গ'ল। সকলোৱে নিজৰ নিজৰ টোপোলাবোৰ এৰি থৈ গৈছিল যাতে দেৱাল বগাবলৈ অসুবিধা নহয়। কিন্তু সময় খৰচ কৰি লাভ নাই। জোনৰ ক্ষীণ পোহৰত গছৰ মাজে মাজে তেওঁলোকে এটা বাট বিচাৰি পালে আৰু এটা বোকাময় ৰাস্তাইদি গোটেই নিশা খোজ কাঢ়ি থাকিল। ভাগৰ লগা সত্ত্বেও তেওঁলোক বৈ নগ'ল। কাহিলি পুৱাৰ সময়ত তেওঁলোকে এডোখৰ মুকলি ঠাই পালেগৈ। কিন্তু হঠাতে এখন উৰাজাহাজৰ শব্দ শুনিলে আৰু সেইখন মূৰৰ ওপৰত দেখা পালে। শব্দটো মাৰ নোযোৱালৈকে তেওঁলোক গছৰ আঁৰত লুকাই থাকিল আৰু তাৰপাছত আগবাঢ়ি গ'ল।



সোনকালেই তেওঁলোকে এটা ভাল ৰাস্তা দেখা পালে। তেওঁলোকে সেইফালেই আহি থকা কেইখন মান গৰুগাড়ী ৰাখি তাত উঠি যাব খুজিলে। গাড়ীচালক সকলে মন কৰিলে তেওঁলোকে পিন্ধি থকা কয়দীৰ পোছাক। তেওঁলোক অপৰাধী নেকি বাৰু? গাড়ীচালক সকলে গম পালে যে তেওঁলোক ৰাজনৈতিক বন্দীহে। সৌভাগ্যক্ৰমে, এজন চালকে জয়প্ৰকাশ নাৰায়ণক চিনি পালে।

গাড়ীবোৰ প্ৰথমখন গাঁও আহি পোৱাৰ লগে লগে পলাতক কয়দী কেইজনে ভালকৈ গা ধুলে আৰু গাঁওবাসীসকলে নতুন কাপোৰ আৰু সতেজ খাদ্য দিলে। ৰাস্তালৈ ওলাই আঁহোতে তেওঁলোকক পাগুৰী মাৰি থকা সাধাৰণ কৃষক যেন লাগিছিল। তেওঁলোকৰ কান্ধত আছিল কুঠাৰ। ইফালে, কৰ্তৃপক্ষই চলোৱা ব্যাপক তালাচী অভিযানে কোনো ফল নিদিলে। জয়প্ৰকাশ আৰু তেওঁৰ সাহসী কমৰেডসকল তাৰ পাছৰ পাঁচ বছৰলৈকে মুকলি হৈ থাকিল।

সেই পাঁচ বছৰত জয়প্ৰকাশে গয়া আৰু বেনাৰসৰ মাজত অহা যোৱা কৰিছিল। ব্ৰিটিছক খেদিবলৈ তেওঁ এটা আত্মগোপনকাৰীৰ সংগ্ৰাম আৰম্ভ কৰিছিল আৰু মুক্তি সংগ্ৰাম চলাই নিছিল। প্ৰচণ্ড সাহস আৰু নিভাঁজ দেশপ্ৰেমৰ গৰাকী জয়প্ৰকাশক মানুহে মৰমতে মাতিছিল লোক নায়ক বুলি, তেওঁ অৱশ্যে নিজকে লোক সেৱক বুলি ক'বলৈহে ভাল পাইছিল।

*– আৰ. কে.*

# ক্রিকেটৰ এভাৰেষ্টত শচীন

বিশ্ববিখ্যাত বক্সিঙ চেম্পিয়ন মহম্মদ আলিয়ে অকণো সংকোচ নকৰাকৈ ঘোষণা কৰিব পাৰে, "মই হ'লো শ্ৰেষ্ঠতম!" শচীন তেণ্ডুলকাৰৰ কথা বতৰাত কিন্তু তাৰ বিপৰীতে দেখা যায় বিনয়, নিজকে তেওঁ কেতিয়াও ক্ৰিকেটৰ সৰ্বশ্ৰেষ্ঠ খেলুৱৈ বুলি ক'ব নোখোজে। কিন্তু তেওঁ যে সৰ্বশ্ৰেষ্ঠ তাত সন্দেহ নাই। যোৱা ১৭ অক্টোবৰত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা মহালি ক্ৰিকেট টেষ্টত তেওঁ বিশ্ব ক্ৰিকেটৰ আদৰ্শ খেলুৱৈ হৈ উঠে। ৱেষ্ট ইণ্ডিজৰ ব্ৰায়ান লাৰাৰ ১১,৯৫৩ সৰ্বাধিক টেষ্ট ৰাণৰ ৰেকৰ্ড শচীনে ভাঙিব পাৰিব বুলি আশা কৰা হৈছিল। শচীনে বেট ধৰিবলৈ যাঁওতে সেই ৰেকৰ্ড ভাঙিবলৈ তেওঁক লাগিছিল মাত্ৰ ১৫ ৰাণ। চাহবিৰতিৰ পৰলৈকে তেওঁ ১৩ ৰাণ কৰে। পিটাৰ ছিডলৰ প্ৰথমটো বল কোবাই তেওঁ ৰাণ ল'বলৈ বুলি দৌৰিবলৈ আৰম্ভ কৰে। দুই ৰাণ, তাৰ পাছত তেওঁ তিনি ৰাণ কৰে। এতিয়া তেওঁ সৰ্বাধিক টেষ্ট চেঞ্চুৰী (৪১) আৰু এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট চেঞ্চুৰী (৪২) কৰা ৰেকৰ্ডৰ অধিকাৰী। এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলত তেওঁ কৰিছে ১৬৩৬১ ৰাণ। ১৬ বছৰ বয়সত তেওঁ জীৱনৰ প্ৰথমখন টেষ্ট খেলে। ক্ৰীড়াপ্ৰেমীয়ে মৰমতে "লিটলমাষ্টাৰ" বুলি মতা, বম্বেত জন্ম এই ক্ৰিকেটাৰজন ২৫ খন টেষ্টত ভাৰতীয় দলৰ কেপ্টেইন আছিল। প্ৰচণ্ড প্ৰেম আৰু অধ্যৱসায়েই তেওঁৰ এই সাফল্যৰ কাৰণ। তেওঁ লগতে এদিনীয়া খেলত ১০০টা উইকেট আৰু ১০০টা কেট্চ ধৰা ৰেকৰ্ডৰো অধিকাৰী। জনপ্ৰিয় ধাৰাভাষ্যকাৰ হৰ্ষ ভোগলেৰ ভাষাৰে ক'বলৈ গ'লে, "শচীন আজি থিয় হৈছে ক্ৰিকেটৰ এভাৰেষ্টত।"

টোকা: শচীনে যোৱা ডিচেম্বৰত চেন্নাইত তেওঁৰ টেষ্ট জীৱনৰ ৪১ সংখ্যক চেঞ্চুৰী কৰে।

## চন্দ্ৰত মানৱবিহীন কৃত্ৰিম উপগ্ৰহ

**ভা**ৰতে চন্দ্ৰলৈ নিজৰ মহাকাশযান পঠিয়াইছে। যানখনৰ নাম হ'ল চন্দ্ৰায়ন ১। সংস্কৃতত চন্দ্ৰায়নৰ অৰ্থ হ'ল 'চন্দ্ৰ যান'। চন্দ্ৰৰ বিষয়ে অধিক কথা জানিবলৈকে এই অভিযান হাতত লোৱা হৈছে। ১১টা পেল'ড কঢ়িয়াই লৈ যোৱা ১৩৮০ কিলোগ্ৰাম ওজনৰ চন্দ্ৰায়ন-১ যোৱা ২২ অক্টোবৰত পিত্ৰছএলভি চি১১ৰ উৎক্ষেপণৰ ১৮.২ মিনিটৰ পাছত হস্তান্তৰ কক্ষত স্থাপন কৰা হয়। যানখনে অহা দুবছৰলৈকে চন্দ্ৰৰ ওপৰত অন্বেষণ কাৰ্য চলাব। ৪,০০,০০০ কিলোমিটাৰৰ চন্দ্ৰলৈ কৰা এই যাত্ৰাপথত যানখনক কেইবাটাও পৰ্যায়ত তাৰ চূড়ান্ত অৱস্থানলৈ নিয়া হয়। যোৱা ১২ নৱেম্বৰত, যানখনে চন্দ্ৰৰপৰা প্ৰায় ১০০ কিলোমিটাৰ দূৰত ইয়াৰ চূড়ান্ত কক্ষপথত অৱস্থান লাভ কৰে।

## সৰ্বকনিষ্ঠ বিজেতা

**প্ৰ**তি বছৰে, মেন বুকাৰ এৱাৰ্ড দিয়া হয় শ্ৰেষ্ঠ কল্পকাহিনীৰ বাবে। এই বছৰ এই সন্মানজনক বঁটা লাভ কৰিছে ভাৰতৰ অৰবিন্দ আদিগাই তেওঁৰ প্ৰথম উপন্যাস, *দ্য হোৱাইট টাইগাৰৰ* বাবে। ২০০৮ চনৰ বঁটাৰ বাবে চূড়ান্ত বাচনি লাভ কৰা সকলৰ ভিতৰত আদিগা (৩৪ বছৰ) আছিল সৰ্বকনিষ্ঠ। ৫০,০০০ পাউণ্ডৰ এই বঁটা বিশ্বৰ অন্যতম সন্মানজনক সাহিত্যিক বঁটা যিটো দিয়া হয় ব্ৰিটেন, আয়াৰলেণ্ড বা আন যিকোনো কমনৱেলথ দেশৰ লিখকে ইংৰাজী ভাষাত লিখা উপন্যাসৰ বাবে।

অৰবিন্দ আদিগাৰ জন্ম হৈছিল মাদ্ৰাজত (এতিয়াৰ চেন্নাই) ১৯৭৪ চনত। তেওঁ ভাৰত আৰু অষ্ট্ৰেলিয়াত স্কুলীয়া শিক্ষা লাভ কৰে। পিছত তেওঁ কলম্বিয়া বিশ্ববিদ্যালয়, নিউইয়ৰ্ক আৰু মাগডালেন কলেজ, অক্সফৰ্ডত ইংৰাজী সাহিত্য অধ্যয়ন কৰে। *দ্য ফাইনেন্সিয়েল টাইমচ* আৰু *দ্য ইণ্ডিপেনডেন্টৰ* দৰে ব্ৰিটিছ কাকতত তেওঁৰ ৰচনা প্ৰকাশ পাইছে। মেন বুকাৰ বঁটা পূৰ্বতে লাভ কৰা ভাৰতীয় লেখকসকল হ'ল ভি এচ নাইপুল, ছালমন ৰুশ্বডি, অৰুন্ধতী ৰয় আৰু কিৰণ দেশায়।

# দেৱধৰ্ম

বহু শতাব্দীৰ আগৰ কথা, কাশী ৰাজ্যত এজন ধৰ্মপৰায়ণ ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ দুজন পুত্ৰ আছিল। ডাঙৰজনৰ নাম আছিল মহিংচাচ আৰু সৰুজনৰ নাম আছিল চন্দ্ৰকুমাৰ। মহিংচাচেই আছিল বোধিসত্ত্ব। চন্দ্ৰকুমাৰ সৰু হৈ থাকোতেই পাটৰাণীৰ দেহাৱসান ঘটিছিল।

কিছু সময়ৰ পাছত ৰজাই আৰু এগৰাকী যুৱতীক বিয়া কৰাই তেওঁক পাটৰাণী কৰে। নতুন ৰাণী ৰজাৰ অত্যন্ত প্ৰেমপাত্ৰী আছিল। এবছৰৰ পাছত নতুন ৰাণীয়ে এটি পুত্ৰ সন্তান জনম দিলে। ৰজাই তেওঁৰ এই তৃতীয় পুত্ৰৰ নাম ৰাখিলে সূৰ্যকুমাৰ। তেওঁ প্ৰসন্ন হৈ পাটৰাণীক সুধিলে, "তুমি তোমাৰ পুত্ৰৰ বাবে কিবা বৰ মাগিব খোজা যদি কোৱা।"

"আজি নহয় মহাৰাজ! সময় আহিলে মই নিজেই মাগিম বাৰু।" ৰাণীয়ে উত্তৰ দিলে।

এনেকৈ কেইবাটাও বছৰ পাৰ হৈ গ'ল। সূৰ্যকুমাৰ লাহে লাহে ডাঙৰ হৈ আহিল। এদিন মহাৰাজে ভোজন কৰি উঠি বিশ্ৰাম লৈ আছিল আৰু তেতিয়া পাটৰাণীয়ে ৰজাক মনত পেলাই দিলে, "স্বামী, আপুনি মোৰ পুত্ৰজন্মৰ সময়ত মোক এটা বৰ মাগিবলৈ কৈছিল। এতিয়া আপুনি সেই পূৰ্ব প্ৰতিশ্ৰুতি পালন কৰক আৰু মোৰ পুত্ৰক ৰাজসিংহাসনত অধিষ্ঠিত কৰক।"

ৰজা বাকৰুদ্ধ হৈ পৰিল পাটৰাণীৰ এই কথা শুনি। "অগ্নিশিখাৰ দৰে প্ৰকাশিত দুটি জ্যেষ্ঠ পুত্ৰ থাকোতে তোমাৰ পুত্ৰৰ ৰাজ্যাভিষেক কৰাটো কদাপি সম্ভৱ নহয়।" ৰজাই দ্ব্যৰ্থহীন ভাষাত উত্তৰ দিলে।

এই ঘটনাৰ পাছত ৰজাৰ মনত সংশয় হ'ল যে পাটৰাণীয়ে তেওঁৰ দুই জ্যেষ্ঠ পুত্ৰৰ কিবা অহিত সাধন কৰিব পাৰে। সেই কাৰণে এদিন ৰজাই মহিংচাচ আৰু চন্দ্ৰকুমাৰক মতাই আনি ক'লে, "মোৰ প্ৰিয় পুত্ৰসকল! মই সূৰ্যকুমাৰৰ জন্মৰ সময়ত তোমালোকৰ মাহী আইক এক

জাতক কথা

বৰ দিম বুলি প্ৰতিশ্ৰুতি দিছিলো। এতিয়া তেওঁ সূৰ্যকুমাৰৰ বাবে ৰাজসিংহাসন বিচাৰিছে। মই এনে এটা অনুচিত কাম কৰিব নোৱাৰো। কিন্তু স্ত্ৰীবুদ্ধি কেতিয়াবা প্ৰলয়াত্মক হয়। তেওঁ তোমালোক দুয়োকে অপকাৰ কৰিব পাৰে। সেয়েহে তোমালোক দুয়ো এতিয়াই অৰণ্যলৈ গুচি যোৱাগৈ। মোৰ মৃত্যুৰ খবৰ পালেই ঘূৰি আহিবা আৰু এই ৰাজ্যত শাসন চলাবাহি।"

সূৰ্যকুমাৰে এই গোটেইবোৰ কথা একোৱেই নাজানিছিল। যেতিয়া তেওঁ দেখিলে যে তেওঁৰ দুয়ো ককায়েকে ৰাজভৱন এৰি ক'ৰবাত যাবলৈ প্ৰস্তুতি চলাইছে তেতিয়া সূৰ্যকুমাৰেও তেওঁলোকৰ লগতে যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। ককায়েকহঁতে সন্মতি দিয়াৰ লগে লগে তেওঁও সাজু হৈ ওলাল আৰু ককায়েক-হঁতৰ লগত ৰাজপ্ৰাসাদৰপৰা ওলাই গ'ল।

তিনিও ভ্ৰাতৃ হিমালয়ৰ বনাঞ্চল পালেগৈ। বোধিসত্ত্ব এজোপা ঘন বৃক্ষৰ তলত বহি ল'লে আৰু সূৰ্যকুমাৰক ক'লে, "সূৰ্য তুমি গৈ সমুখৰ সৰোবৰত স্নান কৰাগৈ, নিজৰ তৃষ্ণা দূৰ কৰাগৈ আৰু তাৰপাছত পদুমৰ পাতত পানী ভৰাই আমাৰ বাবে লৈ আঁহাগৈ।"

সেই সৰোবৰত এটা জলৰাক্ষস যক্ষ বাস কৰিছিল। এই সৰোবৰ সেই যক্ষক দি কুবেৰে বুজাইছিল, "যক্ষ শুনা! যদিহে এই সৰোবৰত নমা ব্যক্তিয়ে দেৱধৰ্ম জানে তেন্তে তেওঁক এৰি দিবা। কিন্তু ইয়াত নমা যিসকলে দেৱধৰ্ম নাজানে তেওঁলোকক নিশ্চয় ভক্ষণ কৰিবা। লগতে এটা কথা মনত ৰাখিবা যে যিজন সৰোবৰত নানামে তেওঁক যাতে কোনো ধৰণৰ হানি কৰা নহয়।"

সেই তেতিয়াৰেপৰা বহুত মনুষ্য সেই জলৰাক্ষসৰ গ্ৰাসত পৰিছিল। যেতিয়াই কোনোবা আহি সৰোবৰত নামেহি তেতিয়া যক্ষই সোধে, "দেৱধৰ্ম কি?" আৰু তাৰ কোনো উত্তৰ নাপালে সেই মানুহজনক যক্ষই ভক্ষণ কৰে। আজি সূৰ্যকুমাৰ সেই সৰোবৰত নমাৰ লগে লগে যক্ষই তেওঁক সুধিলে, "দেৱধৰ্ম কি তুমি জানানে বাৰু?"

"হয়, হয়! জানো। দেৱধৰ্মৰ অৰ্থ হ'ল সূৰ্য আৰু চন্দ্ৰ," সূৰ্যকুমাৰে উত্তৰ দিলে।

"নহয়! দেৱধৰ্ম কি সেই কথা তুমি মুঠেই নাজানা!" এইবুলি কৈ যক্ষই সূৰ্যকুমাৰক নিজৰ জলভৱনলৈ লৈ গ'ল।

সূৰ্যকুমাৰৰ ইমান বিলম্ব হোৱা দেখি মহিংছাছ বোধিসত্ত্বই চন্দ্ৰকুমাৰক সৰোবৰৰ ওচৰলৈ পঠিয়ালে! যক্ষই তেওঁকো ধৰি থ'লে আৰু সুধিলে, "দেৱধৰ্ম অৰ্থ কি?"

চন্দ্ৰকুমাৰে ক'লে, "দেৱধৰ্মৰ অৰ্থ হ'ল চাৰি দিশ।"

যক্ষই ক'লে, "তুমিও দেৱধৰ্ম কি নাজানা।" আৰু তেওঁকো যক্ষই নিজৰ জলভৱনলৈ লৈ গ'ল।

চন্দ্ৰকুমাৰো বহুত সময়লৈ ঘূৰি নহা দেখি বোধিসত্ত্বই গম পালে যে তেওঁৰ দুয়ো ভায়েক নিশ্চয় বিপদত পৰিছে। তেওঁ উঠিল আৰু কালবিলম্ব নকৰি সৰোবৰৰ অভিমুখে গ'ল। সৰোবৰৰ পাৰত তেওঁ দুজন মানুহৰ ভৰিৰ ছাপ দেখা পালে যি দুটা ছাপ সৰোবৰ পালীলৈকে দেখা গৈছিল কিন্তু পানীৰ পৰা ঘূৰি অহাৰ কোনো চিন দেখা নগ'ল।

বোধিসত্ত্বই ভাবিলে এই সৰোবৰত নিশ্চয় কোনোবা ৰাক্ষস বাস কৰে। তেওঁ খাপৰপৰা তৰোৱাল উলিয়াই ল'লে আৰু যুদ্ধৰ বাবে সাজু হৈ থিয় হ'ল।

বোধিসত্ত্ব সৰোবৰৰ পানীত নমা নাছিল। সেয়েহে সেই যক্ষই এক বনবাসী তপস্বীৰ বেশ ধৰি বোধিসত্ত্বৰ সমুখলৈ আহি ক'লে, "মহানুভৱ! আপোনাক তৃষ্ণাতুৰ যেন লাগিছে, তথাপিও আপুনি সৰোবৰত নামি স্নান কৰা নাই বা পানী খোৱা নাই কিয়? আপুনি এইদৰে সৰোবৰৰ পাৰত থিয় হৈ আছে কিয়?"

বোধিসত্ত্বই ভাবিলে তেওঁৰ সমুখত তপস্বীৰ ছদ্মবেশ ধৰি থিয় হৈ থকা এই পুৰুষেই নিশ্চয় যক্ষৰাক্ষস হ'ব। সেয়েহে তেওঁ পোনে পোনেই এটা প্ৰশ্ন কৰিলে, "তুমিয়েই বাৰু মোৰ দুই ভ্ৰাতৃক ধৰি লৈ গ'লা নেকি?"

"হয় মহাশয়, ময়েই তেওঁলোকক ধৰি লৈ গৈছো।" যক্ষই ক'লে।

"তুমি এনে কাম কিয় কৰিলা?" বোধিসত্ত্বই আকৌ সুধিলে।

"এই সৰোবৰত যিয়েই ভৰি থয় তেওঁৱেই মোৰ অধীন হয়।" যক্ষই উত্তৰ দিলে।

"তাৰ মানে সৰোবৰত নমা যিকোনো মানুহেই তোমাৰ বশ্যতা স্বীকাৰ কৰিব লাগে, নহয় জানো?"

"যি মনুষ্যই দেৱধৰ্ম কি সেই কথা নাজানে তেওঁ মোৰ অধীন হ'বই লাগিব।" যক্ষই উত্তৰ দিলে।

"তুমি জানিব খোজা যদি দেৱধৰ্মনো কি সেই কথা মই তোমাক ক'ব পাৰো।" মহিংচাচ বোধিসত্ত্বই ক'লে।

"মই শুনিব খোজো।" যক্ষই ক'লে।

"নিন্দালৈ ভয় কৰি চলা, শুভ কাম কৰা, প্ৰেমময় আৰু শান্ত প্ৰকৃতিৰ উত্তম পুৰুষে পালন কৰা ধৰ্মই হ'ল দেৱধৰ্ম।" বোধিসত্ত্বই ক'লে।

বোধিসত্ত্বৰ উত্তৰ শুনি যক্ষ সন্তুষ্ট হ'ল। তেওঁ বোধিসত্ত্বক আদৰ সৎকাৰ কৰি সুধিলে, "মই আপোনাৰ প্ৰতি সন্তুষ্ট হৈছো। আপোনাৰ দুই ভ্ৰাতৃৰ মাজত এজনক মই ঘূৰাই দিব পাৰো। আপুনি কোনজনক ঘূৰাই বিচাৰে?"

"মোৰ সবাতোকৈ সৰু ভাই সূৰ্যকুমাৰক।" বোধিসত্ত্বই ক'লে। তাকে শুনি যক্ষই ক'লে, "হে বিজ্ঞপুৰুষ, আপুনি দেৱধৰ্ম কি সেই কথা ভালকৈ জানে ঠিকেই, কিন্তু তাক পালন কৰিবহে নাজানে।"

"সেইটো কেনেকৈ?" বোধিসত্ত্বই প্ৰশ্ন কৰিলে।

"আপুনি আপোনাৰ দুয়োভাইৰ মাজত ডাঙৰটোক এৰি সৰুটোকহে বিচাৰিছে আৰু এইদৰে আপুনি ডাঙৰটোক অনাদৰ কৰিছে।" যক্ষই ক'লে।

"যক্ষ, মই দেৱধৰ্ম পালন কৰো বুলিয়েই মই এই অনুৰোধ কৰিছো। মই মোৰ সৰু ভাইৰ বাবেই এনেকৈ বনলৈ আহিব লগীয়া হ'ল। মেৰ মাহীআইয়েও এওঁৰ বাবে আমাৰ পিতৃৰ ৰাজসিংহাসন বিচাৰিছিল। পিতাই আমাৰ অমংগলৰ আশংকা কৰি আমাক কিছুদিনৰ বাবে বনত থাকিবলৈ আজ্ঞা দিছিল। এতিয়া এনে পৰিস্থিতিত মই যদি মোৰ সৰু ভাইটো নোহোৱাকৈ ৰাজধানীলৈ ঘূৰি যাওঁ, তেন্তে সমগ্ৰ ঘটনাৰ কথা শুনাৰ পাছত কোনে এই কথা বিশ্বাস কৰিব যে আমি দুয়ো ভাই কুশলে থাকিলো আৰু মাহীআইৰ সন্তানক কোনোবা যক্ষই ভক্ষণ কৰিলো।" বোধিসত্ত্বই ক'লে।

"সাধু, সাধু! মহানুভৱ! আপুনি কেৱল দেৱধৰ্ম জনাই নহয়, বৰঞ্চ এই বিষয়ে আপোনাৰ সম্পূৰ্ণ ব্যৱহাৰিক জ্ঞান আছে। যক্ষই বোধিসত্ত্বক ভূৰি ভূৰি প্ৰশংসা কৰিলে আৰু তাৰপাছত দুয়ো কুমাৰক জলভৱনৰপৰা আনি মহিংচাচৰ হাতত অৰ্পণ কৰিলেহি। তিনিও ভাই বননিবাস কৰি কিছু সময় তাতে কটালে। এদিন তেওঁলোকে খবৰ পালে যে তেওঁলোকৰ পিতৃৰ পৰলোক প্ৰাপ্তি ঘটিছে। যুৱৰাজ মহিংচাচে দুয়ো ভায়েকক চন্দ্ৰকুমাৰ আৰু সূৰ্যকুমাৰক লগত লৈ কাশীলৈ ঘূৰি গ'ল। বোধিসত্ত্ব মহিংচাচে চন্দ্ৰকুমাৰক যুৱৰাজ আৰু সূৰ্যকুমাৰক সেনাপতি পদত নিযুক্তি দিলে। বহুত বছৰলৈকে তেওঁ দুয়ো ভ্ৰাতৃৰ সহযোগত শান্তিপূৰ্ণভাৱে ৰাজ্য শাসন কৰিলে।

# ৰামায়ণ

হনুমানৰ বৃত্তান্ত শুনি ৰাম বৰ সন্তুষ্ট হ'ল আৰু তেওঁ ক'লে, "যি কঠিন কাম হনুমানে কৰিছে, সেই কাম তেওঁৰ বাহিৰে আন কোনে কৰিব পাৰে। কৰাটো দূৰেৰে কথা, আনকি কোনেও ইয়াৰ কল্পনাও কৰিব নোৱাৰে। গৰুড় পক্ষী, বায়ুদেৱতা আৰু হনুমানৰ বাহিৰে আন কাৰোপক্ষে সমুদ্ৰ পাৰ কৰাটো সম্ভৱ নহয়। কেৱল সেয়েই নহয়, হনুমান সেই লংকাত গৈ উপস্থিত হ'লগৈ, য'ত প্ৰৱেশ কৰাটো দেৱতাৰ পক্ষেও অসাধ্য। কেৱল প্ৰৱেশ কৰাই নহয়, তেওঁ জীৱিত অৱস্থাত তাৰপৰা প্ৰস্থানো কৰিব পাৰিলে। তেওঁ অশোক বন নাশ কৰা, শক্তিশালী ৰাক্ষসক অৱলীলাক্ৰমে সংহাৰ কৰা, লংকা দগ্ধ কৰা আদি আশ্চৰ্যজনক কামো সম্পন্ন কৰি আহিল। এই হনুমানেই আমাক হৈ সীতাকো প্ৰবোধ দি আহিল। ইমানবোৰে অসাধাৰণ কাৰ্যৰ বিনিময়ত মই তেওঁক কৃতজ্ঞতাৰ চিনস্বৰূপে যিহকে নিদিওঁ কিয়, তেওঁৰ এই ঋণ মই আজীৱন পৰিশোধ কৰিব নোৱাৰিম। এইবোৰ একোকে নকৰি মই তেওঁক গভীৰ চেনেহেৰে আলিংগন কৰিব খোজো।" এইবুলি কৈ ৰামে হনুমানক আকোৱালি ধৰিলে।

তাৰপাছত ৰামে সুগ্ৰীৱক ক'লে, "সীতা ক'ত আছে সেইটো বাৰু আমি জানি ল'লো, কিন্তু সমুদ্ৰৰ কথা মনলৈ আহিলেই মোৰ হৃদয় কঁপি উঠিব খোজে।। এই বিশাল সমুদ্ৰ পাৰ কৰা যায় কেনেকৈ? ৰামৰ লগতে লক্ষ্মণকো এই একেটা চিন্তাই খুলি খুলি খাইছিল।

তেতিয়া সুগ্ৰীৱে ৰামৰ ফালে মুখ কৰি

যুদ্ধকাণ্ড-১



ক'লে, "আপুনি অনাহকতে উদ্বিগ্ন হৈছে কিয় প্ৰভু? আমি যদি সমুদ্ৰত সেতু বান্ধি আনটো পাৰলৈ যাব পাৰো তেন্তে ৰাৱণৰ মৃত্যু অনিবাৰ্য বুলি ধৰি থওক। সমুদ্ৰত সেতু নিৰ্মাণ নকৰাকৈয়ে লংকা জয় কৰাটো আমিহে নালাগে দেৱতাৰ পক্ষেও অসম্ভৱ। সেয়েহে অমূলক চিন্তা পৰিহাৰ কৰি আমি এতিয়া কি কৰা উচিত সেই বিষয়ে চিন্তা চৰ্চা কৰাটোহে সমীচিন হ'ব। আপুনি যে বিজয় লাভ কৰিব তাত বিন্দুমাত্ৰও সন্দেহ নাই।

সুগ্ৰীৱৰ এই প্ৰেৰণাদায়ক কথাখিনি শুনি ৰামে ক'লে, "তপস্যা কৰি, নাইবা সেতু নিৰ্মাণ কৰি বা সমুদ্ৰৰ পানী শুকুৱাই, মুঠতে চলে বলে কিম্বা কৌশলে, লংকাত আমি উপস্থিত হ'বই লাগিব। এই বিষয়ে চিন্তা কৰি আমি সময় অপব্যয় কৰাটো মুঠেই সমীচিন নহ'ব বুলিয়েই মই ভাবো।"

তাৰ পাছত তেওঁ হনুমানক সুধিলে, "তুমি এতিয়া কোৱাচোন লংকাত কিমান দুৰ্গ আছে? তাত সৈন্যৰ সংখ্যাবা কিমান? তাত পহৰাৰ ব্যৱস্থা কোনে ধৰণৰ? প্ৰাচীৰ আদিৰ বিষয়ে তুমি মোক সবিস্তাৰে কোৱা।"

হনুমানে তৎক্ষণাৎ ক'লে, "লংকাত সকলো সন্তুষ্ট, ক'তো অসন্তুষ্টিৰ লেশমাত্ৰও মোৰ চকুত নপৰিল। আকাৰত লংকা বিশাল নগৰী, তাত পৰ্যাপ্ত সংখ্যক চাৰিওবিধ সেনা আছে। লংকাৰ আছে চাৰিখন বিশাল দ্বাৰ। প্ৰতিখন দ্বাৰৰ ওচৰত শত্ৰুক বিনাশ কৰিবলৈ পাথৰ দলিয়াব পৰা ডাঙৰ ডাঙৰ যন্ত্ৰ লগোৱা আছে। শ শ মানুহক সংহাৰ কৰিব পৰা টোপ আছে। নগৰৰ চাৰিওফালে অলংঘ্য প্ৰাচীৰ আছে। তাৰপাছত আছে সুগভীৰ খাল। সেইবোৰ খাল পাৰ হ'বলৈ দ্বাৰৰ ওচৰত কাঠৰ দলঙ আছে। সেইবোৰ যন্ত্ৰৰ সহায়ত আনিব পৰা যায় আৰু তললৈ নমাব পৰা যায়। শত্ৰু অহা দেখিলে যদি সেই দলঙবোৰ যন্ত্ৰৰদ্বাৰা ওপৰলৈ উঠাই দিয়া যায় তেন্তে সেই দ খাৱৈবোৰ পাৰ কৰাটো অসম্ভৱ কথা। ৰাৱণে সদায়ে সতৰ্কতাক গুৰুত্ব দিয়ে। শত্ৰুৰ ভয় নথকা সত্বেও তেওঁ নিজৰ সেনাবাহিনীক সদায়ে সষ্টম কৰি ৰাখে। চাৰিওফালৰপৰা স্বৰ্ণলংকা সুৰক্ষিত হৈ থাকে। তাতে লংকাৰ চাৰিওফালে আছে মহাসমুদ্ৰ। লংকা যিহেতু সুউচ্চ ত্ৰিকূট পৰ্বতত আছে, গতিকে লংকা গৈ পোৱাৰ আগতে সেই পৰ্বতত আৰোহণ কৰাটো প্ৰয়োজনীয়। এইটো হ'ল দ্বিতীয় সমস্যা, আৰু তৃতীয় সমস্যা হ'ল তাৰ সুগভীৰ জংঘল আৰু লগতে দ খাৱৈ, দলঙ উঠা নমা

কৰা যন্ত্ৰ, টোপ আদিৰ বাহিৰেও দ্বাৰবোৰৰ ওচৰত আৰু চহৰতো কোটি কোটি যোদ্ধা আছে। মই দ খাৰৈৰ ওপৰৰ দলংবোৰ নষ্ট কৰি পেলাইছো আৰু খাৰৈবোৰ মাটিৰে ভৰাই দিছো।

"বহুত প্ৰাচীৰো ধ্বংস কৰি দিছো। অনেক পৰাক্ৰমী ৰাক্ষসক নিধন কৰিছো। গতিকে এতিয়া লংকাক বশ কৰাটো সিমান কঠিন কাম নহ'ব বুলিয়েই মই ভাবো। বিশাল সেনাবাহিনী লৈ যোৱাৰো প্ৰয়োজন নাই। অংগদ, দ্বিবিদ, মৈন্দ, জাম্বৱন্ত, মনস্, নল আৰু সেনাপতি নীলেই যথেষ্ট হ'ব। যদিহে এওঁলোকে বিচাৰে তেন্তে সমগ্ৰ লংকাক, ৰাক্ষসসকলৰ সৈতে উঠাই আনিব পৰা যাব। অংগদ আদিক আজ্ঞা দি যুদ্ধযাত্ৰাৰ বাবে এটা শুভমুহূৰ্ত ঠিক কৰাৰ কৃপা কৰক।"

ৰামে এই সকলোবোৰ কথা শুনাৰ পাছত ক'লে, "হয়নে, এই লংকা নাশ কৰিব পৰা যাব।" তাৰপাছত ৰামে সুগ্ৰীৱক ক'লে, "আপুনি এই মুহূৰ্ত্ততে সেনা লৈ বলক। ঠিক দুপৰীয়াৰ সময় হৈছে। এইটো শুভ মুহূৰ্ত্ত। আমাৰ নিশ্চয় কাৰ্যসিদ্ধি হ'ব। কেৱল সেয়াই নহয় আজি উত্তৰ ফাল্গুনী নক্ষত্ৰৰ দিন। যিহেতু মোৰ জন্মনক্ষত্ৰ পুনৰ্বসু, সেয়েহে এই নক্ষত্ৰ মোৰ বাবে অনুকূল আৰু লক্ষ্মণেও বহুতো শুভ লক্ষণ দেখা পাইছে। গতিকে কালবিলম্ব নকৰি তৎক্ষণাৎ ওলাই যোৱাটোহে মই উচিত হ'ব বুলি ভাবো।"

ৰামে বানৰ সেনানায়ক নীলক ক'লে যে বানৰ সেনাবাহিনীত কোন কোন আগত থাকিব আৰু কোন বান্দৰ যোদ্ধাই কি কাম কৰিব লাগিব।

যাত্ৰাপথত শত্ৰুৰপৰা কেনেকৈ সাৱধানে থাকিব লাগিব, ইত্যাদি, যেনে বান্দৰৰ যাত্ৰাপথত ৰাক্ষসে বান্দৰৰ আহাৰ ফল ফুল আদি নষ্ট কৰিব পাৰে। সমতলত নদী পাৰ হ'বলৈ লোৱাৰ সময়ত ৰাক্ষসে ঘেৰি লৈ বান্দৰবোৰক মাৰিবলৈ চেষ্টা কৰিব পাৰে। এনেকুৱা কোনো বিপদ যাতে আহে সেইটো সুনিশ্চিত কৰাৰ দায়িত্ব হ'ব আগত যোৱা বান্দৰ সেনা-বোৰৰ।" সুগ্ৰীৱই গোট থাবলৈ আদেশ দিয়াৰ লগে লগে যুদ্ধ কৰিবলৈ উৎসুক হৈ থকা বান্দৰসকল গুহাৰপৰা, পাহাৰৰপৰা, আৰু গছৰপৰা নামি গোট খালেহি। বান্দৰসেনাই দক্ষিণ দিশত যুদ্ধযাত্ৰা আৰম্ভ কৰিলে।

হনুমানে ৰামক আৰু অংগদে লক্ষ্মণক কান্ধত তুলি ল'লে। তেওঁলোকৰ চাৰিওফালে অসংখ্য বান্দৰ চিঞৰ বাখৰ কৰি জঁপিয়াই

মেলি গৈ থাকিল। বানৰহঁতে চিঞৰি গৈছিল, "ৰাৱণক মাৰিব লাগে ৰাক্ষসক মাৰিব লাগে।" মহাপৰাক্ৰমী বানৰোত্তম ঋষভ, নীল, কুমুদ আদি বিশাল সেনাবাহিনীৰ আগে আগে গৈ থাকিল।

ৰাস্তাত লক্ষ্মণে ৰামক উৎসাহ প্ৰদান কৰি ক'লে, "এতিয়া সোনকালেই ৰাৱণ মৰিব, সীতাই মুক্তি লাভ কৰিব। তোমালোক দুয়ো অযোধ্যালৈ ঘূৰি যাব পাৰিবা। গোটেই পৰিৱেশটো এতিয়া উৎসাহজনক হৈছে। নক্ষত্ৰৰ অৱস্থিতিও আমাৰ অনুকূল হৈছে। ৰাক্ষসৰ মূল নক্ষত্ৰই ধূমকেতুক স্পৰ্শ কৰি আছে।"

ৰাস্তাত বানৰবোৰ গছৰ পৰা, গছৰ তালে তালে, জঁপিয়াই, চিঞৰি গছৰ ডাল ভাঙি, ফল মূল খাই, মৌ খাই, ক'তো নোৰোৱাকৈ, সহ্য পৰ্বত, মলয় পৰ্বত পাৰ হৈ সমুদ্ৰতট পালেগৈ।

ৰাম, লক্ষ্মণ, সুগ্ৰীৱৰ সৈতে মহেন্দ্ৰগিৰি শৃংগলৈ গ'ল য'ৰপৰা সমুদ্ৰ দেখা পোৱা যায়। তাৰপাছত পৰ্বতৰপৰা নামি সমুদ্ৰ ওচৰৰপৰা চালে। তেওঁ সুগ্ৰীৱক ক'লে, "এতিয়া আমাৰ সমুখত সমুদ্ৰই আছে। ভূমি নাই। মই কৈছিলো নহয় এই বিশাল সমুদ্ৰ পাৰ কৰিবলৈ কিবা এটা উপায় উলিয়াব লাগিব। এতিয়া সেই চিন্তা কৰাৰ সময় আহিছে। এতিয়া সেনাবাহিনীক ইয়াতে থাকিবলৈ কোৱা যাওক, কোনেও নিজৰ সেনাক এৰি দূৰলৈ নাযায় যেন। শত্ৰুৰপৰা ৰক্ষা পাবলৈ বীৰ বানৰ সকলে আন সকলোকে পহৰা দি থাকক।

সুগ্ৰীৱৰ আজ্ঞা লাভ কৰি বানৰ সেনা তিনি ভাগত বিভক্ত হ'ল। সেই সময়ত বান্দৰ বোৰে



যি ধৰণে চিঞৰ বাখৰ কৰিলে সেই শব্দত সমুদ্ৰৰ ঢৌৰ গৰ্জনো তল পৰিল। সমুদ্ৰ দেখি বান্দৰবোৰ আচৰিত হৈছিল। সিহঁতে ভাবি উলিয়াব পৰা নাছিল সমুদ্ৰ পাৰ হোৱা যাব কেনেকৈ?

বানৰ সেনাপতি নীলে সেনাৰ ব্যৱস্থা কৰিলে শাস্ত্ৰত দিয়া উত্তম বিধি অনুসাৰে। বানৰোত্তম মৈন্দ, দ্বিবিদক সেনাৰ সুৰক্ষাৰ বাবে দুয়ো ফালে নিযুক্তি দিয়া হ'ল।

সেনাৰ ব্যৱস্থা হোৱাৰ পাছত ৰামে, সীতাৰ অনুপস্থিতিত বহুত সময় দুখেৰে কটালে। লক্ষ্মণক নিজৰ দুখৰ কাৰণ বিৱৰি ক'লে। তেনেতে সূৰ্যাস্ত হ'ল। লক্ষ্মণে আশ্বাস দিয়াত ৰামে সন্ধিয়াৰ যাৱতীয় ধৰ্মাবিধি পালন কৰিলে।

ইয়াৰ মাজতে অপমানিত ৰাৱণে ৰাক্ষস নেতাসকলক কৈ আছিল শত্ৰুৰ বাবে দুৰ্ভেদ্য লংকালে এটা বান্দৰ আহিল, ডাঙৰ ডাঙৰ ৰাক্ষসক মাৰি, লংকা জ্বলাই, সি মহাপ্ৰলয়ৰ সৃষ্টি কৰিলে। এতিয়া ৰামে হাজাৰ হাজাৰ বান্দৰ লৈ আমাৰ ওপৰত আক্ৰমণ কৰিবলৈ আহি আছে।

ইয়াত সন্দেহ কৰাৰ কোনো প্ৰয়োজন নাই যে ৰাম তেওঁৰ ভায়েক লক্ষ্মণ আৰু সুগ্ৰীৱ আদিৰ লগত সমুদ্ৰ পাৰ হৈ আহিব পাৰে। তেওঁ নিজৰ শক্তিৰে সমুদ্ৰ শুকুৱাই দিব পাৰে, নহ'লে আন কিবা কৰিব। যেতিয়া বানৰ সেনা লৈ তেওঁ আমাৰ ওপৰত আক্ৰমণ কৰিব তেতিয়া লংকাক কেনেকৈ সুৰক্ষা দিয়া যাব? সকলোৱে ভালকৈ চিন্তা চৰ্চা কৰি মোক জনোৱা।"

তাকে শুনি ৰাক্ষসসকলে ক'লে, "ৰাক্ষস শ্ৰেষ্ঠ! আপুনি এই কথা লৈ চিন্তা কৰিছে কিয়? আমাৰ ওচৰত অসংখ্য সেনা আছে। আমাৰ ওচৰত শতঘ্নী, শূল, কৰৱাল আদি কিমান যে অস্ত্ৰ আছে। আপুনি আছে, যি তিনিও লোকতে নিজৰ বিজয় সাব্যস্ত কৰিছে। কুবেৰ আৰু যক্ষসকলক জয় কৰি পুষ্পক ৰথ আনিছে। যমে ভয়ভীত হৈ নিজ কন্যা মন্দোদৰীক আপোনালৈ বিয়া দিছে। বাসুকী, তক্ষক আদি নাগৰাজ আপোনাৰ অধীন, অপাৰ শক্তিমান, মায়াবী কালকেয় আপোনাৰ লগত এবছৰ যুদ্ধ কৰি শেষত পৰাজিত হৈছিল। বৰুণ আৰু যমকো আপুনি যুদ্ধত পৰাভূত কৰিছে। তেওঁৰ তুলনাত ৰামনো কোন? সেই সকলোকে পৰাভূত কৰাৰ পাছত ৰামনো কি এনে ডাঙৰ হস্তী হ'ব আপোনাৰ সমুখত? আপুনি

আপোনাৰ কথা এৰক। মহেশ্বৰ যজ্ঞ কৰি, বৰ প্ৰাপ্ত কৰি দেৱেন্দ্ৰৰ সৈতে যুদ্ধ কৰি তেওঁক বান্ধি লংকালৈ লৈ অনা ইন্দ্ৰজিত, এই কামৰ বাবে যথেষ্ট নহয়নে? তেওঁ মুহূৰ্ত্তৰ ভিতৰতে ৰাম আৰু তেওঁৰ সেনাক সংহাৰ কৰিব পাৰিব। হনুমানে কৰা ক্ষয় ক্ষতিৰ বিষয়ে বেছিকৈ নাভাবিব। সেই কথা পাহৰি যাওক।'' ৰাক্ষসসকল মূৰ্খ আছিল। সিহঁতে শত্ৰুৰ শক্তি মুঠেই অনুমান কৰিব পৰা নাছিল।

তৎক্ষণাৎ প্ৰহস্ত উঠিল। ৰাৱণক নমস্কাৰ কৰি তেওঁ ক'লে, ''আমি যি দেৱ, মায়াৱ গন্ধৰ্ব, পিশাচ আদিলৈ ভয় নকৰো, তেনে অৱস্থাত বান্দৰলৈ ভয় কৰিম কিয়? আমি এই ধাৰণা কৰি আছিলো যে আমাক কোনেও পৰাভূত কৰিব নোৱাৰে, আৰু হনুমানে আহি হুলস্থূল কৰি থৈ গ'ল, নহ'লে মই জীয়াই থাকোতে সি লংকালৈ আহিব পাৰেনে? আজ্ঞা দিয়ক, মই ভূমিৰ ওপৰত বান্দৰৰ চিন মোকাম নোহোৱা কৰি পেলাম। লংকাৰ ৰক্ষাৰ কাম মোৰ ওপৰত এৰি দিয়ক। আপুনি নিশ্চিন্ত হৈ থাকক।''

''হনুমানে আমাৰ আৰু আমাৰ ৰজাক এনেকুৱা অপমান কৰি থৈ গ'ল, যিটো ক্ষমাৰো অযোগ্য। মই অকলেই সেই সকলো বান্দৰকে মাৰিম।'' দুৰ্মুখে ক'লে।

বজ্ৰদ্ৰষ্টই নিজৰ ক্ৰোধ প্ৰকাশ কৰি লোহাৰ গদা হাতত লৈ ক'লে, ''মাজ নিশাৰ পৰত, চোৰৰ দৰে অহা হনুমানক লৈ ইমান চিন্তা কৰাৰ কি প্ৰয়োজন আছে? মই গৈ সেই বীৰ ৰামক লক্ষ্মণ আৰু সুগ্ৰীৱ সহিতে মাৰি পেলাম। মহাৰাজ, আৰু এটা কথা কওঁ। এই শত্ৰুক আৰু এটা উপায়েৰে পৰাভূত কৰিব পৰা যায়। কামৰূপ ৰাক্ষস মনুষ্যৰ ৰূপ ধাৰণ কৰি ৰামৰ ওচৰলৈ যাওক আৰু কওকগৈ ''আমাক ভৰতে পঠিয়াইছে। তেওঁ ডাঙৰ সেনাবাহিনী লৈ আহি আছে।'' ৰাম যেতিয়া ভৰত অহাৰ প্ৰতীক্ষাত থাকিব, তেতিয়া আমি অতৰ্কিতে আক্ৰমণ কৰি তেওঁলোকক পৰাভূত কৰিম। ৰাম লক্ষ্মণে এই সৰ্বনাশ দেখি মোক আৰু অপমানত আত্মহত্যা কৰিব।''

এইদৰে কুম্ভকৰ্ণৰ পুত্ৰ নিকুম্ভয়ো ক'লে যে সি অকলে গৈয়েই ৰাম লক্ষ্মণ আৰু বানৰ সেনাক নিধন কৰিবগৈ।

বজ্ৰদনে ক'লে যে সি সকলো বান্দৰকে ভক্ষণ কৰিব আৰু বহুতো ৰাক্ষসে থিয় হৈ ক'লে যে সিহঁতে বান্দৰবোৰক নিধন কৰিব।

# লোভেই পাপ পাপেই মৃত্যু

**বা**ঢ়ে শম্ভুপ্ৰসাদৰ দুজন পুত্ৰ আছিল। বৰপুত্ৰ শিৱৰাম চহৰৰ এজন বেপাৰীৰ দোকানত চাকৰি কৰিছিল আৰু দ্বিতীয় পুত্ৰ গোবিন্দই পিতাকক বাঢ়ৈৰ কামত সহায় কৰিছিল।

এবাৰ গোবিন্দই নিজৰ ককায়েকক চাবলৈ চহৰলৈ গ'ল। তেতিয়া শম্ভুপ্ৰসাদ হঠাতে হৃদৰোগত আক্ৰান্ত হ'ল। শম্ভুপ্ৰসাদে নিজৰ প্ৰতিবেশী ধনী ভূষণদাসক মতাই আনিলে, তেওঁৰ হাতত এটা মোনা দি মিনতি কৰিলে, "মহাশয়, এই মোনাত পাঁচহাজাৰ মুদ্ৰা আছে। অনুগ্ৰহ কৰি আপুনি এই ধনখিনি মোৰ পুত্ৰহঁতৰ হাতত তুলি দিব, এই ধনখিনিৰ বাবেই যাতে মোৰ পুত্ৰহঁত এলেহুৱা নহয় আৰু ধনখিনি কামত খটুৱাই সিহঁতে যাতে আৰামেৰে জীৱন নিৰ্বাহ কৰিব পাৰে তাক নিশ্চিত কৰিব।"

ভূষণদাসে মানি ল'লে, ধনৰ সেই মোনাটো নি তেওঁ নিজৰ ঘৰত লুকুৱাই থ'লে আৰু ঘূৰি আহিল। সেইখিনি সময়তে শম্ভুপ্ৰসাদে চিৰদিনৰ বাবে চকু মুদিলে। সেই মুহূৰ্ত্তে চহৰত থকা শম্ভুপ্ৰসাদৰ দুই পুত্ৰলৈ পিতাকৰ মৃত্যু সংবাদ পঠিওৱা হ'ল। দুই পুত্ৰই গাঁৱলৈ ঘূৰি আহি পিতাকৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিলে। সিহঁতে ঘৰৰ এটা আলমাৰিত পিতাকে নিজ হাতেৰে লিখা এখন চিঠি দেখা পালে। ভূষণদাসক মতাৰ আগতে শম্ভুপ্ৰসাদে পুতেকহঁতৰ নামত এখন চিঠি লিখি আলমাৰিত থৈ দিছিল।

চিঠিখনত এনেকৈ লিখা হৈছিল, "মই পাঁচহাজাৰ মুদ্ৰা জমা কৰি থৈছো। এই মুদ্ৰাখিনি মই ধনী ভূষণদাসৰ হাতত অৰ্পণ কৰিছো। তোমালোকে তেওঁৰ পৰামৰ্শ মানি এই ধনখিনি ব্যৱহাৰ কৰিবা, কিন্তু নিজকে কেতিয়াও ধনখিনি আছে বুলিয়েই এলেহুৱা কৰি নুতুলিবা।"

শম্ভুপ্ৰসাদৰ পুতেকহঁতে চিঠিখন নি

২৫ বছৰৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী

কৰিবলৈ আমাক কৈ গৈছে। মোৰ ভাই গোবিন্দই বাটৈৰ কাম কৰি গাঁৱতে থাকি যাব খুজিছে। কিন্তু মই তাক ইয়াত অকলে এৰি চহৰলৈ যাব খোজা নাই। মোৰো পেট ভৰিবলৈ কিবা এটা উপায় দিয়ক।"

"শুনা, বোপাই, তুমি মোৰ ব্যৱসায়ৰ হিচাপ পত্ৰ চাই ইয়াতে কাম কৰা। মই তোমাক যি পাৰো সহায় কৰিম।" ভূষণদাসে বুজালে।

তাৰপাছত শিৱৰামে ভূষণদাসৰ ঘৰত কাম কৰিবলৈ ধৰিলে। শিৱৰামে পৰিয়ালটোৰ বিশ্বাস জয় কৰিলে আৰু পৰিয়ালৰ এজন সদস্য হিচাপেই থাকিবলৈ ধৰিলে। লাহে লাহে শিৱৰামে পৰিয়ালটোৰ সকলো ভিতৰুৱা কথা জানি ল'লে।

ভূষণদাসক দেখুৱালে। ভূষণদাসে দুখৰ অভিনয় কৰি ক'লে, "বেচেৰা, তোমালোকৰ দেউতাই, ধনখিনি মোক দিয়াৰ আগতেই চকু মুদিলে।"

শম্ভুপ্ৰসাদৰ দুই পুত্ৰই ভাবিলে যে ভূষণদাসে আসৈ মাতিছে, কিয়নো এটা কথা তেওঁলোকে স্পষ্টকৈ গম পাইছিল যে দেউতাকৰ মৃত্যুৰ আগতে ভূষণদাস সিহঁতৰ ঘৰলৈ আহিছিল আৰু ঘূৰি আহি পুনৰ এবাৰ গৈছিল, কিন্তু দ্বিতীয়বাৰ তেওঁ ঘূৰি অহাৰ আগতেই শম্ভুপ্ৰসাদে চকু মুদিছিল।

দুয়ো ভ্ৰাতৃয়ে ভূষণদাসক এটা ভাল শিক্ষা দিবলৈ ঠিক কৰিলে। সেই বাবে দুয়ো এক আঁচনি পাঙিলে আৰু ভূষণদাসৰ কথা বিশ্বাস কৰাৰ অভিনয় কৰিলে।

ইয়াৰ কিছু দিন পাছত শিৱৰামে ভূষণদাসৰ ওচৰলৈ গৈ ক'লে, "বৰদেউতা, মোৰ দেউতাই আপোনাৰ পৰামৰ্শ মতে কাম

ভূষণদাসে নিজৰ সমুদায় ধন এটা গধুৰ চন্দুকত ভৰাই এনে এঠাইত ৰাখিলে, যাতে সেইফালেদি অনবৰতে পৰিয়ালটোৰ কোনোবা নহয় কোনোবা অহা যোৱা কৰি থাকে। চন্দুকটোৰ ওপৰত এনেকুৱা কিছুমান পুৰণি কাপোৰ ৰাখি থ'লে যাতে সেইটো দেখিলেই সকলোৱে ভাবে চন্দুকটোৰ ভিতৰত কোনো মূল্যবান বস্তু নাই। বৰঞ্চ ফটা ছিটা পুৰণা কাপোৰহে আছে।

শিৱৰামে এদিন ছেগ বুজি চন্দুকটোৰ জোখ ল'লে। এদিন ৰাতি কোনোবাই আহি ভূষণদাসৰ দুৱাৰত আহি টুকুৰিয়ালেহি। ভূষণদাসে দুৱাৰ খুলি দিলে। বাহিৰত ৰাজ-কুমাৰৰ দৰে পোচাক পিন্ধি এজন মানুহ থিয় হৈ আছিল। তেওঁৰ পাছত আন্ধাৰত অলপ মানুহও আছিল।

ৰাজকুমাৰে ভূষণদাসক প্ৰণাম কৰি ক'লে,

"মই শুনিছো এই অঞ্চলত আপোনাৰ দৰে ধনী ব্যক্তি দ্বিতীয় এজন নাই। মই প্ৰতিবেশী ৰাজ্যৰ নিবাসী। হঠাতে আমাৰ এটা বিপদ আহিছে। মই মোৰ নামমাত্ৰ সম্পত্তি বচাই পলাই আহিছো। মোৰ সকলো সম্পত্তি এই চন্দুকতে আছে। আপুনি অনুগ্ৰহ কৰি এইখিনি আপোনাৰ ঘৰত সুৰক্ষিত কৰি ৰাখক। মোৰ দিন যেতিয়া ভাললৈ আহিব, তেতিয়া মই আহি চন্দুকটো লৈ যাম। আপুনি মোক এই উপকাৰ কৰিলে মই আজীৱন মনত ৰাখিম।"

চন্দুকটো ভূষণদাসৰ ঘৰৰ বাহিৰৰ চোতালত আছিল। চন্দুকটো মখমলৰ কাপোৰেৰে ঢকা আছিল।

ভূষণদাসে সেই চন্দুকটো তেওঁৰ ঘৰত ৰাখিবলৈ সন্মতি দিলে। ৰাজকুমাৰে তেওঁৰ অনুচৰৰদ্বাৰা চন্দুকটো ভিতৰলৈ নিয়াৰ ব্যৱস্থা কৰিলে। চন্দুকটো বেচ গধুৰ আছিল। ভূষণদাসে ৰাজকুমাৰৰ চন্দুকটো তেওঁৰ চন্দুকৰ ওচৰতে ৰাখিলে।

ইয়াৰ পিছত ভূষণদাসৰপৰা বিদায় লৈ ৰাজকুমাৰ গ'লগৈ। ভূষণদাসে নিজৰ ভাগ্যক লৈ প্ৰসন্ন হ'ল। তেওঁ ভাবিবলৈ ধৰিলে, যদিহে ৰাজকুমাৰৰ ভাল দিন নাহে তেন্তে সেই গোটেইখিনি সম্পত্তি তেওঁৰেই হ'ব। আৰু যদি ৰাজকুমাৰৰ ভাল দিন আহেও তেন্তে গোটেই জীৱন তেওঁ ৰাজকুমাৰৰ অনুগ্ৰহ লাভ কৰি থাকিব। তেওঁৰ দুয়ো হাততে দুটা লাড়ু থাকিব।

নিশ্চিন্ত মনেৰে ভূষণদাস শুই পৰিল। ইয়াৰ কিছু সময়ৰ পাছত ৰাজকুমাৰৰ চন্দুকৰ ওপৰত মখমলৰ ঢাকোনখন খোল খালে। ভিতৰৰপৰা ওলাই আহিল গোবিন্দ। তেওঁ ভূষণদাসৰ চন্দুকৰ



ওপৰৰ পুৰণা বস্ত্ৰ ৰাজকুমাৰৰ চন্দুকৰ ওপৰত তথা ৰাজকুমাৰৰ চন্দুকৰ ওপৰৰ মখমলৰ কাপোৰ ভূষণদাসৰ চন্দুকৰ ওপৰত ৰাখিলে আৰু চুপচাপ পিছ দুৱাৰেদি বাহিৰলৈ ওলাই আহিল।

ভূষণদাস যেতিয়া গভীৰ নিদ্ৰাত আছিল, তেতিয়া কোনোবাই তেওঁক পিঠিত ঢকিয়াই জগাই দিলে। ভূষণদাস চক খাই উঠি বহিল। তেওঁ দেখা পালে, তেওঁৰ বিচনাৰ ওপৰত অস্ত্ৰৰে সুসজ্জিত হৈ সৈনিকৰ দৰে এজন মানুহ থিয় দি আছে। তেওঁ ভয় খাই সুধিলে, "তুমি কোন? এই ঘৰৰ ভিতৰলৈ আহিলা কেনেকৈ?"

সৈনিকে গলগলীয়া মাতেৰে ক'লে, "তুমি মোৰ প্ৰশ্নৰ উত্তৰ দিয়া। আমি গম পাইছো, কিছু সময়ৰ আগতে প্ৰতিবেশী ৰাজ্যৰ ৰজা তোমাৰ ঘৰলৈ আহিছিল আৰু তেওঁ তোমাৰ ঘৰত দুটা চন্দুক লুকুৱাই থৈ গুচি গৈছে। সেইজন ৰজাক

ততালিকে বন্দী কৰিবলৈ নতুন ৰজাই নির্দেশ দিছে।"

ভয়তে ভূষণদাস কঁপি উঠিল।

"সেই ৰজা তেতিয়াই গুচি গ'ল। মোৰ ঘৰত এটা চন্দুক ৰাখি থৈ গৈছে। কিন্তু মই নাজানো তাৰ ভিতৰত আছে কি? ইচ্ছা কৰিলে আপুনি সেই চন্দুকটো লৈ যাব পাৰে।" ভূষণদাসে ক'লে।

সৈনিকে দুয়োটা চন্দুক দেখি ক'লে, "এই দুয়োটা তেওঁৰেইনে?"

তেতিয়া ভূষণদাসে ক'লে, "মহাশয়, যিটো চন্দুক সাধাৰণ কাপোৰেৰে ঢকা আছে সেইটো মোৰ আৰু যিটো মখমলেৰে ঢকা আছে, সেইটো সেই ৰজাৰ।" সৈনিকে ক'লে, "বৰ ভাল কথা। আপোনাৰ দৰে বয়োজেষ্ঠ মানুহ এজনে মিছা নামাতে বুলি ধৰি লৈ মই আপোনাৰ কথা বিশ্বাস কৰিছো।" এইবুলি কৈ তেওঁ নিজ অনুচৰহঁতক মাতিলে আৰু মখমলৰ কাপোৰেৰে ঢকা চন্দুকটো তাৰপৰা উঠাই নিবলৈ আদেশ দিলে। সেইটো চন্দুকতে ভূষণদাসৰ গোটেইখিনি ধন আছিল।

এই ঘটনাত ভূষণদাসে বৰ ভয় খালে। অলপ সময়ৰ পাছত তেওঁ নিজকে নিজে প্ৰবোধ দিলে, এটা ডাঙৰ বিপদৰপৰা সাৰি গ'লো। তেওঁ যেতিয়া পুৰণা বস্ত্ৰ আঁতৰাই নিজৰ চন্দুকটো খুলিলে তেতিয়া তাৰ ভিতৰত একো নাছিল।

নিজৰ ধনখিনি হেৰুৱাই পৰিয়ালৰ সকলোৱে গোটেই ৰাতি কন্দা কটা কৰিলে। ৰাতিপুৱাই শিৱৰাম আহি ওলালহি। গোটেই কথাখিনি শুনাৰ পাছত তেওঁ কান্দি কান্দি ক'লে, "চাহাব, মই এতিয়া এই ঘৰৰ হিচাপ পত্ৰ কি চাম? যি অলপ আছিল, সেইখিনিও নোহোৱা হৈছে।" এইবুলি কৈ শিৱৰামে চকুপানী টুকি বিদায় মাগিলে।

ইয়াৰ অলপ দিনৰ পাছত গাঁৱত এটা খবৰ ওলাল যে শম্ভুপ্ৰসাদে গুপ্তৰুপত যিখিনি ধন থৈছিল, তেওঁৰ দুয়ো পুত্ৰই সেইখিনিৰ সন্ধান পাইছে। সেই ধনখিনিৰেই, শিৱৰামে নিজৰ বেপাৰ আৰম্ভ কৰিলে।

এইদৰে ভূষণদাসে পাঁচ হাজাৰ ধন আত্মসাৎ কৰাৰ লালসাত নিজৰ সমুদায় ধন হেৰুৱা-বলগীয়া হ'ল। সঁচা কথাটো হ'ল, লোভেই পাপ পাপেই মৃত্যু। ভূষণদাসে তেওঁৰ অপকৰ্মৰ ফল হাতে হাতে পালে।

# বিহংগ ভেৰী

বহুত দিনৰ আগৰ কথা। পূবৰ সমুদ্ৰৰ মাজত গম্ভীৰগিৰি নামৰ এটা মহাপৰ্বত আছিল। সেই পৰ্বতটোৱে হেনো আকাশ ছুই আছিল। এই পৰ্বতৰ এফালে আছিল বিভিন্ন ধৰণৰ সুস্বাদু ফল আৰু আনফালে আছিল দশোদিশ মলমলাই থকা সুগন্ধি ফুল। সেয়েহে ইয়াত বিভিন্ন ধৰণৰ পক্ষী বাস কৰিছিল। এই পক্ষীবোৰৰ ভিতৰত মুখ্য পক্ষী আছিল গণ্ডবেৰুণ্ড পক্ষী।

এই পক্ষীবোৰৰ এজন ৰজা আছিল, যাৰ নাম আছিল বিহংগ ভেৰী। বিহংগ ভেৰী বৰ বলৱান পক্ষী আছিল যদিও তাতোকৈ ডাঙৰ কথা আছিল, তাৰ নিৰ্মল মন। সেয়েহে বিহংগ ভেৰীৰ অধীনত বাকীবোৰ পক্ষীয়েও কষ্ট আৰু ভয় নোহোৱাকৈ আৰামেৰে জীৱন কটাইছিল। সকলো পক্ষীয়ে আনন্দেৰে জীৱন কটাইছিল।

হঠাতে এই পক্ষীবোৰৰ এটা সমস্যা আহিল। গম্ভীৰগিৰিক নিজৰ লগত মিলাবলৈ সমুদ্ৰই ডাঙৰ ডাঙৰ ঢৌৰে পৰ্বতৰ বৃহৎ শিলাখণ্ডবোৰ বগৰাবলৈ চেষ্টা কৰিছিল। গম্ভীৰগিৰিৰ সৌন্দৰ্যত মুগ্ধ হৈ সমুদ্ৰই আগবাঢ়িবলৈ ভৰপূৰ চেষ্টা চলাইছিল। ঢৌৱে আহি পৰ্বতক যেতিয়া আঘাত কৰিছিলহি, পৰ্বতটো এক ইঞ্চিও আঁতৰি যোৱা নাছিল। সমুদ্ৰৰ এই প্ৰচেষ্টা দেখি পৰ্বতে হাঁহিছিল। তাৰবাবে সমুদ্ৰ বৰ ক্ৰোধান্বিত হৈছিল। ঢৌৰ প্ৰচণ্ড আঘাতে বিৰাট শব্দৰ সৃষ্টি কৰিছিল। সেই শব্দই পক্ষীৰ শান্তি ভংগ কৰিছিল। এবাৰ আকাশ ৰজাৰ কন্যা মেঘমালাই গগণ বিহাৰ কৰি থাকোতে গম্ভীৰগিৰিৰ সৌন্দৰ্য দেখি মুগ্ধ হৈ সেই পৰ্বতত অৱতৰণ কৰিলেহি। পক্ষীৰজা বিহংগ ভেৰীয়ে মেঘমালাৰ সাদৰ স্বাগত কৰিলে আৰু ক'লে, "আকাশ ৰজাৰ কন্যাক স্বাগতম। আমাৰ আতিথ্য স্বীকাৰ কৰি ইয়াত

নাগেশ্বৰ



"মোৰ প্ৰিয় কন্যা মেঘমালাক তুমি বহুত তৃপ্তি দিলা। ময়ো তোমাৰ প্ৰতি বহুত সন্তুষ্ট। ইয়াৰ বিনিময়ত তুমি মোৰপৰা কি বৰ লাগে খোজা।"

বিহংগ ভেৰীয়ে ক'লে, "কিবা প্ৰতিফলৰ আশাৰে মই আপোনাৰ কন্যাক আতিথ্য প্ৰদান কৰা নাছিলো। সেয়া আছিল হৃদয়েৰে প্ৰদান কৰা আতিথ্য। অনুগ্ৰহ কৰি তাৰ কোনো মূল্য ঠিক নকৰিব।"

"অন্ততঃ মোৰ মনত আনন্দ দিবলৈকে তুমি কিবা এটা বৰ বিচাৰা," আকাশ ৰজাই ক'লে।

তেতিয়া বিহংগ ভেৰীয়ে ক'লে, "আপুনি বৰ দান কৰিবলৈ জোৰ দি ধৰিছে যেতিয়া, মোৰ এটা প্ৰাৰ্থনা আছে। ভগৱানৰ কৃপাত এই পৰ্বতত আমাৰ পক্ষী জাতিৰ একোৰে অভাৱ নাই। কিন্তু সমুদ্ৰ আৰু গম্ভীৰগিৰিৰ মাজত শত্ৰুতা দিনক দিনে বাঢ়িব লাগিছে যাৰ বাবে আমাৰ শান্তি ভংগ হৈছে। যেতিয়াই সমুদ্ৰই বলশালী ঢৌৰে গম্ভীৰগিৰিক ভাঙিবলৈ চেষ্টা কৰে, তেতিয়াই ভয়ংকৰ ধ্বনি সৃষ্টি হয় আৰু আমাক অশান্ত কৰি তোলে। আপুনি এই সমস্যাৰ সমাধান কৰিব পাৰে যদি আমি আপোনাৰ ওচৰত চিৰঋণী হৈ থাকিম।"

আকাশ ৰজাই ক'লে, "পক্ষী ৰজা, তুমি বৰ উদাৰ। তুমি যি বৰ খুজিলা, সেয়া নিজৰ বাবে নহয়, বৰঞ্চ আনৰ বাবেহে। তোমাৰ ব্যক্তিত্ব মহান। তোমাৰ দৰে হৃদয়ৰ লোক কমেইহে পোৱা যায়। মই নিশ্চয় তোমাৰ ইচ্ছা পূৰা কৰিম।"

এদিন জোনাক নিশা পক্ষীবোৰে যেতিয়া নিজৰ মাজতে কথা পাতি আছিল তেতিয়া

প্ৰাকৃতিক শোভা প্ৰত্যক্ষ কৰক। তাৰবাবে মই প্ৰয়োজনীয় ব্যৱস্থা কৰি দিওঁ।"

বিহংগ ভেৰীৰ বিনয়ত মুগ্ধ হৈ মেঘমালাই তাৰ আতিথ্য স্বীকাৰ কৰিলে। বিংহগ ভেৰীয়ে তেওঁক মধুৰ ফল আৰু সুগন্ধি পুষ্প সমৰ্পণ কৰিলে। তাৰ পাছত তেওঁক নিজৰ পিঠিত বহুৱাই লগত বহুত পক্ষী লৈ গম্ভীৰগিৰিৰ সহজ, সুন্দৰ প্ৰান্তৰবোৰ আৰু সুন্দৰ বনবোৰ দেখুৱালে। মণি মাণিক্য উপহাৰ স্বৰূপে দিলে আৰু পৰম চেনেহেৰে তেওঁক বিদায় দিলে। পক্ষীৰ আতিথ্যত মেঘমালা অত্যন্ত প্ৰসন্ন হৈ স্বস্থানলৈ ঘূৰি গ'ল।

মেঘমালাৰ মুখৰপৰা বিহংগ ভেৰীৰ আতিথ্যৰ কথা আকাশৰজাই শুনিলে আৰু তেওঁ খুব আনন্দিত হ'ল। পিছদিনাই তেওঁ বিহংগ ভেৰীক চাবলৈ আহিল আৰু পক্ষীৰাজক ক'লে,

সিহঁতৰ কাণত পৰিল এক মধুৰ সংগীত। সেই মধুৰ সংগীত শুনি পক্ষীবোৰ আশ্চৰ্যত ডুব গ'ল। আজিলৈকে সিহঁতে এনে মধুৰ সংগীত শুনা নাই। আজিলৈকে সিহঁতে শুনিছিল সমুদ্ৰৰ প্ৰকাণ্ড ঢৌৱে পৰ্বতত খুন্দা মাৰোতে হোৱা ভয়ংকৰ শব্দ। সেই মধুৰ সংগীতৰ ৰস উপভোগ কৰি বিহংগ ভেৰীয়ে সুধিলে, "এই সংগীত ক'ৰপৰা আহিছে? চাওঁচোন এই সংগীত কাৰ কণ্ঠৰপৰা ওলাইছে," এইবুলি কৈ সি নিজৰ বলশালী পাখি মেলি ধৰিলে আৰু আকাশলৈ উৰি গ'ল। আৰু কেইটামান পক্ষীও সিহঁতৰ ৰজাৰ লগে লগে উৰি গ'ল।

অলপ সময় আকাশত উৰাৰ পাছত বিহংগ ভেৰীয়ে তাৰ দৃষ্টি তললৈ প্ৰসাৰিত কৰিলে। মহাসমুদ্ৰৰ ঢৌৱে গম্ভীৰগিৰিৰ যি ঠাইত আহি খুন্দিয়াইছিলহি, তাৰপৰাই এই মধুৰ সংগীত আহিছে।

বিহংগ ভেৰীয়ে এই কথা বুজিবলৈ বেছি সময় নালাগিল যে এই সকলোবোৰ আকাশ ৰজাই দিয়া বৰদান। মনে মনে সি আকাশৰজাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিলে। শিল আৰু ঢৌৰ খুন্দিয়া খুন্দিত ভয়ংকৰ ধ্বনি হৈছিল, তাৰ ঠাইত আকাশে পঞ্চভূতৰপৰা নিজৰ অংশ সংগীতত নিক্ষিপ্ত কৰি দিলে। ইয়াৰ ফলত ঢৌৱে সুমধুৰ সংগীতৰ তৰংগ সৃষ্টি কৰিবলৈ ধৰিলে।

ভীষণ ধ্বনিৰপৰা এনেকৈ সকাহ পোৱাৰ বাবে, পক্ষীবোৰে পক্ষীৰাজক ধন্যবাদ দিলে।

গম্ভীৰগিৰিয়ে সমুদ্ৰৰ শক্তিৰ মুখামুখি হ'ব নোৱাৰি ভয়তে সমুদ্ৰৰ সৈতে মৈত্ৰী কৰিব খুজিছে, এইবুলি ভাবি সমুদ্ৰই নিজৰ বল কমাই দিলে। গম্ভীৰগিৰিয়ে ভাবিবলৈ ধৰিলে আজিলৈকেদিনে ৰাতিয়ে সমুদ্ৰই মোক খুন্দিয়াইথাকিল, কিন্তু লাভ একো নহ'ল। সেয়েহে সমুদ্ৰই এতিয়া নিশ্চয় পৰ্বতৰ সৈতে বুজাবুজিলৈ আহিব খুজিছে আৰু নিজৰ ঢৌৱে সংগীতৰ সৃষ্টি কৰি বন্ধুত্বৰ হাত আগবঢ়াব খুজিছে। সমুদ্ৰৰ এই ভাবত পৰ্বত সন্তুষ্ট হ'ল।

এইদৰেই পৰ্বত আৰু সমুদ্ৰৰ মাজৰ শত্ৰুতা নোহোৱা হ'ল। তথাপি আচল ৰহস্যৰ কথা কোনেও নাজানিলে। এই ৰহস্যৰ কথা জানিছিল কেৱল বিহংগ ভেৰী আৰু আকাশ ৰজাই।

# VALOUR & ADVENTURE
# HUMOUR & MYSTERY
# MORALS & HEROES

## Enthralling stories of six decades come together in one incomparable collection




The Chandamama
60th Anniversary Collector's Edition
HARD COVER
Cover Price : Rs 449

CHANDAMAMA
COLLECTOR'S EDITION

Take a trip down memory lane with the magazine's oldest editors, discover the beginnings of Chandamama and view some of the most memorable cover art across the decades.

Subscribers must fill in the order form below to avail of special discount.

**I want a copy of the Chandamama Collector's Edition.**

Name .................................................... Subscriber No ..........................

Address ..........................................................................................

City .......................... State .......................... Pin ..........................

Telephone .......................... Mobile .......................... Email ..........................

Enclosed Cheque/DD for Rupees (in words) ..........................................................

Cheque/DD no .......................... Favouring **Chandamama India Ltd**

on .................................................... bank. *(Send At-Par cheques or add Rs 60 for non-Chennai cheques)*

Please mail the order form to :

**Chandamama India Limited**, No. 2/513 (Old 3/396), Sandeep Avenue East, 2nd Main Road, Chinna Neelangarai, Chennai – 600 041. Tel: (044) 32402323 Email: chandamama@chandamama.com Web: www.chandamama.com. Allow 3 weeks for delivery.

# চান্দমামা কুইজ-১২

(১৬ বছৰৰ তলৰ শিশুৰ বাবে)

Co-sponsored by
Infosys FOUNDATION, Bangalore

আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টিয়ে আনি দিব নগদ *২৫০ টকাৰ পুৰস্কাৰ।

*এই মাহৰ কুইজৰ দ্বাৰা পৰীক্ষা কৰা হ'ব তোমালোক ২০০৮ চনত আমাৰ দেশে লাভ কৰা কৃতিত্বৰ বিষয়ে কিমান জানা।*

*আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টি এটাতকৈ বেছি হ'লে সফল অংশগ্ৰহণকাৰীসকলৰ প্ৰত্যেকেই পাব ৫০ টকাকৈ।

**তুমি কি কৰা উচিত:** ১.এখন কাগজত উত্তৰবোৰ লিখা; ২.তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে সম্পূৰ্ণ ঠিকনা উল্লেখ কৰা; ৩.লেফাফাৰ ওপৰত লিখা **চান্দমামা কুইজ-১২;** ৪.৩১, জানুৱাৰী ২০০৮ৰ আগতে আমাৰ হাতত পৰাকৈ তোমাৰ প্ৰৱিষ্টি ডাকত দিয়া। উত্তৰবোৰ দিয়া হ'ব মাৰ্চ ২০০৯ সংখ্যাত।

১. ভাৰতৰ প্ৰথম গ্ৰীণফিল্ড এয়াৰপৰ্ট ক'ত হৈছে।
২. চিনিয়ৰ আলফনচাক ১২ অক্টোবৰত চেইন্ট উপাধি প্ৰদান কৰা হৈছে। তেওঁৰ জন্মস্থান কেৰালাৰ কোন অঞ্চলত?
৩. চতুৰ্থ কমনৱেলথ যুৱ ক্ৰীড়াত পদকৰ তালিকাত ভাৰতে সৰ্ব্বোচ্চ স্থান দখল কৰিছে। ভাৰতে সৰ্বমুঠ কিমানটা পদক লাভ কৰিলে? তাৰ কিমানটা সোণৰ পদক আছিল?
৪. এহাল ভাৰতীয় দম্পতীয়ে এইবাৰ ৰামণ মেগচেচে বঁটা লাভ কৰিছে। তেওঁলোক কোন?
৫. অলিম্পিক গেমছত ব্যক্তিগতভাৱে স্বৰ্ণ পদক বিজয়ী প্ৰথম ভাৰতীয় কোন আছিল? তেওঁ এই পদক কিহত পাইছিল?
৬. ভাৰতে নিজৰ প্ৰথম ফিল্ড মাৰ্শ্বালক হেৰুৱালে। তেওঁৰ নাম কি আছিল?

PANGAA GANG

**বনধ্বংসকৰণ কি?**

বনধ্বংকৰণ শব্দই গছ কটা আৰু বনাঞ্চলৰ পৰিসৰক কম হোৱা বুজায়।

**বনধ্বংসকৰণ কিয় কৰা হয়?**

মানৱ বসতি, কাৰখানা নিৰ্মাণ আৰু কৃষিকৰ্মৰ বাবে নতুন ভূমিৰ চাহিদা পূৰণ কৰিবলৈ এই কাম কৰা হয়।

**বনধ্বংসকৰণৰ কাৰণবোৰ কি কি?**

বহুত কাৰণত বনধ্বংসকৰণ হয়। মানুহে গছ কটাৰ প্ৰধান কাৰণসমূহ হ'ল:

* কাঠৰ বস্তু, কাগজ প্ৰস্তুত কৰিবলৈ
* মূল্যবান খনিজাত পদাৰ্থ আৰু পেট্ৰোলিয়ামৰ সন্ধানত খনন কাৰ্য চলাবলৈ
* ভূমি উন্নয়ন, গৃহ যুদ্ধ আৰু প্ৰাকৃতিক সম্পদৰ অভাৱ

**বিশ্বৰ সৰ্ববৃহৎ বৰ্ষাবনাঞ্চলসমূহ হ'ল (ডাঙৰৰপৰা সকলৈ অধঃক্ৰমত)**

* দক্ষিণ আমেৰিকাৰ আমাজন অৱবাহিকা অঞ্চল
* মধ্য আফ্ৰিকাৰ কংগো নদীৰ অৱবাহিকা অঞ্চল
* দক্ষিণ পূৱ এচিয়া
* নিউ গিনি
* মাডাগাস্কাৰ

**কেইটামান তথ্য:**

* গছ কটা যদি বন্ধ নহয়, তেন্তে জীৱ জন্তু আৰু উদ্ভিদ নোহোৱা হ'ব আৰু জলবায়ু জীৱনৰ বাবে প্ৰতিকূল হৈ উঠিব।
* গড় হিচাপে, দৈনিক ১৩৭টা প্ৰজাতি বিলুপ্ত হয়, তাৰমানে বছৰি ৫০০০০ প্ৰজাতি

**বনধ্বংসকৰণ আমাৰ বাবে বেয়া কিয়?**

* উদ্ভিদ, পতঙ্গ আৰু জীৱ জন্তু বিলুপ্ত হয়
* প্ৰজাতিবোৰৰ প্ৰাকৃতিক বসতি ক্ষতিগ্ৰস্ত হয়
* গছ গছনি কাটিলে ভূমিৰ অৱক্ষয় হয়: ভূমিৰ উপৰিভাগৰপৰা বৰষুণৰ পানীয়ে সূক্ষ্ম পুষ্টিতত্ত্ব ধুই নিয়ে
* পানীৰ পৃষ্ঠ বাঢ়ে আৰু ইয়াৰ ফলত বানপানী হয়
* জলবায়ু শুকান, খুব গৰম বা খুব ঠাণ্ডা হয়
* গছে কাৰ্বন ডাই অ'ক্সাইড শোষণ কৰে আৰু অক্সিজেন এৰি দিয়ে। কিন্তু যেতিয়া গছ কমি আহে বেছি কাৰ্বন ডাই অ'ক্সাইড বায়ুমণ্ডললৈ এৰি দিয়া হয়, ফলত উশাহ ল'বলৈ কষ্ট হয়।
* ভূমি, জল, আৰু বায়ু প্ৰদূষণ

**গতিকে বনধ্বংসকৰণ ৰোধ কৰিবলৈ তুমি কি কৰিব পাৰা?**

**www.pangaagang.com** ত লগ অন কৰা আৰু বনধ্বংসকৰণৰ বিৰুদ্ধে পাঙ্গা গেঙৰ যুদ্ধত যোগ দিয়া।

Copyright @ 2009 Shemaroo Entertainment Pvt. Ltd. all rights reserved

# জানো আহাঁ নানা কথা

## তোমাৰ পৰিৱেশ

## সাতুৰিব পৰা লাওখোলা

তুমি গা ধোৱাৰ সময়ত স্পঞ্জ ব্যৱহাৰ কৰিছা ছাগে। শ শ বছৰ ধৰি মানুহে সমুদ্ৰ গৰ্ভত গজা উদ্ভিদ বুলি স্পঞ্জ ব্যৱহাৰ কৰি আহিছে। পিছতহে বিজ্ঞানীসকলে গম পালে যে এই স্পঞ্জবোৰেও উশাহ লয় আৰু খাদ্য সংগ্ৰহ কৰে আৰু গম পালে যে এইবোৰ দৰাচলতে জন্তু।

এটা স্পঞ্জ যদি টুকুৰা টুকুৰ কৰা হয়, প্ৰতিটো টুকুৰাই নিজে নিজে বাঢ়ি আহে।

স্পঞ্জ বহুত প্ৰকাৰৰ আছে। কিছুমান সৰু আৰু কোমল। আন কিছুমান বহুত ডাঙৰ আৰু টান। বিভিন্ন আকাৰ আৰু বৰণত সিহঁতৰ বিকাশ হয়।

## বিজ্ঞানৰ কত কথা

## সাজি লোৱা নিজৰ পথ নিৰ্দেশক

তুমি ছাগে কেতিয়াবা ভাবা উৰাজাহাজ আৰু জাহাজবোৰে ৰাতিনো কেনেকৈ নিজৰ সঠিক দিশ বিচাৰিব পাৰে। সিবিলাকে চৌম্বকীয় কম্পাচ নামৰ এটা যন্ত্ৰ ব্যৱহাৰ কৰে। তুমি নিজেই নিজৰ বাবে এনে এটা যন্ত্ৰ সাজি ল'ব পাৰা। ইয়াৰ বাবে, তোমাক লাগিব এটা ৩ চে.মি. দীঘল চিলাই কৰা বেজী, এডাল সৰু দণ্ড চুম্বক, এটা সৰু কৰ্কৰ টুকুৰা, আৰু এটা বাতিত অলপমান পানী। কৰ্কৰ টুকুৰাটোৰপৰা এটকীয়া মুদ্ৰা এটাৰ সমান সৰু এটা অংশ কাটি লোৱা। তাৰপাছত এই টুকুৰাটোৰ মাজেদি বেজীটো ভৰাই দিয়া। দণ্ড চুম্বকডালৰ উত্তৰ মেৰু তোমাৰ কম্পাচ বেজীৰ দুয়োটা মূৰৰ ওচৰলৈ আনা। সাধাৰণতে, দণ্ড চুম্বকৰ উত্তৰ মেৰু থকা অংশটোত এটা বগা বিন্দু দিয়া থাকে। বেজীটোৰ যিটো মূৰে উত্তৰ মেৰুটোক বিকৰ্ষিত কৰে সেইটোৱেই হ'ল কম্পাচ বেজীৰ উত্তৰ মেৰু। তাত 'N' চিন দিয়া।

ইয়াক বাতিটোৰ পানীখিনিৰ ওপৰত এনেকৈ ৰাখা যাতে ওপঙি থকা বেজীটো পানীৰ পৃষ্ঠাৰ সমান্তৰাল হৈ থাকে। যি দিশত বেজীটো ওপঙি থাকে সেইটোৱেই হ'ল উত্তৰ-দক্ষিণ। তুমি যিহেতু উত্তৰ দিশটোত চিন দিছায়, গতিকে আন তিনিটা দিশ সহজেই চিনি পাব পাৰিবা।

# ফটো নামকৰণ প্ৰতিযোগিতা

MAHANTESH C. MORABAD

কেইটিমান
শব্দেৰে এই
ফটো দুখন
নামকৰণ
কৰিব
পাৰিবানে?

MAHANTESH C. MORABAD

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা তলৰ ঠিকনাত:
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা ইণ্ডিয়া লিমিটেড, নতুন ২/৫১২ (পুৰণি ৩/৩৯৬),
সন্দীপ এভিনিউ ইষ্ট, দ্বিতীয় মূল পথ, চিন্না নীলাংকাবাই, চেন্নাই-৬০০০৪১
এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব ।
পুৰস্কাৰ পাওঁতা জনৰ নাম মাৰ্চ সংখ্যাত প্ৰকাশ কৰা হ'ব।

## নৱেম্বৰ সংখ্যাৰ পুৰস্কাৰ বিজেতা

মৌচুমী বৰা
মাৰফৎ: নীলকমল বৰা
নামতিমুখ মাহী গাঁও
ডাক-চিৰাখুন্দা
জিলা-শিৱসাগৰ
পিন-৭৮৫৬৬৬

## বিজয়ী প্ৰৱিষ্টি

আনন্দৰ বন্যা।
হাস্যবদনা কন্যা॥

## ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰসমূহ:

১.বাল গংগাধৰ তিলক; ২.ভাৰত ভাৰতী; ৩. জি. শংকৰা কুৰুপ, মালয়ালম কবি, ১৯৬৫ চনত; ৪.বিষ্ণু শৰ্মা, খ্ৰীষ্টপূৰ্ব ২০০ চনত; ৫. বিজয় টেণ্ডুলকাৰ; ৬. ৱান ম'ৰ অ'ভাৰ; ৭.গীতাঞ্জলি, ১৯১৩; ৮.আবুল ফজল; ৯.মহম্মদ ইকবাল।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501), Anna Salai, Teynampet, Chennai - 600 018. Editor : B. Viswanatha Reddi (Viswam)

# পিচি আৰএ চাইটটো চাৰ্ফ কৰা– পিচিআৰএৰ কাম কাজ বুজি লোৱা

চোহন অহাৰ সময়ত মোহনে ৱেব চাৰ্ফ কৰি আছিল। "পিচিআৰএ কি?" ৱেবচাইট অনস্ক্ৰীনলৈ চাই চাই চোহনে সুধিলে।

"পিচিআৰএ হ'ল পেট্ৰলিয়াম মন্ত্ৰালয়ৰ অধীনস্থ মূল সংস্থা, পেট্ৰলিয়াম কনজাৰভেছন ৰিচাৰ্চ এছ'চিয়েচন। এই সংস্থাই পেট্ৰলিয়াম সংৰক্ষণৰ বাবে সমগ্ৰ দেশতে সক্ৰিয়ভাৱে শিক্ষামূলক অভিযানৰদ্বাৰা গণসচেতনতাৰ কাম কৰি আছে," মোহনে বুজালে।

"বৰ সুন্দৰ কথা! আৰু কোৱাচোন মোক!" চোহনে ক'লে।

"কৈছো, পিচিআৰএ এই প্ৰতি বছৰে ১৫ জানুৱাৰীৰপৰা ৩১ জানুৱাৰীলৈকে অইল আৰু গেচ সংৰক্ষণ পষেক পালন কৰে। এই পষেক আৰম্ভ কৰা হয় ১৯৯২ চনত আৰু পেট্ৰলিয়াম তথা প্ৰাকৃতিক গেচ মন্ত্ৰালয়ৰ পথ নিৰ্দেশনাৰ অধীনত পিচিআৰএ আৰু ৰাজহুৱা খণ্ডৰ অইল আৰু গেচ কোম্পেনীসমূহে যুটীয়াভাৱে এই পষেকৰ কাৰ্যসূচী আয়োজন কৰে। দেশত শক্তি সংৰক্ষণৰ গুৰুত্বৰ বিষয়ে গণ সচেতনতাৰ সৃষ্টি আৰু বিকাশত এই ৰাষ্ট্ৰজোৰা অভিযান এটা কাৰ্যকৰী আহিলা হৈ উঠিছে," মোহনে ক'লে।

"অ' মনত পৰিছে! যোৱা জানুৱাৰীত মই স্কুলত এক চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম পুৰস্কাঁৰ পাইছিলো। বিষয় আছিল, "উন্নততৰ জীৱনৰ বাবে অইল আৰু গেচৰ সংৰক্ষণ কৰা।" চোহনে ক'লে।

"কেৱল চিত্ৰাংকন প্ৰতিযোগিতাই নহয়, পেট্ৰলিয়ামজাত সামগ্ৰীৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে ৰাইজক সজাগ কৰি তুলিবলৈ এই পষেকত শ্ল'গান লিখা, চাইকেল ৰেলী আদি প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। আমাৰ জীৱাশ্ম ইন্ধনসমূহৰ ভাণ্ডাৰ দ্ৰুত গতিত কমি আহিছে। কিন্তু আমি যদি পিচিআৰএৰ কৌশলসমূহ মানি চলো তেন্তে বহুদিনলৈ এইবোৰৰ যোগান সুনিশ্চিত কৰিব পৰাৰ প্ৰচুৰ সম্ভাৱনা আছে," মোহনে ক'লে।

"সঁচাই আচৰিত!" চোহনে ক'লে। "এই বিষয়ে আমি অধিক লোকক কোৱা উচিত!"

"হয়, সচেতনতা যিমানে বেছি হ'ব সিমানে বেছি ইন্ধন আমি সংৰক্ষণ কৰিব পাৰিম। আমি মনত ৰাখিব লাগে, এবছৰত মাত্ৰ ২% পেট্ৰলিয়ামজাত সামগ্ৰী সংক্ষৰণ কৰিব পাৰিলে বছৰি আমি ১০০০০ কোটি টকা ৰাহি কৰিব পাৰিম!" সন্মতিৰে মোহনে হাঁহিলে।

**ইন্ধন ৰাহি কৰাৰ কেইটামান কৌশল:**

- সৰ্বাধিক ইন্ধন কাৰ্যদক্ষতাৰ বাবে ঘণ্টাত ৪০-৫০কি.মি. বেগেৰে গাড়ী চলোৱা
- এখন গাড়ীতে কেবাজনো লোক যোৱা–ইন্ধন আৰু ধন দুয়োটা ৰাহি হয়
- ইন্ধন ৰাহি কৰিবলৈ আৰু পৰিৱেশক সুৰক্ষা দিবলৈ ১৫ চেকেণ্ডতকৈ বেছি সময় ৰঙা হৈ থকা ট্ৰেফিক ছিগনেলত ইঞ্জিন বন্ধ কৰা

Dear Children,
Please write a short slogan on "SAVE FUEL, SAVE MONEY" and send it to the PCRA address given alongside & win attractive prizes!

Name.............................................

Age.............................Class..................

Address..........................................

.....................................................

E-mail..........................................

MINISTRY OF PETROLEUM AND NATURAL GAS

PCRA PETROLEUM CONSERVATION RESEARCH ASSOCIATION

Additional Director (EC),
Sanrakshan Bhawan, 10, Bhikaiji Cama Place,
New Delhi 110066.
E-mail : pcra@pcra.org

CHANDAMAMA (Assamese) January 2009 Registrar of Newspapers of India No. 30278/76. Regd No. TN/CC(S)Dn/157/06-08
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/06-08, Foreign No. 81/06-08